Year of publication 1853

# চন্দ্রকান্ত সিংহ

ীমূলক জাতীয় ভাবাপন্ন নাট

D.H.S.K. COLLEGE
LIBRARY
Accession No. 14,196
Call No. 891.452/BHU

# চন্দ্ৰকান্ত সিংহ

## বুৰঞ্জীমূলক পঞ্চাঙ্ক নাটক

৩য় তাঙৰণ

Data Entered

বদন-বৰফুকন,
ৰাৰভুঞা, চোৰাংচোৱাৰ-চ'ৰা, বহাগী, বিদ্ৰোহী মৰাণ,
জোনোবালি আদি
প্ৰণেতা

শ্ৰীনকুলচন্দ্ৰ ভূঞা প্ৰণীত

চাৰিং, শিৱসাগৰ
ভাদ, ১৮৫৩।

বেচ—১॥০

প্ৰকাশক—
শ্ৰীনকুলচন্দ্ৰ ভূঞা,
চাৰিং, শিৱসাগৰ।

14196
14196

প্ৰিন্টাৰ—
শ্ৰীজিতেন্দ্ৰ কুমাৰ দাস,
আসাম প্ৰিন্টিং ওৱাৰ্কস,
কালী বিল্ডিং, যোৰহাট।

# উচৰ্গা

অসমীয়া ( নাট-গীত-কবিতা ) সাহিত্যত সুপৰিচিত

আৰু সন্মানিত

মাননীয়

শ্ৰীলশ্ৰীযুক্ত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াৰ

শ্ৰীকৰকমলত

এই ক্ষুদ্ৰ নাট খনি

লিখকৰ অশেষ শ্ৰদ্ধাৰ চিন স্বৰূপে

অৰ্পণ কৰা হ'ল।

শ্ৰীনকুলচন্দ্ৰ ভূঞা

# নিবেদন

তেজপুৰ বাণ-থিয়েটাৰ পাৰ্টিৰ শ্ৰদ্ধেয় বন্ধুসকলৰ উদ্‌গণিত লিখা লিখকৰ আন এখন নাট এই চন্দ্ৰকান্ত সিংহ। তেখেত সকলে এইখন নাটো হাতে লিখা অৱস্থাতে বাণ ৰঙ্গ-মঞ্চত কেইবাবাৰো অভিনয় কৰি লিখকক অশেষ উৎসাহ দিছিল। এই বাবে লিখক বাণ-থিয়েটাৰ পাৰ্টিৰ ওচৰত সদাই কৃতজ্ঞ।

নাটখন লিখিবলৈ লওঁতে (স্বৰ্গীয়) হিতেশ্বৰ বৰবৰুৱা ডাঙৰীয়াৰ আহোমৰ দিনলৈ গোটোৱা পুৰণি বুৰঞ্জীৰ পৰা ভালেখিনি সহায় লোৱা হৈছে। কিন্তু কোনো কোনো ঠাইত নাটখন সজাই যাওঁতে বুৰঞ্জীমূলক ঘটনাৰ অলপ আগা-পিছা কৰিব লগীয়া হৈছে। প্ৰধানকৈ, আমি জনাত দেৱযানী আইদেওক চন্দ্ৰকান্ত সিংহ ৰজা ভগাৰ পাছত চক্ৰধৰ বৰগোহাঁইলৈ বিয়া দিয়া হয়। নাটখনত কিন্তু নাটকীয় ঘটনাৰ সৌন্দৰ্য্যৰ বাবে স্বৰ্গদেওৰ হতুৱাই দেৱযানী আইদেওক ম'হগড়ৰ ৰণ-ক্ষেত্ৰতে চক্ৰধৰ বৰগোহাঁইৰ হাতত অৰ্পণ কৰোৱা হৈছে। এই বাবে, লিখকক চক্ৰধৰ বৰগোহাঁইৰ নাতিয়েক লিখকৰ প্ৰিয় বন্ধু ৰায় চাহাব শ্ৰীযুত ক্ষেত্ৰধৰ বৰগোহাঁই দেৱে ক্ষমা কৰে যেন। লিখকৰ বুৰঞ্জীমূলক এনে সৰু-সুৰা দোষ যদি কোনো ঠাইত থাকি গৈছে, লিখকে সকলোৰে ওচৰত, বিশেষকৈ অসম বুৰঞ্জীৰ পণ্ডিত বৰবৰুৱা ডাঙৰীয়াৰ ওচৰত ক্ষমা খুজিছে। বুৰঞ্জী লিখা আৰু বুৰঞ্জীমূলক নাট লিখাত অলপ পাৰ্থক্য আছে। বুৰঞ্জীমূলক

নাট লিখোতে আচল ঘটনাটো ৰক্ষা কৰি, বহুতো ঠাইত ঘটনা বিলাক ৰঙ্গ-মঞ্চত উজ্জ্বল হৈ জিলিকিবলৈ কম-বেছি কৰি দিব লগীয়া হয়। ইত্যাদি

শ্ৰদ্ধেয় বন্ধু ৰায় চাহাব শ্ৰীযুত জিতেন্দ্ৰকুমাৰ দাস ডাঙৰীয়াই (আসাম প্ৰিণ্টিং ওৱাৰ্কসৰ অধ্যক্ষ) আহি ৰাকত আদি চাই নাটখন ইমান সোনকালে ৰাইজৰ আগলৈ উলিয়াই দিয়াত লিখক দাস ডাঙৰীয়াৰ ওচৰত তেখেতৰ মৰমৰ ধৰুৱা নহৈ নোৱাৰে।

শেহত, লিখকে আশা কৰে আন কেইখন নাটৰ দৰে চন্দ্ৰকান্ত সিংহকো ৰাইজে যেন ঘিণ নকৰি মৰমৰ চকুৰে চায়, এয়েই গোহাৰি। ইতি—

ধেকিয়াজুলি, যোৰহাট
ভাদ, ১৮৫৩ শক
ইং চেপ্তেম্বৰ, ১৯৩১

শ্ৰীনকুলচন্দ্ৰ ভূঞা

——

# চন্দ্ৰকান্ত সিংহ

## ২য় তাঙৰণৰ কথা।

জয়ে-জয়ে ৰাইজে যেন লিখকক আৰু প্ৰকাশকক ক্ষমা কৰে; কিয়নো দ্বিতীয় মহাযুদ্ধ খনৰ আগৰে পৰা, ৰাইজে কিতাপখন ঘনাই বিচৰা স্বত্তেও, কাগজৰ অভাৱত উলিয়াব পৰা নাছিলো। এতিয়াও কাগজৰ অভাৱ আৰু দাম তেজা।

চন্দ্ৰকান্ত সিংহৰ ঘটনাৱলিয়ে অসমক কেনেকৈ পৰাধীন কৰিলে, সমগ্ৰ অসমীয়া জাতিটোৰ হিয়াত খুন্দিয়াই দিয়েহি। "চন্দ্ৰকান্ত সিংহই" অসমীয়াক কয়, —অসমৰ অতীত বৰ্ত্তমান আৰু ভৱিষ্যত। লিখকৰ বিশ্বাস, এই বাবেই ৰাইজে "চন্দ্ৰকান্ত সিংহ" নাটখনক সঘনে বিচাৰি থাকে। বৰ্ত্তমান দেশৰ স্বাধীনতা পথত, চন্দ্ৰকান্ত সিংহৰ ঘটনাৱলি যে আমাৰ বিশেষ সহায় হ'ব, এই কথা বহুতো বন্ধু-বান্ধৱে লিখকলৈ ঘনাই লিখাত, এনে টান দিনতো, নাটখন উলিয়াই ৰাইজলৈ আগ বঢ়ালো। এই তাঙৰণত, মাজে-মাজে দুই এটা শব্দ আৰু কেইটামান গীত সাল-বদল কৰা হ'ল।

সৰ্ব্বশেহত, আকৌ কওঁ, ৰাইজৰ বস্তু ৰাইজৰ হাততে গতালো। ইতি—

খৰিকটিয়া,
জানুৱাৰী, ১৯৪৭

শ্ৰীনকুলচন্দ্ৰ ভূঞা

---

## তৃতীয় তাঙৰণৰ কথা।

"চন্দ্ৰকান্ত সিংহ"ক ৰাইজৰ বস্তু বুলিয়েই আকৌ ৰাইজৰ হাতত গতালো। ইতি—

ভাদ,
১৮৭৫ শক

শ্ৰীনকুলচন্দ্ৰ ভূঞা।

## মুনিহ

চন্দ্ৰকান্ত সিংহ— অসমৰ ৰজা।

পুৰন্দৰ সিংহ— ব্ৰজনাথ গোহাঁইৰ পুতেক, পাছত অসমৰ ৰজা।

যোগেশ্বৰ সিংহ— বগাকোঁৱৰৰ পুতেক, মানে পতা অসমৰ ৰজা।

ৰুচিনাথ বুঢ়াগোহাঁই— পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক আৰু মন্ত্ৰী।

জগন্নাথ ঢেকিয়াল ফুকন— „ „ আৰু প্ৰধান বিষয়া।

কলিবৰ বুঢ়াগোহাঁই— মন্ত্ৰী, মাটীবৰ সেনাপতিৰ ভায়েক।

পতাল বৰবৰুৱা— খৰমিয়াল কছাৰি কৈদৰ প্ৰধান বিষয়া।

চক্ৰধৰ— বৰগোহাঁই কৈদৰ, পাছত চন্দ্ৰকান্ত সিংহৰ জোঁৱায়েক।

জন্মি ডেকাফুকন— বদন বৰফুকনৰ পুতেক।

লুকু ডেকাফুকন— চিকুণ তামুলীৰ ঘৰৰ, লুখুৰাসন খেলৰ, প্ৰধান বিষয়া।

আলুংমিঙ্গি— মান সেনাপতি।

মিঙিমাহা তিলোৱা— „

মিঙিমাহা কাড্যাউঙ— „

মিঙিমাহা বন্দুলা— অসমত মানৰ শাসনকৰ্ত্তা।

গায়নৰ বৰুৱা, ব'ৰাগী বাপু, নগৰীয়া বৰুৱা, চৈয়ৎসিং, নোমল হাজৰীকা, মানফুকন, মান কটকী, মিৰি গাম, কটকী, দুত, হুৱৰী, বিষয়াসকল, মান সৈন্য, অসমীয়া সৈন্য, ল'ৰা, বুঢ়া, ডেকা, অসমীয়া মানুহ।

## তিৰোতা

কুমলী গাভৰু ৰাজমাও— চন্দ্ৰকান্ত সিংহৰ মাক।

দেৱযানী— চন্দ্ৰকান্ত সিংহৰ জীয়েক, চেমনীয়া ছোৱালী।

লীলাৱতী— দেৱযানীৰ লগৰীয়া।

ৰহিলা— মিৰি ছোৱালী।

ধনেশ্বৰী, লিগিৰী, নাচনী, গাঁৱলীয়া তিৰোতা আদি।

# চন্দ্ৰকান্ত সিংহ

## প্ৰথম অঙ্ক

### প্ৰথম পট

ৰংপুৰ—বগাকোঁৱৰৰ চ'ৰাঘৰ।

সময়—দুপৰীয়া।

যোগেশ্বৰ :— ফুকন, মই কেতিয়াও ভৰা নাছিলো, মোৰ ভনী ভামো আইদেওৰ নামে তোমালোকৰ ৰজাই এখন নতুন নগৰ পাতি তাৰ নাম "ভামো নগৰ" দিব বুলি। সঁচাকৈয়ে বৰ্ম্মা দেশৰ ৰজা প্ৰতাপী বডোফা এজন গুণীৰ আদৰ বুজোতা মহৎ লোক। এতিয়াহে বুজিছো, মোৰ আদৰৰ ভনী ভামোক যোগ্য পাত্ৰতে সমৰ্পণ কৰা হৈছে।

মান-ফুকন :— কোঁৱৰ, মানীয়ে মানীৰ সন্মান ৰাখিব জানে। চাওক, আমাৰ ৰজাই আপোনাৰ লগত মিত্ৰতাৰ সূত্ৰ আৰু দৃঢ়তৰ হ'বৰ নিমিত্তে, সুদূৰ অসমলৈ আমাৰ সাতজন ফুকনক ৰাণীৰ মাতৃ আৰু ভাতৃক নিবলৈ পঠিয়াই দিছে। আমি এতিয়া জানিব পাৰো নে, মান দেশলৈ জীয়ৰী চাবলৈ কোঁৱৰৰ কোন কোন যাব ?

যোগেশ্বৰ :— ফুকন, আইতা আৰু মোৰ ভাই ধনী কোঁৱৰ তোমালোকৰ লগত মান দেশলৈ জীয়াৰী চাবলৈ যাব। স্বৰ্গদেৱলৈ অনুমতি খুজি পঠিৱা হৈছে ; অনুমতি পালেই তোমালোকে যাত্ৰা কৰিব পাৰিবা।

মান-ফুকন :— কোঁৱৰ, বঢ়াই কি ক'ম, অসমৰ জীয়াৰীৰ ইমান ৰূপ, ইমান জ্যোতি, ইমান সৌন্দৰ্য্য বুলি আগেয়ে আমি কেতিয়াও জনা নাছিলো। যি দিনা ভামো কুঁৱৰীয়ে মান ৰজাৰ ৰাজকাৰেং স্বৰ্গীয় সৌন্দৰ্য্যৰে আলোকিত কৰিলেগৈ সেই দিনা মান-ৰজা বডোফা শত ধন্য। শুনি আচৰিত হ'ব, মান দেশৰ শত সহস্ৰ প্ৰজাই দিনৌ ভামো কুঁৱৰীৰ অপৰূপ সৌন্দৰ্য্য চাই নিজক ধন্য মানিছেহি। কোঁৱৰ, ধন্য আপোনালোকৰ তিৰোতাৰ ৰূপ !

যোগেশ্বৰ :— বাৰু, ফুকন, তুমি এতিয়া বিশ্ৰাম লোৱাগৈ। আমি আকৌ যাত্ৰাৰ সম্বন্ধে কথা পাতিম।

( মান-ফুকন ওলাই যায়। )

( নিজে নিজে ) হোঃ, মোৰ ভনী জোঁৱাই প্ৰবল প্ৰতাপী বৰ্ম্মাৰাজ বডোফা ক'ত, আৰু মই তেওঁৰ কুঁৱৰীৰ ককায়েক যোগেশ্বৰ ক'ত ? আজি মই ৰাজবংশৰ হৈয়ো এজন নগণ্য কোঁৱৰ। অথচ, মোৰ ভনীক মান ৰজালৈ বিয়া দিয়ে, চন্দ্ৰকান্ত সিংহ আজি সিংহাসনত নিৰাপদ !

( যোগেশ্বৰে দুৱাৰ মেলি ভিতৰলৈ যায়, এনেতে এজন ব'ৰাগীয়ে হাতত কৰতাল লৈ গীত গাই গাই সোমাই আহে। )

গীত

ব'ৰাগী :— বাৰীৰে আঠীয়া মিঠা কল এজুপি
সিও মোৰ সোদৰৰ ভাই।
জীয়াই থাকোতে খাওঁ ফল মূল
মৰিলে লগতে যায় ॥
বাৰীৰে আথীয়া জাতি বাঁহ এজুপি
সিও মোৰ সোদৰৰ ভাই।
জীয়াই থাকোতে কৰো কাঠী কামী
মৰিলে লগতে যায় ॥
ৰৰঘৰ সাজি ফুল চতি দিলো
সিও মোৰ সোদৰৰ ভাই।
আন্ধাৰ ঘোপতে কি লৈ বঞ্চিলো,
লগৰে সাৰথি নাই ॥
নদীৰে কাষৰত উত্তম চাপৰি
তাত থাকে বাপু শুই।
মূৰৰে ওপৰে সাতোটি ঘোৰা ঐ
কোন সতে লগাম জুই ॥
কহয় মাধৱে শুনা বন্ধু সবে
ইও বিষয়ৰ ধাণ্ডা।
ভাৰ্য্যা পুত্ৰ সব বিষয় তেজিয়া
হৰিনাম গলে বান্ধা ॥

( গীত শেষ হোৱাৰ লগে লগেই যোগেশ্বৰ ভিতৰৰ পৰা ওলাই আহে। বৰাগীয়ে আশীৰ্ব্বাদ কৰে। )

ব'ৰাগী :— কোঁৱৰৰ জয় হওক।
যোগেশ্বৰ :— তুমি ক'ৰ মানুহ ?

ব'ৰাগী :— কোঁৱৰ, আমি মাজুলিৰ কেৱলীয়া ভকত। কৃষ্ণদেউৰ কৃপাত, এইদৰে ঘৰে ঘৰে ঈশ্বৰৰ নাম-কীৰ্ত্তন কৰি ফুৰো। কাৰোবাৰ আৱশ্যক হ'লে চোৱা-চিতাও কৰো। হৰি মোৰ কৃষ্ণদেউ।

যোগেশ্বৰ :— বাৰু ভকত, তুমি ভালকৈ চাব পাৰা নে ?

ব'ৰাগী :— হয়, কোঁৱৰ, পাৰো। কৃষ্ণদেউৰ কৃপাত, আমি যিটি কথা চাই পেলাই কওঁ, সি প্ৰায় অখণ্ডনীয়।

যোগেশ্বৰ :— বাৰু, চোৱাচোন ভকত, এই মাহত পূব দেশলৈ যাত্ৰা কোন তিথিত ভাল ?

ব'ৰাগী :— কৃষ্ণদেউৰ অনুগ্ৰহ। ( পুথি-পাঁজি চাই ) এৰা, এই মাহৰ আজি কৃষ্ণা চতুৰ্থী। কোঁৱৰ, অহা শুক্লা ত্ৰয়োদশীয়েই অতি শুভ তিথি। কৃষ্ণদেউৰ কৃপাত, সেই দিনা যি কামলৈকে যাত্ৰা কৰে, সেই কাম নিশ্চয় সিদ্ধি হ'ব।

যোগেশ্বৰ :— ত্ৰয়োদশী তিথি! বাৰু এইয়া ধৰাচোন। ( দক্ষিণা দিয়ে। )

ব'ৰাগী :— ( ভুখোভমান হৈ আকৌ উলটি ) কোঁৱৰ, ক্ষমা কৰিব। কৃষ্ণদেউৰ কৃপাত, আপোনাৰ কপালত ৰাজদণ্ড জিলিকিছে। আপুনি এদিন ৰাজপাটত বহিব লাগে।

যোগেশ্বৰ :— কি ? মই ৰাজপাটত বহিম ? ৰাজদণ্ড ?
মিছা কথা, যোৱা।

ব'ৰাগী :— কাটক বা মাৰক, কোঁৱৰে যেন তেতিয়া এই ছাল-ছিগাৰ কথাষাৰ মনত পেলায়। কোঁৱৰৰ জয় হওক। হৰি মোৰ কৃষ্ণদেউ !

( ব'ৰাগী ওলাই যায়। )

যোগেশ্বৰ :— ( ভাবি ভাবি ) ব'ৰাগীয়ে ক'লে, মই এদিন ৰাজপাটত বহিম ! এই ভবিষ্যৎ বাণী সঁচাই হব নে কি? নাই, মিছা, এনে বলিয়া ব'ৰাগীৰ কথাত কাণ দিয়া মোৰেই ভুল। কিয়? হ'বও পাৰে! জগতত যে একোৱেই অসম্ভৱ নহয়। কালৰ গতিত ৰজাও খৰিভাৰী হয়, খৰিভাৰীও ৰজা হয়। কালৰ গতি বুজা বৰ টান! যদি সঁচা হয়... ...

( অন্য মনস্কভাৱে যাব খোজে, এনেতে আনফালৰপৰা জন্মি আহে। )

জন্মি :— কোঁৱৰ ভিতৰলৈ যায় নে কি?

যোগেশ্বৰ :— ( উলটি ) অ' ডেকাফুকন, কোন ফালে আহিলা?

জন্মি :— শুনিলো, মানদেশৰ ফুকন জনদিয়েক আহিছে।

যোগেশ্বৰ :— অঁ, মান-ফুকন সাতজন আহিছে। কিবা প্ৰয়োজন আছে নে কি?

জন্মি :— প্ৰয়োজন আছে কোঁৱৰ, লগ পাব নোৱাৰো নে?

যোগেশ্বৰ :— আহা তেন্তে লগতে। তেওঁবিলাকৰ লগত চিনাকি কৰি দিওঁগৈ! ( এই বুলি আগবাঢ়ে। )

জন্মি :— ( যাওঁতে ) আপোনাৰ অনুগ্ৰহ। পিতৃহন্তা বুঢ়াগোহাঁইৰ ঘৰৰ ওপৰত প্ৰতিশোধ লোৱাৰ এয়ে সোণালী সুযোগ।

( ওলাই যায়। )

# দ্বিতীয় পট

## চিলামাৰী–ব্ৰজনাথ গোহাঁইৰ ঘৰ।

সময়—পুৱা।

( পুৰন্দৰ আৰু জগন্নাথ ঢেকিয়াল ফুকনে কথা পাতি পাতি সোমাই আহে।)

পুৰন্দৰ :— বুজিছা ঢেকিয়াল ফুকন, দেউতাই সিংহাসনৰ আশাত নিৰাশ হৈ, তাত জলাঞ্জলি দি, দেশৰ, জাতিৰ, জ্ঞাতিৰ মমতা ছিঙি থৈ, আজি এই সীমান্ত দেশৰ গাঁৱৰ গাঁৱলীয়া হৈ, দুবেলা দুমুঠি খাই দিন কটাইছেহি। আমি এতিয়া বেছ সুখেৰে আছো, ঢেকিয়াল ফুকন। আমাক আৰু সিংহাসনৰ লোভ দেখুৱাই বলিয়া নকৰিবা। তোমাক কাবৌ কৰিছো, গুচি যোৱাগৈ।

জগন্নাথ :— কোঁৱৰ, আজিৰ এই আবাহন সিংহাসনৰ লোভৰ নিমিত্তে নহয়। ( সমগ্ৰ অসমৰ মঙ্গলৰ অৰ্থে, আহোম ৰাজকুলৰ গৌৰৱৰ অৰ্থে আৰু ৰাজসিংহাসন ৰক্ষাৰ নিমিত্তে। ) ভাবি চাব, কোঁৱৰ, এই আবাহন অকল বুঢ়াগোহাঁইৰ ঘৰৰ নহয়, সমগ্ৰ অসম দেশৰ।

পুৰন্দৰ :— ঢেকিয়াল ফুকন, কাবৌ কৰিছো আৰু নক'বা। তোমাৰ বঙ্গহ-পৰিয়ালৰ, মিতিৰ-কুটুমৰ আৰু নিৰীহ প্ৰজাসকলৰ শোণিতেৰে জন্মভূমি-আই অসমৰ বুকু তিয়াই, ৰাজভোগ আমি ইচ্ছা নকৰো।

জগন্নাথ :— কোঁৱৰ আপুনি জনা-বুজা জ্ঞানী লোক। আপুনি ভালকৈয়ে জানে, চন্দ্ৰকান্ত সিংহ ৰাজসিংহাসনৰ সম্পূৰ্ণ অযোগ্য। চন্দ্ৰকান্তই ভাল পায়, গীত-নাচ, ৰং-ধেমালিত দিন কটাবলৈ, ৰাজনীতিৰ

কাৰণে একেবাৰে পিঠি। আপুনি এইটোও জানে, চন্দ্ৰকান্ত সিংহৰ দুৰ্ব্বলতাৰ কাৰণেই বদনে বিদেশী মানক আনি দেশ লুণ্ঠন কৰালেহি। ইমানতো আপুনি ভাবে নে, অযোগ্য চন্দ্ৰকান্ত সিংহৰ ৰাজত্বত দেশৰ স্বাধীনতা নিৰাপদে থাকিব বুলি ?

পুৰন্দৰ :— তথাপিও আমি নিজৰ জ্ঞাতি-কুটুম্বৰ তেজেৰে হাত ৰাঙলী কৰিব নোৱাৰিম।

জগন্নাথ :— ই মমতাৰ কথা নহয়, ই কৰ্ত্তব্যৰ কথা। কোঁৱৰ, মহাভাৰত ৰামায়ণৰ যুদ্ধ বিলাকলৈ মনত পেলাওক, অৰ্জ্জুনৰ প্ৰতি ভগবান শ্ৰীকৃষ্ণৰ উক্তিলৈ মনত পেলাওক। কৰ্ত্তব্য পালনত একো মমতাই টিকিব নোৱাৰে। কোঁৱৰ, আকৌ কওঁ, এই সোণালী সুযোগ এবাৰ হেৰুৱাবলৈ হ'লে, ভবিষ্যৎ ফলাফলৰ বাবে আপোনালোকেই দায়ী হ'ব।

পুৰন্দৰ :— ঢেকিয়াল ফুকন, তুমি বৰ জটিল সমস্যাত পেলাই দিলা। বৰ ডাঙৰ দায়ীত্ব। অলপ ভাবিবলৈ দিয়া।

জগন্নাথ :— ভাবিবৰ সময় নাই, কোঁৱৰ! আপুনি ৰাজকুলৰ সন্তান, আপোনাৰ কৰ্ত্তব্য সদায় জটিল। মনত ৰাখিব, আপুনি যি কামকে কৰক, সেই কাম দেশৰ আৰু প্ৰজাৰ মঙ্গলৰ নিমিত্তে হ'ব লাগিব। ইয়াত আপুনি নিজৰ বুলি ভাবিবলৈ একো নাই। প্ৰজাই যেতিয়া আপোনাক এই ৰাজসিংহাসনৰ দায়ীত্বৰ নিমিত্তে বিচাৰ কৰিছে, ইয়াত আপোনাৰ কোনো আপত্তিয়েই নখাটে। ইমানতো যদি আপুনি পাছ-হোঁহকে, মনত ৰাখিব, ভবিষ্যতে যদি দেশৰ অকল্যাণ হয়, তাৰ বাবে আপুনি জন্ম-জন্মান্তৰলৈ কলঙ্ক আৰ্জ্জিব। কোঁৱৰ, আহক তেন্তে, পিতৃ-পিতামহসকলৰ সিংহাসন ৰাখিবলৈ সাজু হওক হি।

( জগন্নাথে পুৰন্দৰক হাতত ধৰি লৈ যায়। )

---

# তৃতীয় পট

যোৰহাট—ৰাজকাৰেং—তামূলী চ'ৰা ।

সময়—গধূলি ।

( চন্দ্ৰকান্ত সিংহ বহি থাকে, ওচৰতে গায়নৰ বৰুৱা ।
নাচনী বিলাকে গীত-নাচ কৰে । )

গীত

মধু-মিলনৰ ৰাতি
বিহগে গাইছে জোনায়ে হাঁহিছে
মধুৰ মধুৰ আজি ।
কাৰ নো হিয়াৰ বীণৰ তাঁৰত,
সপ্তস্বৰৰ তানা—নানাত,
ঢউ উঠিছে ঢউ নামিছে
বীণৰ সুৰত বাজি ।

চন্দ্ৰকান্ত :— গায়নৰ বৰুৱা, নাচ-গান বন্ধ কৰা । এতিয়া ভাল লগা নাই ।

গাঃ বৰুৱা :— স্বৰ্গদেউ যি আদেশ ।

( নাচনী বিলাক ওলাই যায় । )

চন্দ্রকান্ত :— গায়নৰ বৰুৱা, কানিৰ কথা কি কৈছিলা সেইদিনা ? আকৌ কোৱাচোন !

গাঃ বৰুৱা :— স্বৰ্গদেউ, আফু থেতি আমাৰ দেশত অতীজৰে পৰা আছে। পূৰ্ব্বে ইয়াক আমাৰ মানুহে আঞ্জা আৰু ঔষধত খাইছিল। স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত ইংৰাজে যেতিয়া মোৱামৰীয়াৰ হাতৰ পৰা সিংহাসন উদ্ধাৰ কৰিবলৈ আহে, তেতিয়া সেই ইংৰাজৰ পচিমীয়া সৈন্যবিলাকে আফু গছৰ পৰা কেনেকৈ কানি উলিয়াই খালে নিছা হয়, তাক শিকাই থৈ যায়।

চন্দ্রকান্ত :— কিন্তু নিছা বহুতো খালো, ইয়াৰ সমানতো একোয়েই নহয়! কানিৰ নিছা ইমান আৰামী ! ইয়াক খালে প্ৰাণত এক অনিন্দনীয় শান্তি পোৱা যায়।

গাঃ বৰুৱা :— স্বৰ্গদেউ, পাবৰ কথাই। ই যে দিল্লীৰ বাদছাসকলৰ অতি আদৰৰ বস্তু আছিল! কানি সাধাৰণ মানুহৰ বস্তু নহয়, ই কেৱল ৰাজ ৰাজোৱানৰ হে।

চন্দ্রকান্ত :— তাকে কোৱা। মই কওঁ, ইয়াৰ উন্নতি আৰু হব লাগে। মোৰ দেশত যাতে কানিৰ একাধিপত্য ৰাজত্ব হয়। সঁচাকৈয়ে গায়নৰ বৰুৱা, পচিমৰ জাতি বিলাক যেনে প্ৰবল সিহঁতৰ বস্তু বিলাকো তেনে বলিষ্ঠকৰ।

গাঃ বৰুৱা :— স্বৰ্গদেউ !

চন্দ্রকান্ত :— কি আচৰিত, আফু গছৰ পৰা এনে সুন্দৰ বস্তু ওলায়, তাক আমাৰ মানুহে নেজানে। তাক শিকাই থৈ গ'ল কোনে ? সেই প্ৰতাপী ইংৰাজৰ পচিমীয়া বাহিনীয়ে ! কোন, ডেকা ফুকন নে ?

( লুকু সোমাই আহি সেৱা জনায়। )

চন্দ্রকান্ত :— ডেকাফুকন, কি সম্বাদ ?

লুকু :— স্বৰ্গদেউ, গুৱাহাটীৰ কটকীয়ে সংবাদ দিছেহি কচিনাথ বুঢ়াগোহাঁই আৰু নগৰলৈ নাহে। তেখেতে ৰাজকাৰ্য্যৰ পৰা অৱসৰ লৈছে।

চন্দ্রকান্ত :— কি ? অৱসৰ লৈছে, ৰাজকাৰ্য্যৰ পৰা ? তেন্তে, কচিনাথ বুঢ়াগোহাঁই আৰু নাহে ?

লুকু :— হয়, স্বৰ্গদেউ, কচিনাথ বুঢ়াগোহাঁই আৰু নাহে।

চন্দ্রকান্ত :— এই সম্বাদ আইতাই পাইছে নে ?

লুকু :— এতিয়াহে ৰাজমাও দেউতাক দিম গৈ।

চন্দ্রকান্ত :— যোৱা, শীঘ্রে সম্বাদ দিয়াগৈ।

( লুকুৱে সেৱা কৰি ওলাই যায়। )

( চিন্তান্বিত হৈ ) কাৰণ কি ? কচিনাথ বুঢ়াগোহাঁয়ে ৰাজকাৰ্য্যৰ পৰা অৱসৰ লৈছে কিয় ? বদন বৰফুকনে মান আনোতে কচিনাথৰ লগত গুৱাহাটীলৈ পলাই নোযোৱাৰ বাবেই আনোচা কচিনাথে মোক ত্যাগ কৰিলে ? তেন্তে কচিনাথ আকৌ নগৰলৈ ঘূৰি আহিব বুলি অবাবতেই বদন বৰফুকনক হত্যা কৰোৱা হল নে কি ? উস্, ৰাজনীতি ইমান জটিল ! মোৰ ৰাজনীতি শিকা আৰু নহ'বই নে কি ? মোৰ বিচক্ষণ মন্ত্রী পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ অভাৱ আজি মই পদে পদে অনুভৱ কৰিছো।

( এনেতে ৰাজমাও আহে। )

ৰাজমাও :— স্বৰ্গদেউ, সঁচা নে কচিনাথ বুঢ়াগোহাঁই আৰু নগৰলৈ নাহে ?

চন্দ্রকান্ত :— হয় আইতা, কচিনাথ আৰু নাহে।

ৰাজমাও :— তেন্তে ?

চন্দ্রকান্ত :— তেন্তে আৰু কি? ৰাজ্যৰ আজি ধৰণী কোনো নাই। বদন বৰফুকন থকা হ'লে ... ...

ৰাজমাও :— আকৌ তুমি দেশদ্ৰোহী বদন বৰফুকনক শলাগা?

চন্দ্রকান্ত :— তথাপি, বদন বৰফুকন যে এজন নিপুণ বিষয়া আছিল— ই ধ্ৰুৱপ। নহলে নো বদনে দেশ-বিদেশ পাৰ হৈ, সাগৰ-পৰ্ব্বত অতিক্ৰম কৰি, মানদেশত ওলাই, বিদেশীৰ লগত মিত্ৰতা কৰি সিহঁতক নিজৰ হুকুমত লৈ আহিবলৈ পাৰে নে?

ৰাজমাও :— তোমাৰ মঙ্গলৰ নিমিত্তেই নে?

চন্দ্রকান্ত :— আইতা, মোৰ মঙ্গলৰ নিমিত্তে ন'হলেও, মোৰ ধ্বংসৰ নিমিত্তে কৰা নাছিল। সি যি কি নহওক, বদনক আমাৰ ফলীয়া কৰি ল'ব পৰা হ'লে, আজি এনে গুৰুতৰ চিন্তাত পৰিব নেলাগিলহেতেন।

ৰাজমাও :— ই সম্পূৰ্ণ ভুল তোমাৰ, চন্দ্ৰকান্ত! যাৰ নিজৰ দেশলৈ বিদেশী মানক আনিবলৈ এবাৰো মমতা নজন্মিল, তাৰ পৰা তুমি তোমাৰ মঙ্গলৰ নিমিত্তে সহায় পালাহেতেন, অসম্ভৱ!

চন্দ্রকান্ত :— অসম্ভৱ! এতিয়া ৰুচিনাথ অহাটোও যে অসম্ভৱ হ'ল।

ৰাজমাও :— একো কথা নাই, ৰুচিনাথ নাহিল নাই। অসমত জানো ৰাজমন্ত্ৰীৰ নিমিত্তে মানুহ নোলাব? আহা, এই বিষয়ে আজিয়ে মই এটা ঠিৰাং কৰিম।

(উভয়ে ওলাই যায়।)

---

# চতুৰ্থ পট

## কাকডোঙা নৈৰ পাৰ।

সময়—শেহ ৰাতি।

( কিছুমান অসমীয়া আৰু হিন্দুস্থানী সৈন্যেৰে পুৰন্দৰ, ৰুচিনাথ আৰু জগন্নাথ সোমাই আহে। )

ৰুচিনাথ :— জগন্নাথ, জগন্নাথ, তুমি এতিয়াই কিছুমান সৈন্যৰে নগৰৰ ওচৰ চাপি থাকা, আমিও তোমাৰ পাছে পাছে গৈছো।

জগন্নাথ :— ডাঙৰীয়া যি আদেশ।

( কিছুমান সৈন্যৰে জগন্নাথ ওলাই যায়। )

ৰুচিনাথ :— কোঁৱৰ, এইখনেই কাকডোঙা নৈ। ইয়াৰ পৰা ধ-লী নৈ লৈ মাথোন ডেৰ ক্ৰোশ বাট হ'ব। ধ-লীয়েই যোৰহাট নগৰৰ দক্ষিণ-পচিম সীমা। কোঁৱৰে তো যোৰহাটৰ নতুন নগৰ দেখা নাই। বৰ্ত্তমান যোৰহাট নগৰৰ পৰিধি প্ৰায় পাঁচ ক্ৰোশ হ'ব। নগৰৰ পূব সীমা হৈছে ভোগদৈ নৈ; উত্তৰ সীমা হৈছে মালৌৰ গোহাঁই গাওঁ। পিতৃ বুঢ়াগোহাঁই ডাঙৰীয়াই যোৰহাটত নতুন ধৰণৰ অদ্বিতীয় নগৰ পাতিম বুলি ৰংপুৰৰ পৰা ৰাজ-হাউলি তুলি আনিছিল। কিন্তু দুৰ্ব্বল ৰজা সিংহাসনত থকাৰ বাবে ৰাজ্যত ইমান বিপ্লৱ হ'বলৈ ধৰিলে যে কোনোমতেই পিতৃদেৱৰ ইচ্ছা পূৰ্ণ নহ'ল! এইবাৰ কোঁৱৰক ৰাজসিংহাসনত বহুৱাই পিতৃদেৱৰ সেই সজ ইচ্ছা পূৰ্ণ কৰিব লাগিব। কোঁৱৰ, আহক এতিয়া, ৰাজ-হাউলি অৱৰোধ কৰো গৈ।

পুৰন্দৰ :—ডাঙৰীয়া, চাব যেন আমাৰ কাৰ্য্যৰ ফলত দেশ ভগন নহৈ, গঠন হয় যেন।

ৰুচিনাথ :— কোঁৱৰ, এই বিষয়ে আপুনি নিশ্চিন্ত থাকক; সকলো কাম সুচাৰুৰূপে কৰি যাম। ভাবি চাওক, স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনৰ পৰা প্ৰকৃততে দেশখন আমাৰ ঘৰেই চলাই আহিছে। ৰজা-মন্ত্ৰী-বিষয়া আমাৰ ঘৰেই পাতি-ভাঙি আহিছে। সেই ঘৰৰ ল'ৰা—মই ৰুচিনাথ। এজনক ৰজা ভাঙি এজনক ৰজা পাতিবলৈ মোৰ কিমান পলম লাগিব? আহক।

পুৰন্দৰ :— ডাঙৰীয়া, আপোনাৰ কথাত মোৰ সম্পূৰ্ণ বিশ্বাস। ৰাজনীতিৰ আও-ভাও নেজানো দেখিহে কেতিয়াবা মনত সন্দেহ ওপজে।

ৰুচিনাথ :— কোঁৱৰ, এই বিষয়ে, আপুনি একো ভাবিব নেলাগে। ৰাজকাৰ্য্য চলাবলৈ বুঢ়াগোহাঁইৰ ঘৰ আছে। আহক এতিয়া, পলমৰ আৰু সময় নহয়। ( সকলো ওলাই যায় আৰু যাওঁতে নিজে নিজে কৈ যায়। )

যি বুঢ়াগোহাঁইৰ ঘৰৰ কৃপাত চন্দ্ৰকান্ত সিংহ ৰাজসিংহাসনত, সেই বুঢ়াগোহাঁইৰ ঘৰৰ মোক—ৰুচিনাথক সন্দেহ কৰি বদনক আপোন ভাবিলে! মই কোৱা সত্বেও মোৰ লগত চন্দ্ৰকান্ত সিংহ গুৱাহাটীলৈ নাহিল, আৰু নিজ সাক্ষাততে আমাৰ ঘৰক বদনৰ হতুৱাই শত অত্যাচাৰ কৰোৱালে। তাৰ প্ৰতিশোধ লৈ বুঢ়াগোহাঁইৰ ঘৰৰ প্ৰতাপ কিমান তাৰ পৰিচয় দিম, পৰিচয় দিম।

( ওলাই যায়। )

# পঞ্চম পট

## যোৰহাট নগৰ—ৰাজ-কাৰেঙৰ সিংহ-দুৱাৰ।

### সময়—ৰাতি পুৱাই পুৱাই আহিছে।

( নগৰীয়া বৰুৱাই নৰালবিকৈ বৰকাঁহ এখন বজাবলৈ ধৰেহি। বৰকাঁহৰ মাতত জনদিয়েক বিষয়া আৰু কিছুমান সৈন্যৰে সৈতে লুকু ডেকাফুকন বেগেৰে আহে। )

লুকু :— সাৱধান, সাৱধান, এই পুঁৱতীয়া ৰাতি কাৰ আয়ুস শেষ হ'ল? কোনে টিংখং বজাই ৰণ আৱাহন কৰে?

( আন ফালৰ পৰা সসৈন্যে চন্দ্ৰকান্ত সিংহ আহে। )

চন্দ্ৰকান্ত :— আচৰিত, মুঠিৰ তৰোৱালত নৌ মামৰে ধৰোতেই, কাৰ সাহ ইমান! টিংখং বজায়?

নঃ বৰুৱা :— ( আগবাঢ়ি ) স্বৰ্গদেউ, দাসেই টিংখং বজাই অপৰাধ কৰিছো। স্বৰ্গদেউ, ভয়ানক বিপদ, ভয়ানক বিপদ!

চন্দ্ৰকান্ত :— কি? তুমি টিংখং বজালা? কিয়?

নঃ বৰুৱা :— স্বৰ্গদেউ, চোৰৰ দৰে শত্ৰু আহি নগৰত সোমাইছে?

চন্দ্ৰকান্ত :— শত্ৰু? কোন শত্ৰু আহিছে?

নঃ বৰুৱা :— ৰুচিনাথ বুঢ়াগোহাঁইয়ে বহুত দেশী-বিদেশী সৈন্য লৈ পুৰন্দৰ কোঁৱৰক সিংহাসন দিবলৈ আহিছে!

চন্দ্ৰকান্ত :— কি? ৰুচিনাথ আহিছে? তুমি ভুল কৰিছা! মই মাতি পঠাইছিলো, সেই বাবে আহিছে।

নঃ বৰুৱা :— নহয়, স্বৰ্গদেউ, সম্পূৰ্ণ যুদ্ধ সাজেৰে, একেবাৰে শত্ৰু ভাবেৰে, ইয়াত অলপো সন্দেহ নাই। মই নিজ-চকুৰে ৰুচিনাথক সৈন্য-সামন্তৰে দেখি আহিছো।

চন্দ্ৰকান্ত :—শত্ৰু ভাবে আহিছে ? কচিনাথ ?

( এনেতে নিলগত বৰটোপৰ ধ্বনি হয়। )

লুকু :—সেইয়া বৰটোপৰ ধ্বনি। সঁচাকৈয়ে কচিনাথ শত্ৰু ভাবেই আহিছে। পলমৰ সময় নাই, স্বৰ্গদেওৰ আদেশ লাগে।

চন্দ্ৰকান্ত :—সঁচাকৈয়ে তেন্তে কচিনাথ আজি মোৰ শত্ৰু !

লুকু :—স্বৰ্গদেউ !

চন্দ্ৰকান্ত :—ডেকাফুকন, ক্ষন্তেক অপেক্ষা কৰা। ( বিষয়া সকললৈ ) যোৰা, তোমালোক তুৰন্তে ৰণ আয়োজন কৰি আহা। ( নগৰীয়া বৰুৱালৈ ) নগৰীয়া বৰুৱা, তুমি এতিয়াই নগৰত মোৰ আদেশ শুনাই দিয়া, প্ৰত্যেক বিষয়ায়ে নিজ নিজ সৈন্য লৈ সিংহ দুৱাৰত উপস্থিত হওক হি। ( ডেকাফুকনৰ বাহিৰে সকলো ওলাই যায় ) ডেকাফুকন, মই বেগতে আহিছো !

( ভিতৰলৈ সোমাই যায়। )

লুকু :—কচিনাথ আজি শত্ৰু ! পূৰ্ণানন্দ বুঢ়াগোহাঁই—যি নিজৰ প্ৰাণ চন্দ্ৰকান্ত সিংহৰ বাবে আহুতি দিলে, তেওঁৰ পুতেককচিনাথ, চন্দ্ৰকান্ত সিংহক সিংহাসনৰ পৰা নমুৱাই, পুৰন্দৰক বহুৱাবলৈ আহিছে ! ইমান শক্তি ! অসম্ভৱ নহয় ! কচিনাথে জানে, ৰাজশক্তি মানে গচকি থৈ গৈছে। আজি নগৰত উপযুক্ত মন্ত্ৰী নাই, সেনাপতি নাই ! ৰাজশক্তি আজি বলহীন।

( চন্দ্ৰকান্ত সোমাই আহে। )

চন্দ্ৰকান্ত :—ডেকাফুকন !

লুকু :—স্বৰ্গদেউ, আমাৰ দেহত শেষ বিন্দু শোণিত থকালৈকে কচিনাথ কাৰেঙত সোমাবহি নোৱাৰে।

( এনেতে বৰটোপৰ ধ্বনি হয়। )

চন্দ্ৰকান্ত :—শত্ৰু আহি সিংহ-দুৱাৰ পায়-পায়। কিন্তু, মোৰ কৰ্ত্তব্য! উস, এনে বিপদত মোৰ মন্ত্ৰী নাই, মন্ত্ৰণা কৰিবলৈ।

লুকু :—স্বৰ্গদেউ, স্বৰ্গদেউ, আদেশ দিয়ক, যাওঁ ততালিকে, ৰুচিনাথক আগ ভেটোগৈ।

চন্দ্ৰকান্ত :—ডেকাফুকন! (অলপ ভাবে।)

লুকু :—স্বৰ্গদেউ!

চন্দ্ৰকান্ত :—শুনা! (কাণৰ ওচৰত ফুছ ফুছাই কিবা কয়।)

লুকু :—স্বৰ্গদেউৰ যি আদেশ!

চন্দ্ৰকান্ত :—ডেকাফুকন, মোৰ ৰাজসিংহাসনৰ মৰ্য্যাদা তোমাৰ হাতত গতালো।

(এনেতে ধুম্-ধাম্ হিলৈৰ শব্দ হয়, নগৰীয়া বৰুৱা সোমাই আহে।)

নঃ বৰুৱা :—স্বৰ্গদেউ, স্বৰ্গদেউ. শত্ৰু নিচেই ওচৰ পালেহি। চাৰিউপিনে হিলৈৰ গুলি, বৰটোপৰ গুলি।

(ওলাই যায়।)

চন্দ্ৰকান্ত :—(অস্থিৰ ভাবে) ডেকাফুকন, ডেকাফুকন!

(আকৌ হিলৈৰ শব্দ।)

লুকু :—স্বৰ্গদেউ, সজ্জিত নাও ভোগদৈত বন্ধা আছে, এতিয়াই যাওক! শত্ৰু সেনা নিচেই ওচৰত, মই আৰু অপেক্ষা নকৰো।

চন্দ্ৰকান্ত :—(কৰুণ দৃষ্টিৰে) ডেকাফুকন!

লুকু :—স্বৰ্গদেউ, প্ৰাণ দিও নগৰ ৰক্ষা কৰিম। যাওক, যাওক, পলম নকৰিব।

(আকৌ হিলৈৰ শব্দ।)

চন্দ্রকান্ত :— ( বিহ্বল হৈ ) ডেকাফুকন, তুমিয়েহে মোৰ একমাত্ৰ বিপদৰ বন্ধু। মোৰ মান-মৰ্য্যাদা, সিংহাসন সকলো তোমাৰ ওপৰত নিৰ্ভৰ।

( নেপথ্যত :—জয় পুৰন্দৰ সিংহৰ জয়! জয় পুৰন্দৰ সিংহৰ জয়!! )

লুকু :— স্বৰ্গদেউ, স্বৰ্গদেউ, যাওক, যাওক আৰু পলম নকৰিব, নিজক ৰক্ষা কৰক, ৰক্ষা কৰক।

চন্দ্রকান্ত :— ডেকাফুকন, মই আহিলো। মোৰ যথাসৰ্ব্বস্ব তোমাৰ ওপৰত।

( যাওঁ-নেযাওঁকৈ চন্দ্ৰকান্ত সিংহ ওলাই যায়। )

( নগৰীয়া বৰুৱা বেগেৰে আহে। )

নঃ বৰুৱা :— ডেকাফুকন, ডেকাফুকন, বুঢ়াগোহাঁইৰ সৈন্যৰ আগত আমাৰ সৈন্য ৰ'বই নোৱাৰিলে। আহক, আহক, কিবা এটা উপায় কৰকহি। ( নঃ বৰুৱা ওলাই যায়। )

( এনেতে পূবফালে বেলি ওলাই পোহৰ হয়। )

লুকু :— এঁ্যা। ( বেগেৰে ওলাই যায়। )

( নঃ বৰুৱা আকৌ আহে। )

নঃ বৰুৱা :— আচৰিত, ৰুচিনাথে ইমান সৈন্য আনিছে! নামনি অসমৰ প্ৰায় সকলো বিষয়া ৰুচিনাথৰ লগত। সকলোৱেই ৰজাৰ বিপক্ষে অস্ত্ৰ ধৰিছে। এই অন্তৰ্বিপ্লৱৰ শেষ ফল কি, কোনে জানে, কোনে জানে! ( ওলাই যায়। )

( আনফালৰ পৰা লুকু আহে। )

লুকু :— নোৱাৰিলো, নোৱাৰিলো। চাৰিউফালে শত্ৰু-সৈন্যই আগুৰি ধৰিছে। ইমান সোনকালে ৰাজবাহিনী পৰাজয় হ'ল!

( ঘনে ঘনে বৰটোপৰ ধ্বনি হয়। )

( নেপথ্যত :— জয় পুৰন্দৰ সিংহৰ জয় ! জয় পুৰন্দৰ সিংহৰ জয় !
আকৌ, আকৌ সেইয়া শত্ৰুৰ জয়ধ্বনি ! আৰু ভাবিবৰ সময় নাই ; পাৰিলে প্ৰচণ্ড অগ্নিত জাপ দি তাক নিবাৰণ কৰো।
( লুকু যাব খোজে, সমুখৰ পৰা কিছুমান সৈন্যৰে জগন্নাথে আগভেটি ধৰি সোমাই আহে। )

জগন্নাথ :— ক'লৈ পলাবা লুকু ? সৈন্য সকল, ততালিকে ৰাজকাৰেং লুট-পাট কৰ ! চন্দ্ৰকান্ত সিংহক বন্দী কৰ ! পলম নকৰিবি, আগ বাঢ়, আগ বাঢ় !

লুকু :— ৰাজদ্ৰোহী নৰাধমহঁত। তৰোৱাল ল, তৰোৱাল ল ! ইমান নীচ তহঁত, চোৰৰ দৰে আহি ৰাজকাৰেং সোমাইছ !

জগন্নাথ :— চোৰ নহয় লুকু, প্ৰকৃত গিৰীহঁত ! বাধা নিদিবা, বাধা দিলে তোমাৰ অমঙ্গল !

লুকু :— মোৰ অমঙ্গল, সিংহাসনৰ নিমিত্তে, স্বৰ্গদেউৰ নিমিত্তে, দেশৰ নিমিত্তে, মোৰ অমঙ্গল ! হওক অমঙ্গল, তথাপি দেৱতাৰ মন্দিৰত পিশাচক সোমাবলৈ নিদিওঁ !

জগন্নাথ :— বেছ তেন্তে, নিজক ৰক্ষা কৰা।
( উভয়ে ৰণ কৰিবলৈ ধৰে ; এনেতে কিছুমান সৈন্যৰে ৰুচিনাথ সোমাই আহে। )

ৰুচিনাথ :— বন্দী কৰা, বন্দী কৰা লুকুক ! ছিঃ, লুকুৰ লগত যুদ্ধ ! সামান্য লুখুৰাসনৰ ল'ৰা সি, আজি ৰাজকাৰেং ৰক্ষা কৰে !
( কিছুমান সৈন্যই লুকুক বন্দী কৰে। )
লুকু ডেকাফুকন, নগৰত কি গোহাঁইৰ ল'ৰা কোনোৱেই নাই ? সামান্য লুখুৰাসনৰ ল'ৰা এটাৰ ওপৰত ৰাজ-নগৰৰ ভাৰ ! কি অধঃপতন !

লুকু :— ৰাজদ্ৰোহী ৰুচিনাথ! নুবুজিলা ? তুমিয়েই বুঢ়াগোহাঁইৰ ল'ৰা নোহোৱা নে? এতিয়া তুমি কি? সিংহাসনৰ বিপক্ষে ষড়যন্ত্ৰ কৰিছা ?

ৰুচিনাথ :— সাৱধান লুকু, ক ততালিকে তোৰ চন্দ্ৰকান্ত সিংহ ক'ত ?

লুকু :— মই নকওঁ, মোক হত্যা কৰা, তাৰ পাচত মোৰ ৰজাক বিচাৰিবা। মই তোমালোকৰ গোহাঁইৰ ল'ৰাৰ দৰে অকৃতজ্ঞ বিশ্বাসঘাতক, ৰাজদ্ৰোহী নহওঁ! মই ৰাজভক্ত, দেশভক্ত, আহোমৰ লুথুৰাসনৰ ল'ৰা!

ৰুচিনাথ :— লুকু, জাননে তই কাৰ হাতত বন্দী! সাৱধানে কথা কবি! শুন লুকু, দুৰ্ব্বল চন্দ্ৰকান্ত সিংহৰ ৰাজত্বত দেশত আশান্তি বিয়পিছে। যোগ্য ৰজা পুৰন্দৰ সিংহক বহুৱাই দেশত শান্তি থাপিবলৈ আহিছো। নিজৰ আৰু দেশৰ যদি মঙ্গল বাঞ্ছা কৰ, তুৰন্তে ক, চন্দ্ৰকান্ত সিংহ ক'ত ?

লুকু :— জানো, জানো, জানো ৰুচিনাথ, দেশ যদি ধ্বংস হবলৈ হয়, সিংহাসন যদি চূৰ্ণ হ'বলৈ হয়, চিৰ আৰাধনীয়া স্বাধীনতা যদি লুপ্ত হ'বলৈ হয়, তেন্তে হ'ব—তোমালোক গোহাঁই কেইঘৰৰ স্বেচ্ছাচাৰিতা, জঘন্য স্বাৰ্থপৰতাৰ ফলত! ৰুচিনাথ, এবাৰ অতীত বুৰঞ্জী মেলি চোৱা! দেশত যতবাৰ অন্তৰ্বিপ্লৱ হৈছে, কেৱল তোমালোক গোহাঁই কেইঘৰৰ স্বাৰ্থপৰতাতে—নহয় নে? আৰু আজি যি হৈছে, তোমাৰ কু-অভিসন্ধিতে, নহয় নে ৰুচিনাথ? এতিয়াও কওঁ, দেশৰ মঙ্গলৰ নিমিত্তে ভুল সংশোধন কৰা।

ৰুচিনাথ :— কি? মোৰ ভুল? ৰুচিনাথ বুঢ়াগোহাঁইৰ? সাৱধান লুকু! শীঘ্ৰে ক তোৰ চন্দ্ৰকান্ত সিংহ ক'ত ?

লুকু :— মই নকওঁ !

ৰুচিনাথ :— নকৱ ?

লুকু :— নকওঁ, নকওঁ !

ৰুচিনাথ :— নকৱ ?

লুকু :— নকওঁ, নকওঁ, নকওঁ !

ৰুচিনাথ :— সামান্য লুথুৰাসনৰ ল'ৰা, তোৰ ইমান অহঙ্কাৰ ! ৰুচিনাথ বুঢ়াগোহাঁইক অৱজ্ঞা কৰ ! সৈন্যসকল, লৈ যা, নিমিষতে প্ৰাণ দণ্ড দে !

( সৈন্যসকলে লুকুক টানি নিয়ে আৰু লুকুৱে উলটি কৈ যায় )

লুকু :— ( উলটি ) ৰুচিনাথ, ৰুচিনাথ, ৰাজদ্ৰোহী ৰুচিনাথ, শুন এই নীচ লুথুৰাসনৰ ল'ৰা লুকুৰ শেষ বাণী ! আজি তই যি অন্তৰ্বিপ্লৱ আনি, ৰাজকাৰেঙত সুমালিহি, ভায়ে ভায়ে বিবাদ লগালিহি, এয়ে খাণ্ডৱদাহনত পৰিণত হ'ব ! তই বিষম ভুল কৰিছ ! এই ভুলত দেশ ছাৰ-খাৰ হ'ব। আহোম-কুল-ৰবি চিৰ দিনলৈ মাৰ যাব। এতিয়াও সময় আছে ৰুচিনাথ, ভুল সংশোধন কৰ ! স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমিক ধ্বংস নকৰিবি ! ৰুচিনাথ, ৰুচিনাথ !

( লুকুক টানি লৈ যায়। ৰুচিনাথে খঙেৰে লুকুৰ ফালে চাই থাকে। বাকীবিলাকে তল-মূৰ কৰে। )

# দ্বিতীয় অঙ্ক

## প্ৰথম পট

ৰংপুৰ—জয়সাগৰৰ পাৰঃ একালে পুখুৰীৰ খাৰৈ আৰু দ'ল দেখা যায়।

সময়—আবেলি।

(দুটামান সৈন্যৰে সৈতে জগন্নাথ ঢেকিয়াল ফুকন সোমাই আহে।)

জগন্নাথ :— আহঁা, আহঁা সাৱধানে আহঁা। পুখুৰীৰ সৌ খাৰৈতে লুকাই থাকো! চন্দ্ৰকান্ত সিংহ সৌৱা দ'লত সোমাইছে। দ'লৰ পৰা এইপিনেই যাবহি। কাৰ্য্যসিদ্ধি কৰিবলৈ এয়ে আমাৰ সোণালী সুযোগ। (সকলোৱে খাৰৈত লুকাইগৈ।)

(চন্দ্ৰকান্ত সিংহ চিন্তামগ্ন হৈ দ'লৰ পৰা ওলাই আহে।)

চন্দ্ৰকান্ত :— আচৰিত কথা, সামান্য ৰণ এখনতে লুকু ডেকাফুকনক বন্দী কৰি বধ কৰিলে! পুৰন্দৰক অবাধে কচিনাথে ৰাজসিংহাসনত বহুৱালে! অসম ৰজাৰ ৰাজবাহিনী এনে সামান্য ৰণতে পৰাভৱ হ'ল! কিয় তেনে হ'ল? কচিনাথৰ বাহিনী কি ইমান প্ৰতাপী? আমাৰ সৈন্য সিহঁতৰ আগত তিষ্ঠিবই নোৱাৰিলে! কি উপায় কৰা যায়?

(ভাবি ভাবি অলপ ইফাল-সিফাল কৰি পাৰৰ শিল এটাতে বহে)

সংসাৰৰ সকলো বিপদৰ মাজত থাকিও, এই পুণ্য সৰোবৰৰ পাৰত বহিলে মন-প্ৰাণ শীতল পৰি যায়। আই মোৰ

পিতামহী জয়মতী, তোমাৰ নামত শতকোটী সেৱা। ( প্ৰণাম কৰে ) তুমি এদিন ৰাজসিংহাসনৰ পৰা অত্যাচাৰী জনক নমাই যোগ্যজন স্বামী গদাপাণিক বহুৱাবলৈ, ইয়াতেই নশ্বৰ দেহ ত্যাগ ক'ৰিছিলা! তিৰোতাৰ প্ৰাণতো ইমান বল আছিল; মই কিন্তু পুৰুষ হৈয়ো ইমান দুৰ্ব্বল!

( এনেতে নিগৰৰ পৰা কাঁড় এডাল আহি চন্দ্ৰকান্ত সিংহৰ কাণত লাগেহি। )

উস্ উস্ এইডাল কাঁড় ক'ৰ? ( নিজৰ কাণত হাত দিয়ে ) নাই, নাই, ইয়াতো থাকিব নোৱাৰি! চাৰিউফালে শত্ৰু, শত্ৰু! নৰাধম, পাষণ্ড, কাৰ আয়ু শেষ হ'ল!

( তৰোৱাল উলিয়াই বেগেৰে দ'লৰ ফালে যায়। )

( লাহে লাহে সন্ধ্যা লাগি আহে। সন্ধ্যাৰ লগে লগে জগন্নাথ আৰু গোটাদিয়েক সৈন্য ওলাই আহে। )

জগন্নাথ :— গ'ল, গ'ল, চন্দ্ৰকান্ত সিংহ সোঁৱা তলাতলি ঘৰ পালেগৈ। তথাপি, তথাপি আমাৰ জয়। আজিহে আমাৰ কাৰ্য্য সিদ্ধি হ'ল। ৰাজকোঁৱৰৰ অঙ্গক্ষত হলে যে ৰাজসিংহাসনৰ অযোগ্য, তাক ৰজা-প্ৰজা সকলোৱে জানে। কাঁড় লাগি চন্দ্ৰকান্ত সিংহৰ কৰ্ণক্ষত হৈছে। এতিয়া আৰু সন্দেহ নাই, পুৰন্দৰ সিংহই একমাত্ৰ অসমৰ ৰাজাধিৰাজ!

( সকলো ওলাই যায়। )

## দ্বিতীয় পট

### সোৱণশিৰিৰ দাঁতি—দূৰৈত মিৰি-চাং দেখা যায়।

### সময়—আবেলি।

( নৈৰ পাৰত চক্ৰধৰ বৰগোহাঁই। )

চক্ৰধৰ :— আহা, কি সুন্দৰ দৃশ্য ! সোৱণশিৰিৰ দুই পাৰে সেউজীয়া গছ-গছনিয়ে কি এক অভিনৱ শোভা তুলি ধৰিছে ! তাতে পচিমৰ বেলিটিৰ শেষ ৰঙা ৰেখাটিয়ে ৰূপালী পানীত কেনেকৈ তিৰ-বিৰ্ কৰিছে ! আহা, ধন্য এই ঠাই ! এই ঠাইত থাকিলে, মানুহে পৰম পিতাৰ বিমল শান্তি অনুভৱ কৰিব পাৰে। ৰাজ-উদ্যানকো নেওচি, কোন বিধাতাই এই নিৰ্জ্জনত এনে মনোৰম স্থান নিৰ্ম্মাণ কৰিলে !

( এনেতে এটা মিৰি গামে হাতত নাৰৰ বঠা এপাত লৈ সোমাই আহে। )

মিৰি গাম :— ( নিজে নিজে ) অ' এইটোৱেই আমাৰ বৰুৱাই কোৱা দোতা হ'ব পায়। এ নিচেই ল'ৰা মানুহ দোহোন, হয় নে নহয় ? ডেকা লৰা বুলিছিল নহয়, হ'ব পায়।

( চক্ৰধৰৰ ওচৰ চাপি আঠু লয়। )

চক্ৰধৰ :— কোন অ' ? তোক চিনিব পৰা নাই দেখোন ?

মিৰি :— আও, দোতাইনো মোক চিনিব নোৱাৰিলি নে ? কেলেই মই সৌ সিপাৰৰ মিৰি গাওঁখনৰ গাম নহয় জানো ?

চক্ৰধৰ :— অ' তুমিয়ে গাম নে ?

মিৰি :— ময়েতো আকৌ গাম। মোতকৈ আৰু মিৰিৰ ভিতৰত কোন নো ডাঙৰ আছে অ' ?

চক্ৰধৰ :— গাম, তোমাক মই বিচাৰিছিলোঁৱেই ! ভালেই হ'ল আহিলা। মোক মিৰি বকৰাই কৈছে, তুমি বোলে ৰাজকৰ শোধোৱা নাই ?

মিৰি :— কেলেই নো দিম অ' ? আমি মিৰি হ'লো বুলি আৰু অগিয়ান হ'ম নে ? তইঁতে নো কাক সুধি আগৰ ৰজাটো ভাঙি নতুন ৰজা পাতিলি ? আমি হলে মিৰিয়ে নতুন ৰজাটোক ৰজা বোলা নাই। এইদৰে হলে দোহোন মোকো ভাঙি এটা নতুন গাম পাতিবি ! আগৰ ৰজাটোৱে আমাক একো দুখ দিয়া নাই। এইটোৱে হেনো মানুহক বৰ শাস্তি কৰে। আমি হলে আগৰটো ৰজাক হে ৰজা বুলিম, নতুন ৰজাটোক হলে কৰ নিদিম।

চক্ৰধৰ :— ( নিজে নিজে ) আচৰিত, উত্তৰ পাৱৰ প্ৰত্যেক মানুহেই সেই একে কথাকে কয়। ( ফুটাই ) বাৰু গাম, তুমি এতিয়া যোৱা। কালিলৈ পুৱা, মিৰি বকৰাৰ লগত আহিবা। তেতিয়া কথা পাতিম।

মিৰি :— বাৰু দোতা, মই আহিলো। আমাৰ হলে মিৰি মানুহৰ কথা এটাহে, দুটা নহয়, মনত ৰাখিবি।

( সেৱা জনাই মিৰি গাম ওলাই যায়। )

চক্ৰধৰ :— ডাঙৰ মিৰিয়েও ৰাজকাৰ্য্যৰ ভুল ধৰিছে। কি সাধ্য কৰ তোলা ! বুঢ়াগোহাঁইয়ে মোক পঠিয়াইছিল কৰ তুলিবলৈ ; এনে উত্তৰত কি সাধ্যে প্ৰজাক মই শাস্তি দিওঁ ! এজন ৰজা থাকোতে আন এজনক ৰজা পতাটো সঁচাকৈয়ে অত্যন্ত গৰ্হিত' কাম হৈছে। ( ভাবে ) নাই এনে ৰাজকাৰ্য্য হাতত নলওঁ। অৱাবতে, বুঢ়াগোহাঁইৰ লগত

আমিও পাপৰ ভাগী নহওঁ! মোৰ যেন অনুমান হয়, প্ৰত্যেক মানুহেই আমাক সন্দেহৰ চকুৰে চাইছে! আমি যেন কাৰোবাক ভাঙি কাৰোবাক পাতিবলৈহে আহিছো! আমি কম মানুহ নহওঁ, আমি বজা ভঙা মানুহ। ছিঃ, প্ৰজাই আমাক এনে কলঙ্কৰে কলুষিত কৰিছে! ওঁ হো।

(এনেতে নেপথ্যত মিৰি ছোৱালীয়ে বিহুনাম গায়।)

অতি চেনেহৰে　　মুগাৰে মহুৰা
অতি চেনেহৰে মাকো।
অতি চেনেহৰে　　বগাগৰ বিহুটি
নেপাতি কেনেকৈ থাকো॥

চক্ৰধৰ :— অ' ই কি শুনো! জিলিৰ মাতত কোনে সেই গীত গালে? গীতটিৰ সুৰে সোৱণশিৰি নৈ খনি যেন উকলিকৃত কৰিলে! গছ-গছনিয়ে নিৰৱ হৈ শুনিছে! ধন্য গায়িকা! আকৌ!

(নেপথ্যত)　বৈ নো বৈ ধেমালি　　কৰিম ঐ মইনা,
বৈ নো বৈ ধেমালি কৰিম।
জীয়াই থাকোমানে　　ধেমালি কৰিম ঐ
মৰিলে কাহানি কৰিম?

(গীত শেষ হোৱাৰ লগে লগে তুলুঙা নাও এখনৰ পৰা ৰহিলা ওলাই পাৰলৈ উঠে।)

চক্ৰধৰ :— এয়ে সেই গায়িকা! ভৰা সুঁতিত অকলৈ নাৱৰ টিঙত!

(ক্ষন্তেক উভয়ে উভয়লৈ চাই অবাক হয়।)

কোন তুমি গাভৰু?

ৰহিলা :— মই? মই গামৰ জীয়েক ৰহিলা! তুমিনো ক'ৰ মানুহ?

চক্ৰধৰ :— গাভৰু, মই নগৰৰ পৰা আহিছো।

বহিলা :— অ', তুমি তেন্তে ডাঙৰ মানুহৰ লৰা। ইয়াত অকলৈ হাবিৰ মাজত কি কৰিছাহি? ইয়াত বৰ ডাঙৰ ডাঙৰ বাঘ আছে। ব'লা আমাৰ চাঙলৈকে যাওঁ। আমি আলহী সুধি বৰ ভাল পাওঁ।

চক্ৰধ্বৰ :— গাভৰু, সৌৱা আমাৰ ডাঙৰ নাও আছে।

বহিলা :— অ' সেইখন নাও তোমাৰ হবলা! আমাৰ ইয়ালৈ আহিলে আমাৰ যে আলহী হ'ব লাগিব, তুমি সেইটো নেজানা হ'বলা? কাইলৈ আমাৰ চাঙলৈ আহিবা দেই! মই নিবলৈ আহিম।

পানী টুপি দেখি ঐ পিয়াহে লাগিলে
তোমাক দেখি লাগিলে দয়া।
মুঠিৰ কটা তামোল মুঠিতে শুকালে
ন'হলা আপোনাৰ গঞা॥

(বহিলাই গীত গাই গাই নাও মেলি গুচি যায়।)

চক্ৰধ্বৰ :— (বহিলা যোৱালৈ চাই থাকি) এইজনী মিৰিয়নী ছোৱালী নে এপাহি কবিতা! ধন্য প্ৰকৃতি, ধন্য তোমাৰ সৰল স্বভাৱৰ কুমাৰ কুমাৰী!

(নাৱৰ ফালে গুচি যায়।)

# তৃতীয় পট

বংপুৰ—তলাতলি ঘৰ।

ওপৰৰ এটা কোঠালি।

সময় গধূলি।

( চিন্তামগ্নভাৱে ৰাজমাও তলৰ কোঠালিৰ পৰা ওপৰলৈ উঠি আহে। )

ৰাজমাও :— আমাৰ অতি আপোন পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ পুতেক ৰুচিনাথ! আৰু এই ৰুচিনাথক, দেউতাকৰ ঠাইত আমিয়ে ৰাজমন্ত্ৰীৰ পদত বৰণ কৰিছিলো! সেই ৰুচিনাথ জানো আমাৰ চিৰ-শত্ৰু হ'ব! এবাৰ ভুল কৰিছিল বুলি, সদাই ভুলকে কৰিব! নহয়, এতিয়া তেওঁ নিজৰ ভুল নিজে বুজিছে। নিজেই এতিয়া চন্দ্ৰকান্ত সিংহক সিংহাসন দিবলৈ যোৰহাটলৈ মাতি পঠাইছে! আমি এতিয়া নিৰ্ভয়ে যাব পাৰো!

( এনেতে আনফালৰ পৰা চন্দ্ৰকান্ত ওলাই আহে। )

চন্দ্ৰকান্ত :— কেতিয়াও নোযাওঁ, কেতিয়াও নোযাওঁ। যদি নিজে ধৰা দি বন্দী হ'ব খোজো, তেতিয়াহে!

ৰাজমাও :— চন্দ্ৰকান্ত?

চন্দ্ৰকান্ত :— ভাবি চাওক আইতা, যদি সঁচাকৈয়ে ৰুচিনাথে পুৰন্দৰক যুৱৰাজ পাতি মোক সিংহাসন দিবৰ মন আছিল, তেন্তে কিয় গুপ্তভাৱে মোৰ এই কৰ্ণক্ষত কৰোৱালে! তলে পুতল, তলে পুতল, আইতা, মই কেতিয়াও বিশ্বাস নকৰো।

ৰাজমাও :— জগন্নাথ ঢেকিয়ালফুকনে মোক কেতিয়াও মিছা কথা নকয়।

চন্দ্ৰকান্ত :—আইতা, আপোনাৰ কোমল মতিয়ে এই ভীষণ ষড়যন্ত্ৰ ভেদিব নোৱাৰিব।

ৰাজমাও :— বাচা, যেনে তেনে ৰাজসিংহাসনতো ল'ব লাগিব। মোৰ পুত্ৰ এদিন ৰজা হৈ, আজি জীৱিত থাকোতে আন এজন আহি ৰাজসিংহাসনত বহিব, তাক জানো মাতৃৰ অন্তৰে সহিব পাৰে?

চন্দ্ৰকান্ত :— আইতা, মই তাৰ যথোচিত উপায় চিন্তা কৰিছো। মই এতিয়া নিজৰ শুভাশুভ নিজে ভালকৈয়ে বুজিছো। কোন?
(জন্মি আৰু এজন মান কটকী সোমাই আহে। মানক দেখি ৰাজমাও চক খাই ওলাই যায়।)

চন্দ্ৰকান্ত :— ডেকাফুকন! এৱেই নে কি সেই কটকী? সম্বাদ কি?

জন্মি :— স্বৰ্গদেউ, সম্বাদ ভালেই। কেৱল, স্বৰ্গদেউৰ অনুমতি লাগে।

চন্দ্ৰকান্ত :— য'ত মোৰ কাৰ্য্যসিদ্ধি, তাত মই অনুমতি নিদিম কিয়?

জন্মি :— তেন্তে, স্বৰ্গদেউ, আমি অলপ গুপ্ত আলোচনা কৰিব খোজো।

চন্দ্ৰকান্ত :— নিশ্চয়, আহা তেন্তে গুপ্ত-কোঠালৈ যাওঁ।

(খটখটীয়েদি সকলো তলৰ কোঠালৈ নামি যায়।)

(ৰাজমাও পুনৰ আহে।)

ৰাজমাও :— আকৌ মান? মানে এইবাৰ সিংহাসন দিবলৈ আহিছে নে নিবলৈ আহিছে? মান দেখি মোৰ যেন অন্তৰখন কঁপিবলৈ ধৰিছে! কিবা যেন বিভীষিকাৰ ছবি মোৰ চকুৰ আগত নাচিবলৈ ধৰিছে। বিনা মেঘে বজ্ৰপাত হ'ব নে কি?

(লাহে লাহে ওলাই যায়।)

---

# চতুৰ্থ পট

## যোৰহাট—ৰাজকাৰেং।

### সময়—পুৱা।

( ৰুচিনাথ আৰু জগন্নাথ কথা পাতি পাতি সোমাই আহে। )

ৰুচিনাথ :— তুমি সঁচাই মানক দেখিছিলানে?

জগন্নাথ :— ৰুকাইদেউ, মান-কটকী আহোতে মই ৰাজমাওৰ লগত কথা পাতিয়ে আছিলো।

ৰুচিনাথ :— তেন্তে, এই কাৰণেই চন্দ্ৰকান্ত সিংহক মই ৰজা হ'বলৈ মতাতো নাহিল। তাৰ পাচত, জগন্নাথ, মান কিমান আহিছে?

জগন্নাথ :— মই দেখিলো মাত্ৰ এহেজাৰমান হে, কিন্তু শুনাত ছ-হেজাৰৰ ওপৰ মান আহিছে।

ৰুচিনাথ :— চন্দ্ৰকান্ত সিংহয়ে মান অনালেনে?

জগন্নাথ :— কোনে অনাইছে, মই ঠিক কব নোৱাৰো। কিন্তু চন্দ্ৰকান্ত সিংহক মানে আকৌ সিংহাসন দিম বুলিয়ে আহিছে।

ৰুচিনাথ :— ( নিজে নিজে ) উস্, অসমৰ ভাগ্যলক্ষ্মী আজি কেনি, কোনে ক'ব পাৰে? অসমত আকৌ দ্বিতীয়বাৰ মান? ইফালে, পুৰন্দৰ কোঁৱৰৰ লগত দেউতাক দীঘলা গোহাঁয়ে বুঢ়াকালত ৰজা হবলৈ অৰিয়া-অৰি কৰিছে, সিফালে চন্দ্ৰকান্ত সিংহৰ লগত মান? দেশখন কি অকল বুঢ়াগোহাঁইৰ ঘৰেই ৰাখিব পাৰিব? কি উপায় কৰো?

( এনেতে পুৰন্দৰ সোমাই আহে। )

পুৰন্দৰ :—ডাঙৰীয়া, আজিৰ সভাতেই মোৰ দদাইদেউ দুজনক দুখন মেল দিয়ক।

ৰুচিনাথ :— মনে মনে থাওক! স্বৰ্গদেউ, মোক ভাবিবলৈ দিয়ক।

পুৰন্দৰ :— এঁ্যা, কি? (আচৰিত হয়।)

ৰুচিনাথ :— স্বৰ্গদেউ, আচৰিত হবৰ সময় নহয়! এই মাত্ৰ সম্বাদ পালো, চন্দ্ৰকান্ত সিংহক আকৌ ৰজা পাতিবলৈ মান আহিছে!

পুৰন্দৰ :— মান! মা—ন?

ৰুচিনাথ :— স্বৰ্গদেউ, নিৰ্ভয় হওক, ইয়াৰ মই সকলো উপায় কৰিম।

পুৰন্দৰ :— ডাঙৰীয়া, ৰণত হাৰিলে যে মানে মোক বন্দী কৰিব! কি কৰো?

ৰুচিনাথ :— একো কৰিব নেলাগে। স্বৰ্গদেউ, আপুনি এতিয়াই গুৱাহাটীলৈ যাবলৈ সাজু হওকগৈ। ভোগদৈত নাও বন্ধা আছে, ইফালে মই ৰণৰ আয়োজন কৰো।

পুৰন্দৰ :— ডাঙৰীয়া!

ৰুচিনাথ :— শুনক স্বৰ্গদেউ, অপেক্ষা নকৰিব, এতিয়াই যাওক; সকলো দিহা হৈ আছে, যাওক!

পুৰন্দৰ :— ডাঙৰীয়া, আপোনাৰ কথা মতেই আহিছো। গছত তুলি গুৰি নেকাটিব! (পুৰন্দৰ ওলাই যায়।)

ৰুচিনাথ :— জগন্নাথ তুমিও যোৱা। স্বৰ্গদেউক নাৱত তুলি গুৱাহাটীলৈ পঠাই আহা। (জগন্নাথ ওলাই যায়।)

কি বিপদ! অসমৰ আজি এনে দুৰ্ভাগ্য যে, ৰাজসিংহাসনত যোগ্য ৰজা নাই, দেশত উপযুক্ত বিষয়া নাই, সৈন্য ছাউনীত সাহিয়াল বীৰ নাই! হায়, কোনে জানে আজি অসমৰ ভাগ্যলক্ষ্মী কলৈ গৈছে?

(ভাবি ভাবি ওলাই যায়।)

# পঞ্চম পট

## সোৱণশিৰি নৈৰ দাতিৰ মিৰি-চাঙৰ আগ।

সময়—আবেলি।

( চক্ৰধৰ সোমাই আহে। )

চক্ৰধৰ :— মিৰিয়নী ছোৱালী! মিৰিয়নী ছোৱালীৰ চকুত সৌন্দৰ্য্যৰ ৰঙা জুই আছিল বুলি কোনে জানিছিল? বাস্তৱিকতে, ইহঁতৰ ঠাইখনি যেন এখনি প্ৰকৃতিৰ বাস্তৱ লীলাভূমি! ইহঁতৰ সমাজ এনে নিৰ্ম্মল, এনে পৱিত্ৰ। ইয়াত হিংসা-দ্বেষ, পৰশ্ৰী-কাতৰতা লেশমানো নাই! ইয়াত ৰাজ্য ভঙা-পতাৰ হুলস্থুল নাই। ইহঁত ধন-ঐশ্বৰ্য্যৰ, মান-সন্মানৰ নিছাত উন্মত্ত নহয়। কিন্তু, তাৰ ঠাইত আছে, ইহঁতৰ মুখত কমনিয়তা, কথাত সৰলতা, হাঁহিত প্ৰফুল্লতা! ধন্য ইহঁতৰ জীৱন, ধন্য ইহঁতৰ সমাজ! এই হাবিয়লীয়া মিৰি জীৱনৰ লগত আমাৰ জীৱন ৰিজালে, ইহঁতৰ জীৱন আমাতকৈ শতগুণে শ্ৰেয়ঃ হ'ব।

( এনেতে হাঁহি হাঁহি ৰহিলা আহে। )

ৰহিলা :— গোহাঁইদেউ, তুমি দোহোন মনে মনে ৰহি আছাহি? কিবা বেয়া পালানে কি?

চক্ৰধৰ :— আজলী মিৰি ছোৱালী! সভ্য জগতৰ ৰাজনীতি, সমাজনীতিৰ পাকঘূৰণিত পৰা হ'লে তোমালোকৰ ডেকাৰো সেই প্ৰাণ খোলা হাঁহি আৰু নেথাকিলহেতেন! ক'ত নো মন মাৰি থকা দেখিলা? কিবা এটা ভাবিহে আছিলো।

ৰহিলা :— আমাৰ ইয়াত থাকৈলে দুখ পাইছানে কি, গোহাঁইদেউ! নহলে নো কি কথা ভাবিছা?

চক্ৰধৰ :— ( হাঁহি ) আজলী মিৰিয়নী, তোমালোকৰ মানত থোৱা,

শোৱা আৰু নচাটোৱেই সুখ নহয় নে? মানুহৰ আৰু আন কাম নেথাকেনে কি?

ৰহিলা :— কেলেই নো নেথাকিব? কাম কৰিলেহে ভাত খাবলৈ হয়। চোৱাচোন, আমি দিনৰ দিনটো হাবি ভাঙি খেতি কৰো; গধূলি ভাত খাই বিহু মাৰি নাচ কৰো! আমাৰ আৰু এয়ে সুখ। কেতিয়াবা মনত দুখ লাগিলে, নাম গাই দিওঁ, দুখ পাহৰি যাওঁ। শুনা :—

চৰাইনো কুমলীয়া উৰিব নোৱাৰে
ঘূৰি ঘূৰি ডালতে পৰে।
মইনা কুমলীয়া এৰিব নোৱাৰি
ঘূৰি ঘূৰি মনতে পৰে॥

( এনেতে মিৰি গাম ওলাইছি। )

মিৰি :— দৌতা, দৌতা, শুনিছনে, মানবোৰ বোলে আমাৰ দেশলৈ আকৌ আহিছে? আৰু হেনো ৰণ লাগিছে!

চক্ৰধৰ :— ( চক খাই ) কি, মান? মান আহিছে? ক'ত শুনিলা গাম?

মিৰি :— তইঁতৰ মানুহবোৰ গাওঁ ভাঙি আমাৰ উত্তৰ পাবলৈ আহিছে নহয়! সিহঁতে কৈছে, নতুন ৰজাটো বোলে পলাই গ'ল।

চক্ৰধৰ :— দেশত ইমান কাণ্ড! মই কবই নোৱাৰো! মিৰি চাঙত ভোলগৈ আছোহি! (গামলৈ) গাম, মোক এতিয়াই সিপাৰ কৰি দিয়া! মই যাবই লাগে! আহাঁ, আহাঁ, মই ওলাই আহো।

( চক্ৰধৰ ওলাই যায়, ৰহিলাৰ হাঁহি মুখখনি জয় পৰি যায়। )

মিৰি :— ( ৰহিলালৈ চাই ) এঁ্যা, দৌতাটো যাওঁ বুলিলত দোহোন ৰহিলা জনীয়ে মনটো মাৰি পেলালে! কিয় হো! ( ফুটাই ) ৰহিলা, দৌতাটো যাওঁ বুলিছে। আহচোন চাঙলৈ যাওঁ।

( ৰহিলাক লৈ ওলাই যায়। )

---

## ষষ্ঠ পট

### যোৰহাট—ৰাজকাৰেং তামুলী চ'ৰা।

সময়—আবেলি।

( চন্দ্ৰকান্ত সিংহ সোমাই আহে। )

চন্দ্ৰকান্ত :—যেনে তেনে হেৰোৱা সিংহাসন পুনৰ লাভ কৰা হল। যাক সদাই আপোনতকৈয়ো আপোন বুলি ভাবি আছিলো, সেই ৰুচিনাথেই মোক সিংহাসনচ্যুৎ কৰিছিলহি ; আৰু যাক শত্ৰু বুলি জ্ঞান কৰিছিলো, সেই বদন বৰফুকনৰ পুতেক জন্মিয়েই পুনৰ সিংহাসন লাভত মোৰ সহায়!

( এনেতে ৰাজমাও সোমাই আহে। )

ৰাজমাও :—স্বৰ্গদেউ, যেনে তেনে সিংহাসন পোৱা হল! মানে কিন্তু এইবাৰতে ভুবাৰ আমাৰ দেশ দেখিলোঁহি। মই শুনিছো, সিইঁতে ইয়াত থাকৈলে ন-টা পাই, দেশলৈ উলটি যোৱাৰ কথা পাহৰিছেই। এতিয়া যেনে-তেনে মানক ইয়াৰ পৰা বিদায় দিব লাগে। নতুনকৈ আকৌ দেশ গঠন কৰিব লাগে।

চন্দ্ৰকান্ত :—আইতা, মানক ইয়াৰ পৰা বিদায় দিবলৈ মই জন্মি ডেকা ফুকনক কৈছো। মান আৰু ইয়াত বেছি দিন নথাকে।

ৰাজমাও :—প্ৰথমবাৰ আগেতে ছোৱালী দি বিদায় দিলা, এইবাৰ কি দি বিদায় দিব খুজিছা?

চন্দ্ৰকান্ত :—আইতা, প্ৰথমবাৰ মান আহিছিল আমাৰ শত্ৰু ভাৱে। এইবাৰ কিন্তু মান সহায় কৰিবলৈ বন্ধু ভাৱেহে আহিছে। এইবাৰ সিইঁতক অহা-যোৱা খৰচটো দিলেই হব।

ৰাজমাও :—এই বিষয়ে তুমি মান সেনাপতি বা জন্মিৰ লগত কথা পাতিছিলানে ?

চন্দ্ৰকান্ত :—কথা পতা নাই। মই ভাবি থৈছো।

ৰাজমাও :—তাতে ভুল! এইবোৰ ভাৱি থোৱা কথা নহয়। স্পষ্ট ভাৱে বন্দবস্ত কৰাৰ কথা। আহাঁ আজিয়ে এখন মেল কৰি, মান সেনাপতিৰ লগত কথা পতা হওক। আহাঁ।

চন্দ্ৰকান্ত :—আইতা !

( ৰাজমাৱে চন্দ্ৰকান্তক হাতত ধৰি লৈ যায়। )

( আন ফালৰ পৰা ফটাকানিৰ দৰা-কনীয়া লৈ দেৱযানী আহে আৰু পাচে পাচে লীলাও আহে। )

## গীত-বিয়ানাম

দেৱযানী :—

তুলিতে বহি তুলাদে গাভৰু
মনতে অসন্তোষ কৰে।
মনতে অসন্তোষ নকৰা আইদেউ
হ'বাগৈ আলাসৰ লাৰু॥
শুনি থাক শুনি থাক দৰাৰে বায়েক
আইদেউৰ চৰিত্ৰ কওঁ।
তাঁতত হালে জালে শৰাইত গুৱা কাটে
আইদেউ সেই কাম কৰে॥
টান বন নিদিবা, সযোগে ন'থবা
চেঁচুকৰ দাম-দেউকা।
চালিব নোৱাৰে শুকান পিঠাগুৰি
হাতত পানীজোলা ফুটে॥

টানকৈ ভেকাহি সহিব নোৱাৰে
উচুপি উচুপি কান্দে।

* * * *

দেৱ :—হয়নে বাইদেউ, ছোৱালী উলিয়াই দিলে ছোৱালীৰ মাকে কান্দে নহয়? তেনে মযো কান্দো। ( উ—উ কৈ কান্দে। )

লীলা :—( হাঁহি ) ওঁ, ছোৱালীৰ মাকে কান্দে।

দেৱ :—( হাঁহি ) ছেঃ, হাঁহিবৰ হে মন গৈছে দেখোন!

লীলা :—আইদেউ, ৰজাঘৰীয়া ছোৱালীৰ লগত বেটী-বন্দী, খাট-পাম দিব লাগে নহয়? ক'তা?

দেৱ :—এৰা বেটীনো কাক দিওঁ! তুমি আকৌ দৰাৰে বায়েক হ'লা! বাৰু, ৰ'বা তেনে বাইদেউ, মই স্বৰ্গদেওক এতিয়াই খোজোগৈ!

লীলা :—মোক বাইদেউ বুলিছা কেলেই? মই এতিয়া দৰাৰ বায়েক!

দেৱ :—তেনে তোমাক কি বুলিম বাইদেউ?

লীলা :—এৰা কি বুলিবা? দৰাৰ বায়েককে বুলিবা!

দেৱ :—( হাঁহি ) তেনেহলে মোৰ কথ ই বল। দৰাৰো বায়েক মোৰো বাইদেউ!

(এনেতে জন্মি সোমাই আহে। জন্মিক দেখি লীলাই অলপ চুচুক-চামাক কৰে)

জন্মি :—বাঃ, আইদেউ যে ইয়াত?

দেৱ :-ডেকা ফুকন, ডেকা ফুকন, মোৰ ছোৱালীৰ লগত দিবলৈ বেটী-বন্দী লাগে। আপুনি স্বৰ্গদেৱক খুজি, আনি দিয়ক। নহলে মোৰ ছোৱালীয়ে বৰ দুখ পাব।

জন্মি :—ছোৱালী? কি ছোৱালী আইদেউ?

দেৱ :—(ফটাকানিৰ কনীয়া দেখুৱাই) এইজনী! আজি এইক বিয়া দিছো।

জন্মি :—অ'! (লীলাক দেখুৱাই) সোৱা ওচৰতে থিয় হৈ আছে দেখোন!

লীলা :—( কেৰাহিকৈ চাই ) যাওক, চুপতি নকৰিব!

জন্মি :—বাৰু তেনে, স্বৰ্গদেউকে কওঁগৈ।

( ওলাই যায় )

দেৱ :—( এবাৰ ডেকাফুকনগৈ, এবাৰ লীলালৈ চাই। ) বাইদেউ, কি ভাবিছা? গহীন হ'লা দেখোন? বেটী-বন্দী নিদিয়াত খং উঠিছেনে কি?

লীলা :—নহয় আইদেউ! কিবা এটা ভাবিছিলোহে! ব'লা কনীয়াক জলপান খুৱাওঁগৈ। বহুত বাট যাব লাগিব।

দেৱ :—বাৰু!

গীত

আগবাৰী শুৱনি কাকিনী তামোলে
পাচ বাৰী শুৱনি পান।
ঘৰ ঘৰ শুৱনি জীয়াৰী ছোৱালী
উলিয়াই দিবলৈ টান॥

( নাম গাই গাই দুয়ো ওলাই যায়। )

# সপ্তম পট

## যোৰহাট—ৰাজকাৰেং, ৰজাৰ চ'ৰা।

### সময়—পুৱা।

(চন্দ্ৰকান্ত সিংহ বহি থাকে। কেউফালে বিষয়া আৰু সৈন্যসকল। ওচৰতে আলুংমিঙি আৰু জন্মি।)

নাচনী :— গীত।

কতনো বজোৱা বাঁহী অ' ধন অকলই।
আহাঁ আহাঁ বুলি কাক মাতা দূৰলৈ॥
বাঁহী তোমাৰ বলিয়া,
তুমি দুষ্ট কলীয়া,
ঘাটৰ কদম, তোমাৰ বাহন,
পানী আনো কেনেকৈ;
যোৱা আজি নযাওঁ আমি,
যাম কালিলই॥
(ওলাই যায়।)

আলুংমিঙি :— স্বৰ্গদেউ, আপোনাৰ নৃত্য-গীতৰ আয়োজনত সঁচাকৈয়ে মই পৰম প্ৰীতি লাভ কৰিছো। মই সপোনতো ভবা নাছিলো, অসমীয়া নৰ্ত্তকীয়ে ইমান তাকৰ সময়তে বিদেশী দৰ্শকৰ মন-প্ৰাণ মুহিব পাৰে! নাচনীবিলাকৰ ৰূপ-লাৱণ্য, নৃত্য-গীত, অতি সুন্দৰ, অতি সুন্দৰ!

চন্দ্ৰকান্ত :— সেনাপতি, আপোনাৰ শলাগ বাস্তৱিকতে বহুমূলীয়া

আলুংমিঙি :— স্বৰ্গদেও, এনে নৃত্য-গীত দেখি, দৰ্শক মাত্ৰয়ে বিমোহিত

নহৈ নোৱাৰে। মই স্বদেশলৈ গৈও, অসমীয়া তিৰোতাৰ মধুৰ নৃত্য-গীতৰ স্মৃতি পাহৰিব নোৱাৰিম।

চন্দ্ৰকান্ত :— সেনাপতি, আপোনালোকৰ অনুগ্ৰহতে মোৰ হেৰোৱা সিংহাসন লাভ হৈছে। বৰ্ম্মাৰাজক মোৰ নিবেদন ক'বগৈ, বৰ্ম্মাৰাজৰ ওচৰত মই চিৰ কৃতজ্ঞ থাকিলোঁ।

আলুংমিঙি :—স্বৰ্গদেওৰ অনুগ্ৰহ। এই বাৰেৰে দুবাৰ আমি অসম দেশলৈ আহিলোঁ। বুঢ়াগোহাঁইৰ পৰিয়াল কিন্তু এতিয়াও শেষ নহল। মোৰ সন্দেহ হয়, আমি গলেই আকৌ পুৰন্দৰক ল ৰুচিনাথ আহিব। সেই বাবে, মান সেনা গুৱাহাটীৰ নগৰ ৰখীয়া থৈ যাওঁ। ইয়াৰ বাবে আমাক একো নালাগে, মাথোন আমাৰ ৰজালৈ বছৰি অলপ ধন-সোণ পঠাব।

জন্মি :—সেনাপতি গুৱাহাটীৰ সংবাদ পাইছোঁ; পুৰন্দৰ আৰু ৰুচিনাথ দুয়ো আমাৰ দেশ এৰি বঙাল দেশলৈ পলাই গ'ল।

আলুংমিঙি :— ডেকা ৰুকন, সিহঁত এতিয়া পলাব পাৰে। কিন্তু ইয়াৰ পাচত যে নাহিব তাৰ সঠিক কি?

চন্দ্ৰকান্ত :— ( নিজে নিজে ) ইমান যত্ন কৰি ইহঁতক বিদায় দিছোঁ, তথাপি ইহঁতে আমাৰ দেশ এৰি যাব নোখোজে! বাৰু! (ফুটাই) একো কথা নাই, সেনাপতি, বৰ্ম্মাৰাজৰ আপত্তি ন'হলে, কিছুদিন ইয়াত মান সেনা থকাটো অতি আৱশ্যক।

আলুংমিঙি :—স্বৰ্গদেও, স্বৰ্গদেউৰ উপকাৰৰ অৰ্থেহে মান সেনা থৈছোঁ। তেন্তে, আমি এতিয়া বিদায় লওঁ। ( আঠু লয় )

চন্দ্ৰকান্ত :— সেনাপতি সাদৰে বিদায় দিছোঁ। আপোনাৰ উপকাৰ মই কেতিয়াও নাপাহৰো।

আলুংমিঙি :— ( ওলাই যাওঁতে ) এই থাকি যোৱা মান সেনাৰ জড়িয়তে, অসমৰ বা-বাতৰি নিজৰ দেশতে পাই থাকিম। ( ওলাই যায়। )

LIBRARY 14176

চন্দ্ৰকান্ত :— ডাঙৰীয়া সকল, আজি এক গুৰুতৰ কাম সমাধা কৰা হ'ল। আজিলৈ সভা ভঙ্গ হওক।

(চন্দ্ৰকান্ত সিংহ উঠি যায়। জন্মিৰ বাহিৰে, সকলো ৰজাৰ পাচে পাচে যায়।)

জন্মি :—চন্দ্ৰকান্ত সিংহ আজি পুনৰ অসমৰ ৰাজসিংহাসনত। কিন্তু ই-কি মোৰ জীৱনৰ ব্ৰত সাধনত আজি বাধা কিয়? এদিন পৰম পিতাক স্মৰণ কৰি, পিতৃৰ মৃত দেহ স্পৰ্শ কৰি, দেৱতাক সাক্ষী কৰি প্ৰতিজ্ঞা কৰিছিলোঁ, আমি যদি পিতৃৰ প্ৰকৃত সন্তান হওঁ, এই পিতৃহন্তা কুলক সমূলে নিৰ্ম্মূল কৰিম! কিন্তু ক'তা? নিৰ্ম্মূল কৰাটো দূৰৰ কথা, পূৰ্ণানন্দৰ পৰিয়াল আজি পৰ্য্যন্ত সম্পূৰ্ণ বৰ্ত্তমান! (ভাবে) মই, মই কিন্তু হঠাৎ আহি কিহৰ বান্ধত পৰি কোঁচ খাই গৈছোঁ। আগবাঢ়িব পৰা নাই! কিয়? সেই গাভৰুৰ চকুৰ চাৱনিত? সেই চকুৰ চাৱনিয়েই মোক টানি ধৰিছেনে কি? সঁচাকৈয়ে নে? সঁচাকৈয়ে নে? সম্ভৱ, নহ'লে! (ভাবে) উস্. মোৰ যি পিতৃহন্তা ৰাজকুলক ধ্বংস কৰিম বুলি চন্দ্ৰকান্তৰ লগত মিতিৰালি কৰিছোঁহি, সেই ৰাজকুলৰ কন্যা লীলাৱতীৰ চকুৰ চাৱনিত মই বন্দী হ'লো! এজনী গাভৰুৰ চাৱনিত ভোল গৈ প্ৰতিহিংসা পাহৰি গ'লো! বদন বৰফুকনৰ পুতেকৰ আজি ইমান অধঃপতন! ওঁ-হো, হ'ব নোৱাৰে! কিন্তু, নাই, কিহৰ কিন্তু? প্ৰেমৰ নিমিত্তে পিতৃহন্তাক পাহৰিম? অসম্ভৱ, অসম্ভৱ! (ভাবে) আঃ, তথাপি সেই চকুজুৰি, সেই সেন্দূৰীয়া মুখ খনি, মোৰ চকুৰ আগত ভাহি উঠে কিয়? উস্, কি কৰো? বিষম সমাস্যা! এফালে প্ৰেমৰ বান্ধ, আনফালে পিতৃহন্তাৰ দাহ! নিৰুপায়, নিৰুপায়! (যাব খোজে আকৌ উভতি) নাই, নাই নহয়, নহয়! পিতৃহন্তাৰ প্ৰতিশোধ

ল'ম! যাওক, সকলো বুৰি যাওক. জন্মিৰ প্ৰতিহিংসা ব্ৰত মাথোন আজি হৃদয়ত জ্ব'লি উঠক. জ্বলি উঠক!

পট পৰিবৰ্ত্তন

( দূৰণিৰ ফুলনিত লীলাই গীত গায়। )

তেনে, কিয় আজি ফুলে ফুলনি শুৱাই
হাঁহিছে নাচিছে ধীৰে।
মোৰ প্ৰাণৰ দেৱতা, নহলে যে দেখা
ভৰিছে নয়ন নীৰে॥

জন্মি :— ( দূৰৈত লীলাক অস্পষ্ট ভাবে দেখি। )
আ-হা, কাৰ মধুৰ কণ্ঠস্বৰ! কোন সেই দেৱী! ই কি লীলা?
লীলা, লীলা, তুমি ইমান সুন্দৰী! এঁ্যা!
( অবাক হৈ চাই থাকে। )

# তৃতীয় অঙ্ক

## প্ৰথম পট

যোৰহাট—ৰাজকাৰেং ৰাজচ'ৰা।

সময়—পুৱা।

( চন্দ্ৰকান্ত সিংহ বহি থাকে। ওচৰতে কলিবৰ বুঢ়াগোহাঁই পতাল বৰবৰুৱা, জন্মি, বিষয়া আৰু চাওদাং আদি থাকে। )

( নাচনী বিলাকে পুৱাৰ গীত গায়। )

গীত

যাই ঐ লাহৰী আঁতৰি আঁতৰি
পাৰৰে ঢেকিয়া কঁপাই
আমাৰ কুমলীয়া মন ঐ চনকা
বুকু যে কিহে লগাই।
অকণি জুৰিটি তই,
শিলনিৰ ঘঁহনি লই,
কাকনো বিচাৰি কৰিছ কাকুতি
বুকু যে ঢপে-ঢপাই!
মৰমৰ দুখীয়া তই,
মৰমৰ দুখীয়া মই,
নাযাবি আঁতৰি অ' মোৰ লাহৰী
মৰম যে বাগৰি যায়॥

( গীত শেষ হোৱাৰ লগে লগেই, ৰাজমাও সোমাই আহে। ৰাজমাওক সকলোৱে সন্মান দেখুৱায় আৰু নাচনীবিলাক ওলাই যায়। )

ৰাজমাও :—আচৰিত, এতিয়াও সকলোটি নাচ-গানতেই মত্ত! চন্দ্রকান্ত তুমি জানানে, তুমি অসমৰ ৰজা। দেশৰ স্বাধীনতা, জাতিৰ মৰ্য্যাদা আৰু সিংহাসনৰ গৌৰৱ ৰাখিবলৈ তোমাৰ দায়ীত্ব কিমান গুৰুতৰ? ডাঙৰীয়াসকল, আপোনালোক সাৱধান হ'ব। আপোনালোকৰ দিনত পূৰ্ব্বপুৰুষ সকলৰ পবিত্ৰ নামত যেন কলঙ্ক নপৰে।

চন্দ্রকান্ত :— আইতা, ৰাজকাৰ্য্যত কোনো ব্যাঘাত ঘটা নাই। সকলো কাম সুচাৰুৰূপেই চলিছে।

ৰাজমাও :—স্বৰ্গদেউ, নুবুজিলা, মই কি ক'লো? ভাবি চোৱাঁ, এবাৰ দ-কৈ ভাবি চোৱাঁ! তুমি আজি কি? তুমি নুবুজিব পাৰা, মই বুজিছো, তুমি আজি মানে পতা গানৰ কৰতলীয়া ৰজা। তোমাৰ ওপৰত এতিয়াও মান সেনাই চকু ৰাখি আছে। এই দুৰ্দ্দান্ত মানে এবাৰ নহয় দুবাৰকৈ সোণৰ বাগিচা অসমৰ ন-টা লৈ গৈছেহি। সাৱধান, সাৱধান, মানে ৰোৱা গছ মানে উঘালিবলৈ বেছি পলম নহব। ( বেগেৰে ওলাই যায়। )

( ৰাজমাওৰ কথাত সকলোৱে তলমূৰ কৰে। )

জন্মি :—( নিজে নিজে ) ইও এক সোণালী সুযোগ! চন্দ্রকান্ত সিংহই নিজ হাতে নিজৰ ঘৰত জুই দিয়ক, ক্ষতি কি? ( ফুটাই ) স্বৰ্গদেউ, ৰাজমাও দেউতাৰ কথা আখৰে আখৰে সঁচা! আমাৰ কাম হ'ল যেতিয়া, ইয়াৰ ব্যৱস্থা কৰা যুগুত।

চন্দ্রকান্ত :—আইতাই কৈ গল, মই মানে পতা ৰজা আৰু কৈ গ'ল মানে ৰোৱা গছ, মানে উঘালিবলৈ বেছি পলম নহব! ইওটো কথা। বুঢ়াগোহাঁই ডাঙৰীয়া, এই বিষয়ে ভাবিছেনে? আজি কচিনাথৰ

ঠাইত আপুনিয়ে মোৰ প্ৰধান মন্ত্ৰী। বিশ্বাসঘাতকী ৰুচিনাথৰ ৰাজদ্ৰোহৰ ফলতেই দেশৰ আজি এই অৱস্থা।

কলিবৰ :- স্বৰ্গদেউ! ৰুচিনাথো এক, কলিবৰো এক। স্বৰ্গদেৱে জানে মই জাতিত বুঢ়াগোহাঁইৰ ঘৰৰ আহোমৰ লৰা, ধৰ্ম্মত মই একনিষ্ঠ মায়ামৰা ধৰ্ম্মৰ এক শৰণীয়া। স্বৰ্গদেওৰ চৰণ ছুই মই যি শপথ কৰিছো, তাৰ পৰা মই এক বৰ্ণও পিছলি নপৰো।

চন্দ্ৰকান্ত :—ডাঙৰীয়া আপোনাক মই বিশ্বাস কৰো। এই বাবেই দেশৰ ভবিষ্যত আজি আপোনাৰ হাতত। এতিয়া দেশ উদ্ধাৰৰ উপায় কি?

জয়ি:— ( নিজে নিজে ) পিতৃহন্তা বুঢ়াগোহাঁই ঘৰৰ ৰুচিনাথ এতিয়া ধ্বংস মুখী; ৰাজপৰিয়াল চন্দ্ৰকান্ত সিংহৰ ধ্বংস আনিব পাৰিলেই মোৰ এই মহাব্ৰত সাধন হয়।

চন্দ্ৰকান্ত :—ডাঙৰীয়া, ভাবি-চিন্তি বহি থাকিলে নহয়। আমি এতিয়া কামত হাত দিব লাগে।

কলিবৰ :—স্বৰ্গদেও কামত হাত দিবলৈ হলেই জয়ে জয়ে মান অহা বাটত জয়পুৰত এটা অলঙ্ঘ্য গড় মাৰি কোঠ বহুৱা হওক।

চন্দ্ৰকান্ত :—উত্তম। আপোনাৰ পৰামৰ্শ অতি মূল্যবান। এই কাম ততালিকে সমাধা কৰা হওক। মই আদেশ দিলো, পতাল বৰবৰুৱাই এই কোঠ নিৰ্ম্মাণ কৰক গৈ।

পতাল :—স্বৰ্গদেউৰ আদেশ শিৰোধাৰ্য্য।

চন্দ্ৰকান্ত :—বৰবৰুৱা, সাৱধান কিন্তু কৰ্ত্তব্যত যেন অৱহেলা নহয়।

পতাল :—স্বৰ্গদেও, অসমৰ বতাহ-পানীত যি বেমাৰেই থাকক, ইয়াৰ কিন্তু এটা গুণ আছে, অসমীয়া মানুহ কেতিয়াও কৰ্ত্তব্যত পাচ নপৰে। দেশৰ স্বাধীনতাৰ হকে, এদিন এই অসম সন্তান লাচিত বৰফুকনে নিজৰ মোমায়েকক কাটিও কৰ্ত্তব্য পালিছিল।

সেই মোগল বিজেতা অসমৰ সন্তান নহই পতাল বৰবৰুৱাও। স্বৰ্গদেও, দুৰ্ব্বলী হলেও বিজতৰীয়া হোৱা নাই।

( এনেতে ৰাজমাও সোমাই আহে। )

ৰাজমাও :—বৰবৰুৱা, সঁচা কথা অসমীয়া এতিয়াও বিজতৰীয়া হোৱা নাই। এতিয়াও সময় আছে। ডাঙৰীয়াসকল, মনত ৰাখিব, চন্দ্ৰকান্ত সিংহ নাম মাত্ৰ ৰজা, প্ৰকৃততে দেশৰ শুভা-শুভ আপোনালোকৰ হাতত। আহক এতিয়া, সকলোটি ৺মহামায়াৰ প্ৰসাদ লৈ নতুন কামলৈ সাজু হওক হি।

( জন্মিৰ বাহিৰে সকলোটি ৰাজমাওৰ পাচে পাচে যায়। )

জন্মি :—বেছ হৈছে। দেশত এতিয়াও শৃঙ্খলা লগা নাই। সৈন্য-সামন্ত এতিয়াও বেমেজালিত। এতিয়া মানে যদি সিহঁতৰ অহা পথ বন্ধ কৰা এই গড়ৰ কথা শুনে, তেন্তে অবিলম্বে আকৌ ৰণ হ'ব আৰু মোৰ মনৰ কামনা পূৰ হ'ব, পূৰ হ'ব !

( ওলাই যায়। )

# দ্বিতীয় পট

যোৰহাট—ৰাজকাৰেং বুলনি চ'ৰা।

সময়—বেলি ভাটী দিয়া।

( হাততে মূৰ আঁচোৰাৰ সজুলি লৈ লীলাৱতীয়ে গীত গাই গাই দাপোণ চাই বহেহি। )

গীত

লীলা ঃ— ঐ কুমলীয়া থাবকৈ নোৱাৰি
দাঁত কুমলীয়া ভাগে।
মন কুমলীয়া বুজাব নোৱাৰি
চেনেহৰ সফুৰা লাগে॥
উৰি যা উৰি যা বতাহী বাইটী
ক-গৈ দেৱতাক মোৰ।
এদিন এবেলা নেদেখি জ্বলিছো
দেহাটি পৰিব ওৰ॥

আহ্, আকৌ তেওঁৰ কথা মনলৈ আহে। তেওঁৰ কথা যে মোৰ মনত ইমান দ-কৈ বহিল, নইতো ভবাই নাছিলো। ইমান দ-কৈ বহিল কিয়? আগেয়ে যে মই কাৰো কথা এইদৰে ভবা নাছিলো। আগেয়ে মোৰ অতি মৰমৰ লগৰী আছিল দেৱযানী আইদেও। আইদেওৰ ধেমালিৰ লগৰী হ'বলৈকে স্বৰ্গদেৱে সৰুতে মোক ৰাজকাৰেঙলৈ আনিলে। সেই অৱধি, স্বৰ্গদেৱেই মোৰ পিতা, ৰাজকাৰেঙেই মোৰ ঘৰ আৰু দেৱযানীয়েই মোৰ আদৰৰ ভনী। ইয়াৰ বাহিৰে মই সংসাৰৰ একো কথা

নাজানিছিলো। আজি কিন্তু কত কথা মোৰ মনলৈ আহে। (ভাবে) ৰংপুৰত থাকোতে ডেকাফুকন আমাৰ অতিথি হ'লহি। কোনো কোনো সময়ত তেওঁৰ মই আল-পৈচান ধৰিছিলো। তাৰ পাচত তেওঁ ৰাজকাৰ্য্যত আঁতৰি গ'ল। তেওঁ গ'ল কিন্তু মোৰ হিয়াখনি যেন হঠাৎ উদং হৈ পৰিল! কিয় এনে হ'ল, মই যে বুজিব পৰা নাই! এতিয়া তেওঁৰ কথা ভাবি থাকিলে মই সুখ পাওঁ; তেওঁক দেখিলে এতিয়া মোৰ মন-প্ৰাণ পুলকিত হৈ পৰে।

( দেৱযানী হাঁহি হাঁহি সোমাই আহে। )

দেৱ :— বাইদেউ, বাইদেউ, মনে মনে ইয়াত লুকাই আছাহি। ধৰা পৰিলা হে তেও!

লীলা :— আইদেউ, তোমাক তাঁত ব'বলৈ দি আহিছিলো নহয়!

দেৱ :— বাইদেউ, তুমি এবেগেত হে ব'বলৈ কৈছিলা, মই দু'আংগল বেছিকৈহে ব'লো। ব'লা, চোৱাগৈ! পাচে কালিও খেলা নাই, আজি কড়ি হুধালমান খেলো ব'লা!

লীলা :— আইদেউ, তুমি লাহে লাহে ডাঙৰ হৈ আহিছা, খবৰ হৈছে নে নাই? এতিয়া তাঁতত হে মন দিব লাগে। ব'লা তাঁতৰ গুৰিলৈকে যাওঁ।

দেৱ :— হয় নে বাইদেউ, তুমি দেখোন ৰংপুৰ এৰি আহিবৰে পৰা খেল খেলিবলৈ বেয়া পোৱা হ'লা, কেলেই হো?

লীলা :— ক'তা? সদায় দেখোন খেলিয়ে আছো।

দেৱ :— ইস, মই জানিবা বুজিবহে পৰা নাই! কোৱাঁচোন বাইদেউ, কোৱাঁ, মই কিবা দোষ কৰিলো নে কি?

লীলা :— তোমাৰ দোষ হব'? কেলেই হ'ব আইদেউ?

দেৱ :— তেনে আগৰ দৰে নেখেলা কিয়?

লীলা :— খেলিম বাক। আগধৰি তাঁতখন সামৰি আহো ব'লা।

( দেৱযানীৰ সৈতে লীলা সোমাই যায়। )

( আনফালৰ পৰা ধনেশ্বৰী আহে। )

ধনেশ্বৰী :— এ আই, আইদেউহঁতে মূৰ আঁচুৰি, কাঁকৈ-ফণীবোৰ ইয়াতে পেলাই থৈ গ'ল।

( কাঁকৈ-ফণী তুলি লয়, এনেতে পাচ ফালৰ পৰা গায়নৰ বৰুৱা আহে। )

গাঃ বৰুৱা :— কোন এইয়া ? ধনেশ্বৰী নে ? হে'ৰ' ভিতৰতে আছে নে, কেনিবা ওলাই গ'ল ?

ধনেশ্বৰী :— ( উলটি ) বোলে, "চাপনিখন হেকেৰপেকেৰ, কুলাখন বেঁকা, কোন ক'লৈ গৈছে আমাক তাৰেহে লগা।" কাৰ নো কথা সুধিছা ?

গাঃ বৰুৱা :— হঃ, এতিয়া তই ক'বই নোৱাৰা হলি ? ইয়াকেহে কয় বোলে, "বাৰেটা পৈৰ নাম জান, বেইটা পৈৰ নাম নেজান।"

ধনেশ্বৰী :— যোৱা. "মই ৰূপতী নহওঁ, মোৰ লগত চুপতি কৰি থাকিবলৈ।" কি সোধা, বেগাই সোধা, মোৰ কাম আছে যাওঁ।

গাঃ বৰুৱা :— হেৰ' বাঘেখাতী, বোলো খং কৰিছ কেলেই ? স্বৰ্গদেও আছে নে নাই ?

ধনেশ্বৰী :— আকৌ ফুটাই নো নোকোৱা কেলেই ? ভিতৰতে আছে।

গাঃ বৰুৱা :— তেন্তে, কুমলীয়া পান এগোছিয়ে, সেই পান কৰাৰ সজুলি-টোৰ বস্তু কাৰণৰ কৰণিটো লৈ আহ। মই তামুলীচ'ৰালৈকে আহিছো।

ধনেশ্বৰী :— তোমাৰ ভাগৰ যদি দুটামান টিকিৰা মোকো দিয়া, তেহে বেগাই আনিম !

গাঃ বৰুৱা :— তোক নো মিদিম নে ? তোক নো নিদি কাক দিম অ' ?

ধনেশ্বৰী :— নকৈছো. এনে মৰম হ'লে তো তৰোয়েই। বোলে, "কি নো চেনেহৰ সোঁতা, ধনে পানো খোৱা তিনটা গোটা।"

( গুছি যায়, আনফালে গাঃ বৰুৱা ওলাই যায়। )

# তৃতীয় পট

চাৰিং নগৰ— মাছখোৱা গড় আলি।

সময়—বেলি পৰো পৰো হৈছে।

( জন্মি আছে )

জন্মি :— ইয়াকেই প্ৰেম বোলে নে কি ? জন্মাবধি ভাবি আহিছো, আমাৰ জন্ম প্ৰলয় ধুমুহাৰ মাজত ভূমিকম্পত, ডাঙৰ-দীঘল হৈছো, প্ৰতি খোজে আকাশৰ ঘোৰ বজ্ৰপাত শিৰত লৈ, বিচৰণ কৰিছো দুৰ্গম কণ্টকৰ তীক্ষ্ণ ধাৰৰ ওপৰত। জীৱনত সৌন্দৰ্য্য কাক বোলে, তাক আজিলৈকে বুজা নাছিলো। ( ভাবে ) কিন্তু ই কি হঠাৎ গাভৰুৰ এটা চাৱনি আৰু এষাৰি মাতে মোৰ জীৱনৰ গতিকে ওলোটাই দিলে ! গাভৰুৰ সংসৰ্গ ইমান ভীষণ ! সিংহপ্ৰায় কৰ্কশ পুৰুষকো কোমলাঙ্গী গাভৰুৱে বন্দী কৰিব পাৰে ! ( ভাৱে ) লীলা আইদেউৰ এদিনৰ সামান্য শুশ্ৰূষায়ে মোৰ জীৱন-অভিনয়ত এক নতুন অঙ্ক অৱতাৰণা কৰিলে ! মই এতিয়া ঘোৰ সামস্যাত পৰিছো; একালে পিতৃহন্তা বুঢ়াগোহাঁইৰ ঘৰ আৰু ৰাজপৰিয়ালৰ ওপৰত প্ৰতিশোধ লোৱা, আনফালে লীলা আইদেওক মোৰ অঙ্কশায়িনী স্বৰূপে লাভ কৰা দুয়োটি কাম জানো একেলগেই সমাধা হ'ব ? কোন, যোগেশ্বৰ কোৱঁৰ ! বাৰু এওঁৰ অলপ বেহ-ৰূপ চাওঁচোন।

( গছ এজোপাৰ আঁৰ লয়। )

( আন ফালৰ পৰা যোগেশ্বৰ আহে। )

যোগেশ্বৰ :— হোঃ, মানে আকৌ চন্দ্ৰকান্ত সিংহক ৰাজপাত দিলে ! মানৰজা বড়োফালৈ মোৰ ভনীক দিয়ে চন্দ্ৰকান্ত সিংহই মানৰ পৰা আজি

ইমান সাহাৰ্য পালে ! কিন্তু তাৰ বিনিময়ে মোক কি দিলে ? মই আগেয়ে যিটো, এতিয়াও সেইটো ! হোঃ, মানুহ ওপৰত থাকিলে, তললৈ মনিব নোৱাৰে ! ( ভাৱে ) বাৰু, ব'ৰাগী বাপুয়ে কৈ গ'ল, মোৰ কপালত ৰাজদণ্ড আছে বুলি, তেন্তে কি ৰাজদণ্ডও বৃথা হ'ব ?

( এনেতে জন্মি আগবাঢ়ি আহে ।)

জন্মি :— ( নিজে নিজে ) বে'ছ হৈছে, এৰোঁ ৰাজসিংহাসনৰ সপোন দেখিছে ! ( ফুটাই ) কোঁৱৰ দেখোন ? ক'ৰ পৰা নো আহিলে ?

যোগেশ্বৰ :— কোন ? অ' ডেকা ফুকন ! এই যোৰহাট নগৰৰ ফালৰ পৰা আহিলো । বৰ ভাগৰ লগাত ঘোৰাটো তাতে বান্ধি অলপ ইফাল সিফাল কৰিছো । পাছে, তুমি নো কোন ফালে গৈছিলা ?

জন্মি :— মই নে ? মই ৰংপুৰ নগৰলৈ গৈছিলো । পাছে শুনিছে নে এটা কথা, এই বেলিৰ পৰা আৰু আমাৰ দেশলৈ মান আহিব নোৱাৰে ।

যোগেশ্বৰ :— কিয় ? স্বৰ্গদেৱে কিবা আদেশ প্ৰচাৰ কৰিছে নে কি ?

জন্মি :— আদেশেই নহয়, জয়পুৰত কোঠ মাৰিবলৈ পতাল বৰবৰুৱাক পঠিয়াইছেও ।

যোগেশ্বৰ :—মান যে আমাৰ মিত্ৰ । মোৰ ভনীক যে মান ৰজালৈ বিয়া দিছে!

জন্মি :—আপোনাৰ হে মিত্ৰ । স্বৰ্গদেওৰ আকৌ কেনেকৈ মিত্ৰ হ'ব ? মানবো এখন দেশ, আমাৰো এখন দেশ ।

যোগেশ্বৰ :— ( নিজে নিজে ) মাজমূৰত তেন্তে মোৰ হে মিত্ৰচ্ছেদ হবগৈ ; তেন্তে কৰো কি ? ( ফুটাই ) তেন্তে, মান দেশৰ লগত আৰু আমাৰ অহা-যোৱা নেথাকে ?

জন্মি :— অহা-যোৱা আৰু কেনেকৈ থাকিব ? অহা-যোৱা যদি

থাকিবলৈকে হয়, তেন্তে, বাটত এটা ডাঙৰ কোঠ মৰাব কিয় ? ( নিজে নিজে ) কোঁৱৰৰ গতি-মতি বেয়া দেখিছো। কোঁৱৰে যদি কিবা এটা কৰে ৰণ অনিবাৰ্য্য !

যোগেশ্বৰ ঃ— ডেকাফুকন, কথাটো ভালো হৈছে, বেয়াও হৈছে। অৱশ্যে মোৰ আৰু মোৰ ভনীৰ পক্ষে। ৰজাৰ আদেশ যেতিয়া আৰু উপায় কি ? বাৰু, সন্ধ্যা লাগি আহিছে, এতিয়া যাওঁ।

( ওলাই যায় )

জন্মি ঃ— মই ভবাটোৱেই যদি হয়, তেন্তে মানে আকৌ ৰণ দিব। তেতিয়া, তেতিয়া এই পিতৃহন্তা সকলৰ ওপৰত প্ৰতিশোধ ল'বলৈ সোণালী সুযোগ ওলাব ! ( লাহে লাহে ওলাই যায়। )

## চতুৰ্থ পট

যোৰহাট—ৰাজকাবেঙৰ দাতিৰ এটি আলি।
আলিৰ এদাতিয়ে পুখুৰী, এদাতিয়ে ফুলনি।

সময়—আবেলি।

ধনেশ্বৰী :— বোলে—"গা ধুই উঠিলো, দেউতাক সুধিলো,
কি ফুল পিন্ধিব পায়।
সেউতি নিপিন্ধো, মালতী নিপিন্ধো,
পিন্ধো নই খৰিকাজাই॥'

পুৰাতে একুকি নহয় দুকুকি ফুল তুলি দিলোগৈ, সেইবোৰ মন নেথালে। এইবাৰ বোলে খৰিকাজাই নিব লাগে। উস্ জীয়াৰী হল বুলিনো ইমান লাহ নাহে নে? দিনটোত এই ছোৱালী দুজনীৰ কাম হৈছে মাথোন চুলি মেলি ফুল গুথিব আৰু পঁচি খেলিব। কতবাৰ যে দাপোণত মুখ চাই, কতবাৰ যে সেওঁতা ফালে আৰু কত ধৰণেৰে পেঁচ কাটে আমাৰ দেখিয়ে আমনি লগে দেও! তেওঁ এই ছোৱালী দুজনীৰ হেঁপাহ নপলায়। হওঁতে, আমিও এদিন জীয়াৰী আছিলো, সেই বুলি আমি আৰু দিনটোত ইমান ৰূপ ধৰি চ'তাই পাখৰী হোৱা নাছিলো।

ইয়াকেহে কয়,—

"এইনো যৌৱনক গৰ্ব্ব কৰিছা
চিৰ দিন থাকিব বুলি।
মাটিৰ এঁৰা শৰীৰ মাটিতে পৰিব
জনমলৈ খিয়াতি দি॥"

( এনেতে দুৰণিৰ দ'লি এটা ধনেশ্বৰীৰ ভৰিত পৰেহি।)

দলিয়াব নেলাগে, আমি ত'তে চিনিছো।
বোলে,—
"ত'তে দেখিলো এথেতে চিনিলো
সেই জুৰি মোৰ ধনৰ ভৰি।
শালে কটা ছুৰীয়া গুণাকটা খনিয়া
আছে তিৰ-বিৰ কৰি"
আহাঁ আহাঁ লুকাব নেলাগে।

( গায়নৰ বৰুৱা হাঁহি হাঁহি সোমাই আহে। )

গাঃ বৰুৱা :— আও, তোৰ দেখোন যোজোনাৰ তাপত ওচৰেই চাপিব নোৱাৰি। পাছে, আজিনো কাক বৰিবলৈ ইমান ফুল তুলিছ?

ধনেশ্বৰী :— ৰজাৰ জী আইদেউক।

গাঃ বৰুৱা :—ৰজাৰ পো কোৱঁৰক বুলি ক। তেহে কথাটো ৰজিতা খাব।

ধনেশ্বৰী :—যোৱা, যোৱা, ভেঙ্গুচালি নকৰিবা।
বোলে—
"এনেয়ে মৰিছো ঋষিৰ শাপত। তাতে আকৌ দিছাহি ধানৰ ভাপত॥"

গাঃ বৰুৱা :— খং নো খাব কেলেই? ভালক বুলি কথা সুধিছো, উত্তৰ দিব পাৰ।

ধনেশ্বৰী :— বোলে —
"কৰ্ণতেই কলা। যঁতৰতে শলা॥"
নকৈছো, আইদেউলৈ বুলি।

গাঃ বৰুৱা :— বাৰু, পাছে কানিপানৰ মজুলিটো উলিয়াই থৈ আহিছ নে?

ধনেশ্বৰী :— ফুলনিতো তোমাৰ সেই কানিপানৰ হে কথা।
ভালেতো কয়,—
"কানীয়ালৈ নেযাবি কানি দিব লাগিব
বাতি দিব লাগিব মাজি।

কানি তিতা মাৰোতে　　পিঠা দিব লাগিব
তাকো দিব লাগিব ভাজি ॥"
যোৱা, যোৱা, সকলো ঠিক হৈ আছে !

গাঃ বৰুৱা :— মই অকলৈ যাম নে? তমো ব'ল !

ধনেশ্বৰী :— তুমি আৰু নেৰা ! ব'লা বাৰু !

( গাঃ বৰুৱা আগে আগে আৰু ধনেশ্বৰী পাছে প্যছে যায়। )

( আন ফালৰ পৰা ৰহিলা আৰু মিৰি-গাম আহে। )

ৰহিলা :— মই আৰু পিতাই তোমাক কৈছো নহয় ! গোহাঁইদেও অহাৰ পৰা মোৰ আৰু মনটো বৰ বেয়া লাগিছে। কিয় যে বেয়া লাগিছে, ময়ে কব নোৱাৰো। তোমাক নো আৰু কেনেকৈ কওঁ !

মিৰি :— ৰহিলা, তই মোৰ জী ! তই মোক মিছা কথা নকবি। ৱি সোধো স'চা কথা কবি !

ৰহিলা :— কম তো স'চা। পিতাইক নো আৰু মিছা কথা কম নে ?

মিৰি :— স'চা কবি দেই ! বাৰু, কচোন দৌতাটোয়ে তোক বিয়া কৰাম বুলিছিল নে কি অ' ?

ৰহিলা :— উ আই ! তেনে কথা নক'বা অ' পিতাই ! তেওঁ বিয়াৰ কথা মোক কেতিয়াও কোৱা নাই ! গোহাঁইদেওটো বৰ ভাল মানুহ আছিল। তেওঁ ভাল ভাল কথা কৈ মোক পাবেমানে ইঁহুৱাইছিল।

মিৰি :— তোক তেনে আজলী ছোৱালী পাই, সি আহুদি কৰি গ'ল। তাক তেনে মই কাটিম, কাটিম, কাটিম !

ৰহিলা :— এনে কথা ন'কবা অ' পিতাই ! তেওঁক কাটিবলৈ হ'লে আৰু মোকে কাটি থোৱা। গোহাঁইদেও বৰ ভাল মানুহ

পিতাই, তেওঁ মোক বেয়া কথা একো কোৱা নাই! মোক আহুদিও কৰা নাই।

মিৰি :— তেন্তে নো তাক কেলেই বিচাৰিছ? যদি তাক বিয়াকে নকৰ। ব'ল তেনে চাওঁলৈ উলটি যাওঁ!

ৰহিলা :— বুইছ পিতাই! ক'ব নোৱাৰো, কেলেই যে গোহাঁইদেও অহাৰ পৰা মই আৰু চাঙত থাকিব নোৱাৰা হ'লো, সেই দিনাৰ পৰা মোৰ আৰু মনটো কৰবালৈ উৰি উৰি যায়গৈ, গাটোত সৰিয়হ ফুটাৰ দৰে ভম্ ভমাবলৈ ধৰে। সেইবাবেহে গোহাঁইদেওক চাওঁলৈ নিবলৈ আহিছো।

মিৰি :— ৰহিলা, তই আৰু ইমান জনী হলি এতিয়াও আজলী হৈয়ে আছ। গোহাঁইদেও ডাঙৰ মানুহ। সি নো আমাৰ মিৰি চাওঁলৈ যাব নে?

ৰহিলা :— যাব তো। গলে মই ভাল পাম বুলি কম, আৰু যাব।

মিৰি :— যদি নেযায়?

ৰহিলা :— যদি নেযায়, মই আৰু চাওঁলৈ উলটি নেযাওঁ। তেওঁ য'তে থাকিব, ময়ো ত'তে থাকিম। বুইছ পিতাই, গোহাঁইদেওক নেদেখিলে মই হ'লে মৰিম আৰু।

মিৰি :— ৰহিলা তই মিৰিৰ ছোৱালী হৈ কি কথা কৈছ ঐ? ব'ল বাৰু তাৰ ঘৰ বিচাৰি যাওঁ। যদি নেপাওঁ, তোক আৰু এইবাৰ মিৰি ডেকা এটাকে দিম গৈ।

( ৰহিলাৰ হাতত ধৰি মিৰি গাম ওলাই যায়। )

## পঞ্চম পট

**জয়পুৰ—পতাল বৰবৰুৱাৰ কোঠ।**

**সময়—বেলি পৰো পৰো হৈছে।**

(পতাল বৰবৰুৱা আৰু নোমল হাজৰিকাই কথা পাতি পাতি সোমাই আহে।)

পতাল :— হাজৰিকা, প্ৰায় ছমাহ হ'লহি, তেও গড়টো তৈয়াৰ ন'হল! স্বৰ্গদেউৰ আদেশ আছিল তিনিমাহৰ ভিতৰত গড় তৈয়াৰ কৰা। তোমালোকৰ গাফিলিত মোৰো বদনাম হৈছে। কালি ইমানকৈ ক'লো পৰ্ব্বতৰ ফালৰ গড়টো আজি সম্পূৰ্ণ হ'বই লাগিব। এতিয়া তুমি কৈছাহি, গড়টোৰ আধাও নহ'ল। তুমি এতিয়া দণ্ড পাবৰ যোগ্য নোহোৱা নে?

হাজৰিকা :— বৰবৰুৱা দেউতা, কাটক বা মাৰক, দাসৰ আৰু উপায় নাই। পৰ্ব্বতৰ ফালে কাম কৰা মানুহবোৰৰ সংহ ভাগেই নগৰৰ পৰা লৈ অহা মান মানুহ। সিহঁতে একেবাৰে কাম নকৰে। কাম কৰিবলৈ ক'লে, সিহঁতে ঠেওকালি জুৰি বহে হে। দেউতাই বিশ্বাস নকৰে বুলি লগতে সিহঁতৰ মান দুটাও আনিছো। দেউতাই হুকুম দিলে, সিহঁতক ইয়ালৈকে আনিব পাৰো?

পতাল :— বাৰু, লৈ আহা সিহঁতক! (হাজৰিকা ওলাই যায়।) (নিজে) মই সেইটো আগেয়েই বুজিছিলো। সেই বাবেই সিহঁতক মই তেতিয়াই নানো বুলিছিলো। বুঢ়াগোহাঁয়ে কেৱল মানে সেকা পাওক বুলি মোৰ লগত পঠালে। সিহঁত আছে আমাৰ দেশত চকু-মুদি থাবলৈ, সিহঁতে কি আমাৰ কাম কৰি দিব?

( এনেতে হাজৰিকাই মান দুটাক চাওদাং দুটাক দি লৈ আহে)
সঁচা নে, তইঁতে কামত বৰ গাফিলি কৰিছ? নেজান নে, কামত গাফিলি কৰা মানুহক কঠোৰ দণ্ড দিয়া হয়?

এটা মান :— জানো! আৰু জানো নিষ্ঠে জাল পাতি, জালত পৰাতকৈ হেনে জাল নতৰিবলৈ।

পতাল :— মান, সাৱধানে কথা ক'বি; নতু তইঁতক বন্দী কৰিবলৈ হুকুম দিম।

এটা মান :— যদি সাধ্য আছে।

পতাল :— কি সামান্য মান? তইঁতৰ ইমান কথা! নেজাননে এই দেশ অসম দেশ, মান দেশ নহয়!

এটা মান :— জানো, এই দেশ অসম দেশ, আমাৰ কৰতলীয়া দেশ।

পতাল :— মান! কি? ইমান কথা! হাজৰিকা, মান মাত্ৰেই ততালিকে বন্দী কৰা! ইহঁতক এটা এটাকৈ শূলত দিবা। যোৱা!

এটা মান :— বৰবৰুৱা, সাৱধানে কথা কবি।

পতাল :— ( খঙত অধীৰ হৈ ) হাজৰিকা, হাজৰিকা, তুৰন্তে ইহঁতক বন্দী কৰা, এফালৰ পৰা শূলত দি দি বধ কৰা।

( হাজৰিকা আৰু চাওদাঙে মান দুটাক বন্দী কৰিবলৈ ধৰে, মান এটাই বাঁহী বজাই দিয়ে, বাঁহীৰ মাতত অসংখ্য মান সেনা লৈ মিঙিমাহা তিলোৱা সোমাই আহে আৰু পতাল আদি সকলোৱে চক্ খাই উঠে। )

মিঙিমাহা :— হাঃ হাঃ হাঃ, মানক বন্দী কৰিবি, ইমান সাহস অসমীয়াৰ! চিনিব পাৰিছ নে কোন মই? মই, মই, প্ৰবল প্ৰতাপী মান সেনাপতি মিঙিমাহা তিলোৱা! সৈন্যবোৰ, বৰবৰুৱাক বন্দী কৰ!
( মান সেনাই বৰবৰুৱাক ধৰিব খোজে। হাজৰিকা আৰু

চাওদাং দুটা পলায়। বৰবৰুৱাই তৰোৱাল উলিয়াই মিঙিমাহাৰ ওচৰ চাপে।)

পতাল :— মিঙিমাহা, গুপ্তভাৱে কিয় আহিলা? এতিয়াও কোৱা, মিত্ৰভাৱে আহিছা নে শত্ৰুভাৱে আহিছা?

মিঙিমাহা :— মান নৰপতি আৰু অসমৰ মিত্ৰ নহয়। তোমালোকে মিত্ৰ-দ্ৰোহ কৰি ইয়াত জয়পুৰত গড় মৰাৰ উদ্দেশ্য কি? মই মিত্ৰদ্ৰোহৰ প্ৰতিফল দিবলৈ আহিছো।

পতাল :— মিঙিমাহা, ছিঃ, কি ভুল কৰিছা? দেশত প্ৰজাৰ মঙ্গলৰ অৰ্থে গড় বান্ধিলে, পুখুৰী খান্দিলে, আমি কৰালে মিত্ৰদ্ৰোহ হয় নে কি? ভুল সংশোধন কৰা, মিঙিমাহা! এতিয়াও কোৱা, মিত্ৰ বুলি, অতিথি স্বৰূপে তোমাক সম্ভাষণ কৰো।

মিঙিমাহা :— হাঃ হাঃ হাঃ, বৰবৰুৱা, তুমি ভাবিছা, আমি অতি মূৰ্খ! তোমাৰ মৌসনা কথাত আমি আমাৰ উদ্দেশ্য পাহৰি যাম। নহয়, নহয়, বৰবৰুৱা, মৃত্যুৰ নিমিত্তে সাজু হোৱা! সৈন্যবোৰ কি চাই আছ, বন্দী কৰ ততালিকে।

পতাল :— বুজিলো, মিঙিমাহা! চোৰৰ দৰে আহি অতৰ্কিতে আক্ৰমণ কৰিছ! নৰাধমহঁত! ভাবিছ নে মোক জীৱিতাৱস্থাত বন্দী কৰিব পাৰিম বুলি? সাৱধানে নিজক ৰক্ষা কৰ!

(ৰণ দিবলৈ উদ্যত হয়।)

(ততালিকে মিঙিমাহা তিনোৱাই বাঁহী বজায় আৰু অসংখ্য মান সৈন্য কিৰিলি মাৰি আহি, চাৰিউফালৰ পৰা পতালক আক্ৰমণ কৰি বাহিৰলৈ ঠেলি লৈ যায়। মিঙিমাহা তাত অকলৈ থাকে। বাহিৰত অস্ত্ৰৰ ঝন্‌ঝননি শব্দ হয়।)

মিঙিমাহা :— (যুদ্ধ নিৰীক্ষণ কৰি) আচৰিত, আচৰিত, অকল এটা অস-মীয়া পতালে মোৰ সহস্ৰ সৈন্যৰ মাজত অকলৈ তৰোৱাল খেলি

নাচিবলৈ ধৰিছে! বখানো তোৰ অস্ত্ৰ-শিক্ষা, বখানো তোৰ বীৰত্ব? কিন্তু কলৈ সাৰিবি পতাল! মৃত্যু তোৰ সন্নিকট! সৈন্যবোৰ, পতালক বন্দী কৰ, বন্দী কৰ, বধ নকৰিবি, বন্দী কৰ! ( এনেতে সৈন্যবিলাকে তেজেৰে বাওলী কৰি পতালক বন্দী কৰি লৈ সোমাই আহে। পতালে কথনপি সৈন্যৰ গাত আউজি থিয় হয়। )

বৰবকৰা, তই এতিয়া মোৰ বন্দী! বন্দী স্বৰূপে তোক মই ক্ষমা কৰিব পাৰো ; তই যদি মোৰ চৰণ ছুই, অপৰাধ স্বীকাৰ কৰি মানৰ শৰণাপন্ন হব।

পতাল :— ( গা জীকাৰি ) কি ক'লি, অসভ্য বৰ্ব্বৰ নীচ মিঙিমাহা! চোৰৰ দৰে আহি অলক্ষিতে আক্ৰমণ কৰি ভাবিছ নে অসম জয় কৰিব পাৰিম বুলি? উস্ মই বন্দী এতিয়া, নতু পদাঘাতত তোৰ মূৰ চুৰ্ণ কৰি, তোক বুজালোহেঁতেন, অসভ্য বৰ্ব্বৰ মানৰ ঘৃণিত চৌৰ্য্য অপৰাধৰ প্ৰতিফল কি? কিন্তু..........

মিঙিমাহা :— ( খঙত অধীৰ হৈ। ) বিশ্বাসঘাতক অসমীয়া, মানৰ উপকাৰ ইমান সোনকালে পাহৰি গ'লি! যি মানে তহঁতৰ দেশ শত্ৰুৰ গ্ৰাসৰ পৰা এদিন মুক্ত কৰি দিছিল, সেই পৰম উপকাৰী মান আজি হ'ল অসভ্য ঘৃণিত বৰ্ব্বৰ! আৰু তহঁত অসমীয়া হ'লি, আজি উপকাৰীৰ মূৰত পদাঘাত কৰি, সাধু, শান্ত, সভ্য, জাতি! ইমান দম্ভ তহঁতৰ! অসমীয়া, অসমীয়া, তহঁতৰ অপৰাধৰ যথোচিত শাস্তি মিঙিমাহা তিলোৱাই বিচাৰি পোৱা নাই! তহঁতৰ শাস্তি প্ৰাণ দণ্ডেই যথেষ্ট ন'হব। তহঁতৰ হিয়াৰ পৰা কলিজা টানি আনি—

( বুলি হঠাৎ মিঙিমাহাই পতালক আক্ৰমণ কৰিবলৈ যায়। )

পতাল :— ( খঙ্গত ) মিঙিমাহা, মিঙিমাহা !

( মিঙিমাহাই আক্ৰমণ কৰি ওপৰা ওপৰিকৈ অস্ত্ৰ মাৰে, পতালে "উঃ" বুলি পৰি যায়। )

মিঙিমাহা :— ( জাপ মাৰি ) যা, চিৰদিনলৈ নিদ্ৰা যা ! ( ৰাঙলী হাতলৈ চাই ) হাঃ হাঃ হাঃ, অসমীয়াৰ বুকুৰ তেজ ! আৰু লাগে, আৰু লাগে ! সৈন্যবোৰ আগ বাঢ়া, গড় চুৰমাৰ কৰি আগ বাঢ়া ! চাৰিউফালে জুই লগাই দিয়া !

( সৈন্যবিলাকে কিৰিলি মাৰি চাৰিউফালে জুই লগাই দিয়ে )

( লাহে লাহে ৰাতিৰ আন্ধাৰ হৈ আহে, আন্ধাৰত জুই জ্বলি উঠে। )

মিঙিমাহা :— মিত্ৰদ্ৰোহী অসমীয়া ! আজি দেখুৱাম, মিঙিমাহা তিলোৱাৰ শক্তি কিমান, যি দিনা অসম ধ্বংস কৰি, দেশ এফালৰ পৰা ছাৰ-খাৰ কৰি পেলাম। সেই দিনা, সেই দিনা, প্ৰত্যেক অসমীয়াই বুজিব, পতাল বৰবৰুৱাৰ হত্যাকাৰী মিঙিমাহা তিলোৱা অসভ্য ঘৃণিত বৰ্ব্বৰ মান নহয়—প্ৰতিহিংসা পৰায়ণ, মহাশক্তিমান, অসমীয়াৰ সংহাৰকাৰী মান সেনাপতি মিঙিমাহা তিলোৱা বজু !

---

# চতুৰ্থ অঙ্ক

## প্ৰথম পট

### যোৰহাট—ৰাজকাৰেং তামুলী চ'ৰা।

সময়—গধূলি।

( চন্দ্ৰকান্ত সিংহ আৰু গায়নৰ বৰুৱা বহি থাকে। ধনেশ্বৰীয়ে আলপৈচান ধৰে! কেউফালে নাচনীবিলাক থিয় হৈ থাকে। )

চন্দ্ৰকান্ত :— গায়নৰ বৰুৱা, তুমি "অমৰ-কোষ" প'ঢ়ছা নে? "অমৰ-কোষত" কানিৰ আৰু কিবা নাম আছে নে, জানা নে? ইয়াৰ গুণটো চাই, নামটো ঠিক ন'হল।

গাঃ বৰুৱা :— স্বৰ্গদেউ!

চন্দ্ৰকান্ত।— ইয়াৰ গুণটো যেনে, তালৈ চাই, ইয়াৰ নামটো হ'ব লাগিছিল, ঠিক দেৱতা সকলে পান কৰা অমৃতৰ দৰে।

গাঃ বৰুৱা :— স্বৰ্গদেউ, বুঢ়ালোকৰ মুখে শুনিছো, কানিটো আচলতে স্বৰ্গৰ বস্তুহে। কোনোবাই তপস্যা কৰিহে ইয়াক মৰ্ত্ত্যলৈ নমাই আনিলে।

চন্দ্ৰকান্ত :— কথাটো শুনা নহয়, একেবাৰে সচাঁই। গায়নৰ বৰুৱা, কানিৰ নিছাটো গাত নেথাকিলে, মই যে অসমৰ ৰজা, তাক ভাবিবই নোৱাৰো। ক'ৰবাৰ যেন ভিকহুতকৈয়ো মই তলৰ হে, এনে অনুমান হয়। কিন্তু যেতিয়াই নিছাটো গাত লগাই ললো, অসম দেশ কি স্বৰ্গ-মৰ্ত্ত্য-পাতাল, তিনিও ত্ৰৈলোকৰ ৰজা হলো যেন ভাব হয়।

গাঃ বৰুৱা :—স্বৰ্গদেউ!

চন্দ্ৰকান্ত :— গায়নৰ বৰুৱা. অলপ গীত-নাচ হওক. ৰাতিও হৈ আহিছে।

গাঃ বৰুৱা :— স্বৰ্গদেউ !

( বেহেলা এখন হাতত লৈ নাচনী নচুৱাবলৈ কাৰবাৰ কৰে )

( এনেতে দুৱৰীয়ে সেৱা কৰি এখন কাকত দিয়েহি। )

দুৱৰী :— স্বৰ্গদেউ-ঈশ্বৰ, ৰাজ-চ'ৰাৰ দূতে, এই খন কাকত দি জনাইছে, ৰাজ-চ'ৰাত কিবা মেল বহিছে। স্বৰ্গদেউ-ঈশ্বৰ বোলে মেললৈ যাব লাগে।

চন্দ্ৰকান্ত :— এতিয়া ? ৰাতি ? ৰাজ-চ'ৰাত মেল ? যা এতিয়া ! এতিয়া ৰাজ্যৰ কথা নেভাবো !

( কাকতখন মোহাৰি পেলাই দিয়ে, দুৱৰী ওলাই যায়। ) সময় অসময় নাই, কেৱল ৰাজকাৰ্য্য ! ৰাজকাৰ্য্য ! অলপ আৰাম লবলৈকো নিদিয়ে। গায়নৰ বৰুৱা, কতা ? গীত ধৰা ! ( গায়নৰ বৰুৱাই বেহেলা বজাই গীত ধৰে আৰু নাচনী বিলাকেও লগে লগে গাই, নাচে। )

## গীত

ৰূপৰ মদিৰা বাতিত ভৰাই।
আনিছো যতনে ফুলৰ শৰাই ॥
লোৱা হাতে মেলি,
ধৰা আকোৱালী,
টগৰ, মালতী, থৰিকাজ'াই ॥
● লাগে কোনে পাহি,
কোৱা আগে বাঢ়ি,
কামিনী কাঞ্চন ফুলৰ শৰাই ॥

(এনেতে কলিবৰ বুঢ়াগোহাঁই আৰু নোমল হাজৰিকাই ৰজাৰ চৰণত তৰোৱাল থৈ সেৱা জনায়হি। সকলোৱে বুঢ়াগোহাঁইক দেখি চক্ খায়।)

চন্দ্রকান্ত :— আঃ, আপোনালোকে মোক অলপ আৰাম লবলৈ নিদিয়ে। বুঢ়াগোহাঁই ডাঙৰীয়া, আপোনাক মই ভুল কৰি ৰাজমন্ত্রী পাতিলো। সময় অসময় নাই, কেবল ৰাজকার্য্য! ৰাজকার্য্য। যাওক এতিয়া; কালিলৈ পুৱা আহিব।

কলিবৰ :— (সকলোলৈকে) তোমালোক যোৱা এতিয়া!

(চন্দ্রকান্ত আৰু নোমল হাজৰিকাৰ বাহিৰে সকলো ওলাই যায়।) স্বৰ্গদেউ!

চন্দ্রকান্ত :— ডাঙৰীয়া, কি এনে বিশেষ কথা যে মোক অলপ জিৰণি লবলৈ নিদিয়ে? কালিলৈ শুনিলে, নহব নে?

কলিবৰ :— স্বৰ্গদেও, এতিয়াই শুনিব লাগিব, ই সাধাৰণ কথা নহয়। জয়পুৰৰ পৰা এই মাত্র এই নোমল হাজৰিকাই আহি সংবাদ দিছে, মান দেশৰ পৰা অসংখ্য মান আহি পতাল বৰবৰুৱাক হত্যা কৰিলেহি।

চন্দ্রকান্ত :— মান? পতাল বৰবৰুৱাক হত্যা কৰিলে? কয় কি ডাঙৰীয়া?

কলিবৰ :— জয়পুৰৰ গড় চুৰ-মাৰ কৰি, সিহঁত এতিয়া নগৰৰ ফালে কিৰিলি মাৰি আহিছে।

চন্দ্রকান্ত :— মানে মিত্রদ্রোহ কৰিলে? কিয়?

কলিবৰ :— এওঁ, হাজৰিকাই কৈছে, সিহঁতে গুপ্তভাবে ইয়াৰ পৰা কাম কৰিবলৈ যোৱা মানৰ লগত লুকাই আছিলহি। এইবাৰ মানে স্ব-ইচ্ছাই অসম লবলৈ আহিছে।

চন্দ্রকান্ত :— হোঃ, অসমত আকৌ মান? ডাঙৰীয়া, আহক আইতাৰ লগত এই বিষয়ে এতিয়াই এটা মীমাংসা কৰোগৈ।

(তিনিও ওলাই যায়।)

---

# দ্বিতীয় পট

## যোৰহাট—ৰাজকাৰেং পুখুৰী পাৰৰ ফুলনি।

### সময়—আবেলি।

(লীলা আৰু জন্মি কথা পাতি পাতি সোমাই আহে।)

লীলা :— মই নকৈছো, আপোনাৰ চকু যুৰিয়েই আপোনাক ধৰা পেলাইছে !

জন্মি :— মোক ধৰা পেলাইছে ? কেনেকৈ ?

লীলা :— মনত পৰে নে, ৰংপুৰত স্বৰ্গদেউ থাকোতে আপুনি আমাৰ আলহি হৈছিল যে? তেতিয়া আমি ফুলনিত থাকোতে, আপুনি স্বৰ্গদেউৰ সৈতে সেই পিনেই গৈছিল নহয়? আৰু যাওঁতে যে আপুনি আমাৰ ফালে কেৰাহিকৈ চাই গৈছিল, তেতিয়াই আমি বুজিছিলো, আপুনি সাধাৰণ লোক নহয়।

জন্মি :— সাধাৰণ নহৈ নো কি কৰিলো ?

লীলা :— (হাঁহি) আকৌ সুধিছে হে? তেন্তে কওকচোন বাৰু, কেনেকৈ নো মোৰ লগত বন্ধুত্ব কৰিলে ?

জন্মি :— তোমাৰ এইটো সজ গুণৰ পৰিচয়।

লীলা :— থক, থক, মোৰ এনে সজ গুণ বোৰ আছে ! হেৰি, ঠাট্টা কৰিছে কেলেই ?

জন্মি :— এতিয়া, সচাঁ কথা ক'লত, মই ঠাট্টা হে কৰিলো ?

লীলা :— বাৰু, সেইবোৰ থক। কি নো কথা কওঁ বুলিছিল ; এতিয়া কওকচোন !

জন্মি :— (নিজে নিজে) এনে এটি আজলী ছোৱালীক কোন সতেনো সচাঁ কথা কৈ মনত কষ্ট দিওঁ ! ঈশ্বৰৰ কি ইচ্ছা ! মোৰ ব্ৰতত ইমান বাধা কিয় ? তিৰোতাৰ বান্ধোন, যদিও ই

কুসুমৰ দৰে কোমল, কিন্তু ইয়াক ছিঙিব খুজিলে বজ্ৰতকৈও কঠিন হয়! বিষম সমস্যা!

লীলা :— ব'ল দেখোন, নকয় কিয়?

জন্মি :— ক'ম বাক। মই ভাবিছো, সৌ কঠুৱা কাঁইটীয়া গোলাপ গছত, এনে ধুনীয়া কোমল ফুলপাহি নো কিয় ফুলিলে?

লীলা :— আকৌ আপোনাৰ সেই দাৰ্শনিক কথা। বুজিছে নে, এনে দৰ্শনৰ মেৰ-পাকত আমি সোমাব নোৱাৰো। আঁতৰিয়ে যাওঁ তেনে!

(যাব খোজে।)

জন্মি :— বাক, শুনা, শুনা!

লীলা :— (উলটি) কওক বাক!

জন্মি :— (হাঁহি) সচাঁ কথা কবলৈ হ'লে, কবলৈ একোটোৱেই নাই। ওলাই আহি পৃথুৱী পাৰত দেখা পাই, বোলো কথাকে একেষাৰ পাতো। বেয়া নেপাবা দেই, আইদেউ!

লীলা :— এঃ, মই নো বেয়া পাওঁনে? বাক, কওকচোন, আপুনি মানৰ ৰণলৈ কেতিয়া যাব?

জন্মি :— তুমি মনত পেলাই দি ভালকে কৰিলা, আইদেউ! স্বৰ্গদেউৰ হুকুম হ'লে, আজি ৰাতিয়েই যাব লাগিব। পুৰা এদল সৈন্য আমাৰ গৈছে। বাক আইদেউ মই আহো এতিয়া।

(ওলাই যায়।)

লীলা :— (ডেকাফুকন যোৱালৈ চাই থাকি হুমুনীয়াহ পেলাই) যাওঁ, দেৱ আইদেউৰ ওচৰলৈকে যাওঁ।

(লাহে লাহে গুচি যায়।)

---

# তৃতীয় পট

যোৰহাট—দূৰণিত ছেউনি আলি।
আলি কাষত পুখুৰী আৰু বৰ গছ।
সময়—দুপৰীয়া।
( আউলী-বাউলী বেশেৰে ৰহিলা আহে )

## গীত

ৰহিলা :— আইকো তেজিলো বোপাইকো তেজিলো
তেজিম সমনীয়া ভাই।
তোমাক ঐ লাহৰী! তেজিব নোৱাৰো
মৰিম বৰে বিহ খাই॥

আহিলো, বহুত আহিলো, আজি পাঁচ দিন আহিলো। পিতায়ে আৰু মোক ইয়াত ধৰিবহি নোৱাৰে। উস্, মই পিতাইক ক'লো, মই বিয়া নকৰাও, মই গোহাঁইদেউক বিচাৰি আনি আকৌ চাঙতে ধেমালি কৰি থাকিম হি। পিতায়ে কিন্তু নুশুনিলে। ক'ৰ সেইটো মিৰি ডেকা আনি কৈছে, ইয়াক বিয়া কৰ! মই কেনেই বিয়া কৰিম? সেই কাৰণে, চাঙৰ পৰা পলায়ে আহিলো। এতিয়া কাক বিয়া দিয়ে দিয়ক। মোক আৰু বিয়া দিবলৈ ক'ত পাব? মই আৰু আহিলো। সিবাৰ গোহাঁইদেউক নি দিম বুলি পিতায়ে কত কথা কৈ লৈ গল। এইবাৰ হ'লে গোহাঁদেউক নেপাওঁ মানে, মই চাঙলৈ নেযাওঁ নহয়! যাওঁ, এইবাৰ গাৱেঁ-গাৱেঁ, ঘৰে-ঘৰে, হাবিয়ে-হাবিয়ে, পাত-পাতকৈ বিচাৰিম

নহয়? মই মিৰিৰ ছোৱালী, মোৰ হাতৰ পৰা নো গোহাঁইদেও কেনেকৈ সাৰে, চাওঁ!

গীত

আইনো মাতে-মাতৰ, বোপাই মাতে-মাতৰ
মাততে জুৰুলা হ'লো।
ঘৰৰ কামে-কাৰ ঘৰতে এৰিলো,
তোমাৰ লগত বলিয়া হ'লো॥

(গীত গাই গাই ওলাই যায়।)

(আনফালৰ পৰা যোগেশ্বৰ ভাবি ভাবি আহে।)

যোগেশ্বৰ :— মান আহি গড়গাওঁ পাইছে। কটকীয়ে কলে, মান সেনাপতিয়ে মোক লগ পাব খুজিছে। (ভাবে) মোৰ কপালৰ ৰাজদণ্ডৰ সাৰ্থকতা হ'ব নে কি? এইবাৰ আৰু ইবোৰ-সিবোৰ কথা নহয়; মান সেনাপতিৰ লগত এতিয়াৰ পৰাই যোগ দিম। সিহঁতৰ লগত মিল থকাটো একো দোষৰ কথা নহয়। সিহঁত মোৰ পৰ নহয়, মোৰ ভনী-জোঁৱাই মান ৰজাৰ হে মানুহ!

(চক্ৰধৰ আহে।)

চক্ৰধৰ :— কোন সেইয়া? কোঁৱৰ নে? আপুনি দেখোন এতিয়াও ইয়াতে? স্বৰ্গদেউৰ আদেশ শুনা নাইনে, গড়গাৱঁত মানক আগভেটি ৰণ দিবগৈ লাগে!

যোগেশ্বৰ :— অ' তুমি চক্ৰধৰ! তুমিও ৰণলৈ ওলাইছা নে কি? দাঁৰি ঠুটিৱাই নাই, ৰণ কৰিব পাৰিবা নে?

চক্ৰধৰ :— কিয়? কিয় নোৱাৰিম? আহোমৰ লৰা হৈ, ৰণ কৰিব নেজানিম নে? সম্প্ৰতি, মই সৈন্য সামন্ত গোটোৱাত লাগিছো। আপুনি যাব কেতিয়া?

যোগেশ্বৰ :— এৰা, যাম বুলি ভাবিছো। পাছে, ৰণখন নো কেনেকৈ লাগে; তাকে হে আগ-গুৰি চাইছো।

চক্ৰধৰ :— আগ-গুৰি চোৱা আপোনাৰ কাম নহয়। স্বৰ্গদেউৰ হুকুম, দেশৰ ডেকা মাত্ৰয়ে ৰণলৈ যাব লাগে। নতু, আপোনাক মই বন্দী কৰিব পাৰো।

যোগেশ্বৰ :— যাওঁ হে যাওঁ, ৰণলৈ বুলিয়ে ওলাইছো। পাছে, তোমাৰ কিমান সাহ-পিত তাকেহে চাইছিলো!

( লাহে লাহে ওলাই যায় )

( আনফালৰ পৰা জন্মি আহে। )

জন্মি :— কোন? গোহাঁইদেও! কোন গ'ল সেইয়া?

চক্ৰধৰ :— যোগেশ্বৰ কোঁৱৰ!

জন্মি :— যোগেশ্বৰ কোঁৱৰ! কম নহয়! সাৱধান কিন্তু! এইবাৰ এওঁ মানৰ লগত যোগ নিদিলেই হয়।

চক্ৰধৰ :— ডেকাফুকন. মই যদিও ৰণৰ আও-ভাও ভালকৈ বুজা নাই; তথাপি, মানুহৰ ওপৰত চকু কেনেকৈ ৰাখিব লাগে, তাক জানো। বাক, আপুনি আহক, মই সৌ গাওঁ কেইখন চাই আহো।

( ওলাই যায় )

জন্মি :— ( ভাবি ভাবি ) ভীষণ সমস্যাত পৰিলো। মানে এইবাৰ যি প্ৰকাৰে বৰবৰুৱাক হত্যা কৰি, অসম আক্ৰমন কৰিছে, সন্ধি কৰি উলটি যোৱাৰ আশা নাই! সিহঁতে সিবাৰেই এক প্ৰকাৰে মনোভাৱ কৈ গৈছিল; এইবাৰ তাৰ সাৰ্থকতা কৰিবলৈ আহিছে। ( অলপ ইফাল-সিফাল কৰি ) ঈশ্বৰৰ কি লীলা! পিতৃহন্তাৰ প্ৰতিশোধ ল'বলৈ বি ৰাজকুলক ধ্বংস কৰিম বুলি চন্দ্ৰকান্ত সিংহৰ লগত মিছা মিতিৰালি

কৰিছিলো, সেই ৰাজকুলৰ কন্যাৰ প্ৰেমত মই আজি আবদ্ধ! এই প্ৰেম আৰু হিংসাৰ অৰিয়া-অৰিত মই কাৰ ফলীয়া হ'ম? কোনে ক'ব, প্ৰেমৰ জয় নে হিংসাৰ জয়? তাতে আজি জননী জন্মভূমিৰ সমস্যা! ৰাজকুল ধ্বংস কৰিবলৈ মই সাজু। কিন্তু, জননী জন্মভূমি? আজি ৰাজকুল ধ্বংস কৰিবলৈ হ'লে, জননী জন্মভূমি আই মোৰ অসমকো চিৰকাললৈ বিসৰ্জ্জন দিব লাগিব! আনপিনে পিতৃহন্তাৰ প্ৰতিশোধ লোৱাৰো এই সোণালী-সুযোগ হেৰাব! মই কোনটো কৰো? জননী জন্মভূমিক বিসৰ্জ্জন দিম নে, ৰক্ষা কৰিম? পিতৃহন্তাৰ প্ৰতিশোধ ল'ম নে? (ভাৱে) নাই, নাই, মিছা! মোৰ জন্মভূমি বিপন্ন, মোৰ লক্ষ-লক্ষ অসমীয়া নৰ-নাৰী বিপন্ন, মোৰ চিৰ স্বাধীন ৰাজসিংহাসন বিপন্ন! আৰু ভাবিবৰ সময় নাই। জননী জন্মভূমিৰ আগত, জগতৰ সকলোৱেই মিছা! জন্মভূমি ৰজাতকৈও ডাঙৰ, পিতৃতকৈও ডাঙৰ, সৃষ্টিতকৈও ডাঙৰ! তেন্তে, তেন্তে আৰু কিয়? আজি সকলো হিংসা-খিয়াল পাহৰি, বিদেশী মানৰ হাতৰ পৰা মাতৃক ৰক্ষা কৰো, আই মোৰ অসমৰ নিমিত্তে প্ৰাণ উচৰ্গা কৰো!

( ওলাই যায় )

# চতুৰ্থ পট

## যোৰহাট—ৰাজকাৰেং সিংহ-দুৱাৰ।

### সময়—কৃষ্ণপক্ষৰ মাজ ৰাতি।

(গায়নৰ বৰুৱা আৰু ধনেশ্বৰী হাতত ধৰা-ধৰিকৈ সোমাই আহে।)

ধনেশ্বৰী :— নেওচা-কেওচা দিবলৈ বহি, ভাল থনেই হ'ল। তোমাত লাগি মৰো মৰিলো। বেটি-বন্দী য'ত যি মেকুৰী পোৱালি এটা আছিল, সিও স্বৰ্গদেউৰ লগত গুৱাহাটীলৈ গ'ল। কেৱল আমি হে যাব নোৱাৰিলো। তুমিও মৰিলা, মোকো মাৰিলা।

গাঃ বৰুৱা :— হেৰ' কেপ কেপাই নেথাকিবি! তই নো নগলি কেলেই? মই তোক বান্ধি থৈছিলো নে?

ধনেশ্বৰী :—তুমি তেনে কানি খোলাখন পাতিছিলা কেলেই?

গাঃ বৰুৱা :—মোৰ খাবৰ মন গ'ল, মই পাতিলো। তোক মাতিছিল কোনে?

ধনেশ্বৰী :— লেঠাও সেয়ে হে! সিপিনে কানি ইপিনে তুমি। এটাকো এৰিব নোৱাৰি। মই যাওঁ কেনেকৈ?

গাঃ বৰুৱা — বাৰু, যদি যাবই লাগিছিল, স্বৰ্গদেৱে আগেয়ে ন'কলে কেলেই? মই টিকিৰা কেইটা পুৰিবলৈ লওঁতেহে স্বৰ্গদেউ যাব পাৰিলে। ক্ষন্তেক ৰোৱাহেতেন কি হলহেতেন!

ধনেশ্বৰী :— সিপিনে বে মানে আহি নগৰ ল'লেহি।

গাঃ বৰুৱা :— দৈৱধন তলেই গ'ল লাগিলে! সেই বুলি টিকিৰা কেইটা এৰি থৈ যাম নে কি?

( বাহিৰত মান সেনাৰ কিৰিলি আৰু হিলৈৰ শব্দ )

ধনেশ্বৰী :— শুনিছা নে ? শুনিছানে ? এতিয়া কৰা কি ? জীয়া বাঘৰ মুখত পৰিলা নহয় ?

( ভয়ত থৰক-বৰক কৰে )

গাঃ বৰুৱা :— ( কানিৰ হোকাটো দেখুৱাই ) আহকচোন বাৰু ! তই ভয় নকৰিবি ! দেউ-ব্ৰহ্মা কাকো নগণো নহয়, ইয়াৰেই এটা এটাকৈ থম।

ধনেশ্বৰী :— হয়, হয়, এওঁ কানিৰ হোকাটোৰেই পাৰিব ! আহা, আহা, এতিয়া সৌ পিনে চুকে-কাণে লুকাওঁ গৈ !

( ভয়েৰে ইফালে সিফালে চায় )

গাঃ বৰুৱা :— মই অলপ আৰাম কৰিছো। তই আমনি নকৰিবি। কুকুৰ ধূলি মান মোৰ ওচৰলৈ আহকচোন বাৰু !

( এনেতে আকৌ মানে কিৰিলি মাৰে )

ধনেশ্বৰী :— হেৰা, হেৰা, আহাঁ, আহাঁ, মোৰে সপত ! নিচেই ওচৰ পালেহি, আহাঁ, আহাঁ !

( ভয়ত থৰক-বৰক কৰি গায়নৰ বৰুৱাৰ হাতত ধৰে )

( এনেতে মিঙিমাহা কাড্যাউণ্ডে অসংখ্য সৈন্য লৈ ওলায়হি। সেই পিনেই ধনেশ্বৰী আৰু গায়নৰ বৰুৱা চেপেতা মাৰে। )

মিঃ কাড্যাউণ্ড :— কি আচৰিত ! এক কলিবৰ বুঢ়াগোহাঁইৰ বাহিৰে নগৰত কোনোয়েই নাই ! কলিবৰ বুঢ়াগোহাঁই এতিয়া বন্দী ! অকল কলিবৰৰ তেজেৰেই জানো অসংখ্য মান সেনাৰ হাত ৰাঙলী হ'ব ? ৰণৰ হেঁপাহ নপলাব নে কি ? নগৰৰ প্ৰতি ঘৰে ঘৰে সোমালো এটা অসমীয়া নাই ! সৈন্য সকল ! সোমোৱা, সোমোৱা ! ৰাজকাৰেঙ সোমোৱা ! পলমৰ সময় নহয়। আজি ৰাতিয়েই গোটেই যোৰহাট মানৰ—মানৰ হ'ব !

সৈন্যবিলাকে কিৰিলি মাৰি ৰাজকাৰেং সোমায়। যাওঁতে

( গোটাদিয়েক সৈন্যই গায়নৰ বৰুৱাক উজুটিয়ায়। )

গাঃ বৰুৱা ঃ— ( কানিৰ হোকা দাঙি ) কটা , কুকুৰ-ধূলি মান ইমান সাহ। মানী লোকৰ গাত ভৰি লগাৱ! চিনা নাই নে?

মিঃ কাড্যাউণ্ড ঃ— এঁ্যা, অসমীয়া, অসমীয়া! সৌজনী তিৰী! ধৰ, ধৰ, বন্দী কৰ, বন্দী কৰ!

( মান সেনাই গায়নৰ বৰুৱা আৰু ধনেশ্বৰীক বন্দী কৰি লৈ যায়, আৰু ধনেশ্বৰীয়ে "নিলে ঔ, থালে ঔ" বুলি চিঞৰি যায়। )

# পঞ্চম পট

## যোৰহাট—ৰাজকাৰেং ৰাজচ'ৰা।

### সময়—পুৱা।

( মাজতে খালি সিংহাসন, কেউফালে মিঙিমাহা তিলোৱা, কলিবৰ বুঢ়াগোহাঁই, যোগেশ্বৰ কোঁৱৰ, আৰু অন্যান্য মান-বিষয়া আৰু সৈন্য সকল )

মিঃ তিলোৱা :— ( হাতত এখন কাকত লৈ ) বুঢ়াগোহাঁই ডাঙৰীয়া মই অসম আক্ৰমণকাৰী নিষ্ঠুৰ সেনাপতি হ'লেও মোৰ বাই উদ্দেশ্য দেশ লুণ্ঠণ কৰা হলেও, মোৰ চৰম উদ্দেশ্য অসমৰ ৰাজপৰিয়াল ধ্বংস কৰা হলেও, মই বীৰৰ সন্মান বুজো। আপুনি মাত্ৰ অলপীয়া দুহেজাৰ সৈন্য লৈ মোৰ বিপুল বাহিনীৰ বিপক্ষে যি অসীম সাহ দেখুৱাই ৰণ দিলে, ৰণত যদিও আপুনি আমাৰ বন্দী হ'ল, আপোনাৰ বীৰত্বত মই মুগ্ধ। এই বাবেই, আপোনাক আজি মই মুক্তি দিলো। অকল মুক্তিয়েই নহয়, আপোনাৰ কথা মতেই চন্দ্ৰকান্ত সিংহক সিংহাসন ল'বলৈ মাতি পঠালো। কিন্তু, তেওঁ এতিয়া কি উত্তৰ দিলে দেখিলে? ( কাকত দেখুৱায় ) তেওঁ বোলে মানৰজাৰ অধীনত সিংহাসনত নবহে। গতিকে, আমাৰ কুঁৱৰীৰ ককাইদেৱেক যোগেশ্বৰ কোঁৱৰক আজি ৰাজসিংহাসনত বহুৱাওঁ।

কলিবৰ :— ( তললৈ মুৰ কৰে। )

যোগেশ্বৰ :— সেনাপতি, কলিবৰ বুঢ়াগোহাঁয়ে কি উত্তৰ দিব? মই ৰাজসিংহাসনত বহিম, তাক জানো তেওঁ সহিব পাৰে!

কলিবৰ :— ( যোগেশ্বৰলৈ চকু পকাই চায়। )

মিঃ তিলোৱা :—কোঁৱৰ, আপুনি তুংখুঙীয়া ফৈদৰ প্ৰবল প্ৰতাপী মানৰজাৰ জেঠেৰীয়েক। আপুনি ৰাজসিংহাসনৰ সম্পূৰ্ণ যোগ্য। এই ৰাজমুকুট পিন্ধি, সিংহ উপাধি লৈ, এতিয়া ৰাজসিংহাসনত বহক !

( মুকুট পিন্ধাই সিংহাসনত বহুৱাই জয়ধ্বনি দিয়ে )
জয় যোগেশ্বৰ সিংহৰ জয়।
জয় বৰ্ম্মা ৰজাৰ জয়॥

যোগেশ্বৰ :— ( নিজে নিজে ) মোৰ কপালৰ ৰাজদণ্ড আজিহে সাৰ্থক। আজি হে মই মান ৰজাৰ যোগ্য জেঠেৰী যোগেশ্বৰ সিংহ। ( কুটাই ) সেনাপতি, আপোনাৰ আৰু আপোনাৰ ৰজাৰ ওচৰত মই চিৰকৃতজ্ঞ। এতিয়া কি কৰিলে, আপোনাসকলৰ সুবিধা হয়, কওক, মই তাকেই কৰি যাম।

মিঃ তিলোৱা :— স্বৰ্গদেউ, বৰ্ত্তমান আমাৰ সেনাবিলাকৰ ৰছদ নাই। সিহঁতে যাতে দেশৰ মানুহৰ পৰা ৰছদ আদায় কৰিব পাৰে, আৰু ৰছদ নিদিয়া মানুহক যথোচিত দণ্ড দিবলৈ, এই আদেশ পত্ৰত চহী কৰি দিয়ক।

যোগেশ্বৰ :— ( তিলোৱাৰ হাতৰ পৰা কাকত লৈ চহী কৰিব খোজে। )

কলিবৰ :— সাৱধান যোগেশ্বৰ, মানৰ পদলেহনকাৰী ৰজা হলেও, এনে আদেশ-পত্ৰত কেতিয়াও স্বাক্ষৰ নিদিবা। চোঙত বাঘ মেলি ৰং নেচাবা, সাৱধান !

মিঃ তিলোৱা :— কলিবৰ, আদেশ-পত্ৰত চহী কৰিবই লাগিব। জানা নে আজি অসমত মান সেনাপতি মিঙিমাহা তিলোৱা কোন ?

যোগেশ্বৰ :— সেনাপতি, মই আদেশ-পত্ৰত চহী দিলো। ( চহী কৰে ) মই জানো, যি দেশত মোৰ ভনী ৰাজকুঁৱৰী, সেই দেশৰ প্ৰজা মোৰ পৰ নহয়।　　　　( কাকত ঘুৰাই দিয়ে। )

কলিবৰ :— কি কৰিলি, কি কৰিলি, নৰাধম দেশদ্ৰোহী !

( খেদা মাৰি যোগেশ্বৰৰ আসনত পদাঘাত কৰে। ততালিকে দুটা মান সৈন্যই কলিবৰক বন্দী কৰে। )

উস নোৱাৰিলো, নোৱাৰিলো !

সিং তিলোৱা :— কলিবৰ, কলিবৰ, পাহৰিলি মান সেনাপতি মিঙিমাহা তিলোৱা তোৰ সন্মুখত ! মান সেনাপতিৰ আগত ইমান গৰজনি ! তোক মুক্তি দিছিলো, তোৰ দোষত, তোক প্ৰাণ দণ্ড দিলো। সৈন্য সকল, কলিবৰক কাচি কাচি, লোণ-খাৰণি চতিয়াই, শাস্তি দি দি বধ কৰ ! বুজক ভালকৈয়ে বুজক, আজি অসমত মিঙিমাহা তিলোৱাৰ পৰাক্ৰম কি ?

গোটাদিয়েক মানে ততালিকে কলিবৰক লৈ যায়।)

# ষষ্ঠ পট

## গুৱাহাটী নগৰৰ ব্ৰহ্মপুত্ৰৰ পাৰত পাহাৰৰ ওপৰত চন্দ্ৰকান্ত সিংহৰ বাহৰ।

সময়—আবেলি।

( চন্দ্ৰকান্ত ভাবি ভাবি সোমাই আহে )

চন্দ্ৰকান্ত :— ক'ত আজি মোৰ ৰাজকাৰেং. ক'ত আজি মোৰ এই ভগা পঁজা। এক মুহূৰ্ত্তৰ ভিতৰতে স্বৰগৰ পৰা নৰকত স্থান। ময়েই অসমৰ ৰজা চন্দ্ৰকান্ত সিংহ। ধিক মোৰ জীৱন, শতধিক মোৰ এই ঘৃণিত জীৱন! মোৰ দিনত, মোৰ ৰাজত্বত, চিৰ গৌৰ-ৱান্বিত অসমৰ ৰাজসিংহাসন আজি কলুষিত হ'ল! অধম বৰ্ব্বৰ নৰপশু মানে ভাওনাৰ ছো' যোগেশ্বৰক নাম মাত্ৰ ৰজা পাতি ৰাজ্য ভাৰ সিহঁতে লৈছে। আপোন ইচ্ছাৰে দেশ লুট-পাত কৰি, তিৰোতাৰ ওপৰত পাশৱিক অত্যাচাৰ আৰম্ভ কৰিছে! অসমৰ ৰাজপাটৰ গৰাকী জীৱিত থাকোতে, দস্যুয়ে আজি দেশ লুণ্ঠণ কৰা জানো সহ্য হয়! উপায় কি? ( ভাৱে ) আচৰিত নিজৰ তিৰোতা, বাই-ভনী বিসৰ্জ্জন দিও, প্ৰাণৰ মায়াত পুৰুষ কাবিলৈ পলাইছে! সিহঁতক বাধা দিবলৈ আজি অসমীয়াৰ শক্তি নাই! অসমীয়া জাতিটোৰ বাক সাহ-পিত, বল-বীৰ্য্য, সকলো লুপ্ত হল নে কি? কাৰ দোষত? কিয় এনে হল? হায়, ময়েই ৰজা, ময়েই বা হলো কি? হোঃ কি উপায় কৰা যায়!

( ভাবি ভাবি ওলায় যায় )

ৰাজমাও আৰু জগন্নাথ ঢেকিয়াল ফুকনে কথা পাতি পাতি সোমাই আহে )

ৰাজমাও :— ঢেকিয়াল ফুকন, স্বৰ্গদেউ ইয়াতো নাই। মনৰ বিকাৰত কেনিবা পৰ্ব্বতৰ দাঁতিত জিৰণি লবগৈ পায়।

জগন্নাথ :— ৰাজমাও দেউতা, তেন্তে, মই এতিয়া কৰো কি? এটা উত্তৰটো লাগে।

ৰাজমাও :— ঢেকিয়াল ফুকন, তেন্তে পুৰন্দৰ কোঁৱৰক কবাগৈ, তেওঁৰ উদ্দেশ্য অতি সজ! বিদেশীৰ হাতত আজি দেশ। আজি সকলোৱে নিজৰ সামান্য অসূয়া পৰিত্যাগ কৰি, একেলগে বিদেশীক আক্ৰমণ কৰিবলৈ উদ্যোগ কৰাটো অতি বাঞ্ছনীয়। পুৰন্দৰ কোঁৱৰক ক'বা, তেওঁ যিমান সোনকালে পাৰে, তেওঁৰ সৈন্য-সামন্ত লৈ আমাক লগ ধৰকহি। সকলোৱে মিলি যাতে মানক দেশৰ পৰা উলিয়াব পাৰো। যি অসম সিংহাসনক পূৰ্ব্ব পুৰুষ সকলৰ নিজৰ তেজ দি ইমান উজ্জ্বল কৰিছিল, যি স্বাধীনতাক শত সহস্ৰ প্ৰাণ বলি দি ৰক্ষা কৰিছিল, সি কি আজি তোমালোক জীৱিত থাকোতে লুপ্ত হ'ব? যোৱা, যোৱা, দেশৰ স্বাধীনতাৰ হকে প্ৰাণ উচৰ্গি আহাঁগৈ।

জগন্নাথ :— ৰাজমাও দেউতা, তেন্তে মই এতিয়া বিদায় লওঁ।
( সেৱা কৰি ) যাব খোজে )

ৰাজমাও :— ঢেকিয়াল ফুকন, শুনা! যোৱাৰ আগতে আৰু এটিবাৰ শুনা! তুমি পুৰন্দৰ কোঁৱৰক কবাগৈ, বিদেশী দস্যুৱে আজি চেনেহী জনম-ভূমি অসমৰ স্বাধীনতা হৰিবলৈ সুযোগ পালে, কেৱল আমাৰ অসমীয়াৰ আত্ম কন্দল আৰু পৰশ্ৰীকাতৰতাত। ইমানতো আমাৰ শিক্ষা হোৱা নাই নে? ব'লা, তোমাক মই নাৱত তুলি থৈ আহো।

জগন্নাথ :— ৰাজমাও দেউতা !

(ৰাজমাও আৰু জগন্নাথ ওলাই যায়)

(আন ফালৰ পৰা চন্দ্ৰকান্ত সিংহ ভাবি ভাবি সোমায় আহে)

চন্দ্ৰকান্ত :— নিৰ্জ্জন পৰ্ব্বতৰ দাঁতিত বহিলোহেঁতেন, অলপ জিৰণি পাওঁ বুলি, তাতো শান্তি নাই ! চাৰিও ফালৰ পৰা গহীন প্ৰকৃতিয়ে যেন মোক ধিক্কাৰ দি কবলৈ ধৰিলে, তোৰ দিনত, তোৰ ৰাজত্বত, অসমৰ স্বাধীন বেলি আজি বিদেশী মান-কেতুৱে গ্ৰাস কৰিলে !" অসহ্য, অসহ্য হ'ল ! মনৰ এনে ধিক্কাৰতো, দেহাত এতিয়াও প্ৰাণ আছে ! আৰু নোৱাৰিম ! হে শান্তনুনন্দন মহাবাহু ব্ৰহ্মপুত্ৰ মহানদ ! তুমি কত শত তাপিতৰ প্ৰাণত শান্তি দিছা ! আজি এই অভাগায়ো তোমাৰ কোলাত শান্তি বিচাৰে !

(চন্দ্ৰকান্তই নৈত জাপ মাৰিবলৈ যায়, পাছ ফালৰ পৰা হঠাৎ ৰাজমাৱে ঠাপ মাৰি ধৰে।)

ৰাজমাও :— ছিঃ, ছিঃ, চন্দ্ৰকান্ত ! ধৈৰ্য্য ধৰা ! মনত ৰাখিবা তুমি অসমৰ ৰজা ! তোমাৰ কৰ্ত্তব্য দেশৰ স্বাধীনতা ৰক্ষা কৰা ! স্বাধীনতা বিসৰ্জ্জন দি যাবলৈ তোমাৰ অধিকাৰ নাই !

চন্দ্ৰকান্ত :— আইতা, আইতা, মই কি এতিয়াও ৰজা ?

ৰাজমাও :— চন্দ্ৰকান্ত বাচা মোৰ !

(বুলি চন্দ্ৰকান্তক ধৰি বাহিৰলৈ লৈ যায়)

---

# সপ্তম পট

## কাজিৰঙাৰ হাবি।

সময়—গধূলিৰ আন্ধাৰ।

( কিছুমান কেঁচুৱা, মাইকী, ল'ৰা-ছোৱালী, বুঢ়া-বুঢ়ী, আৰু ডেকা-গাভৰুৱে কন্দা-কটা কৰি থাকে। )

এটা বুঢ়া :— হেৰ' বোৱাৰীহঁত, ল'ৰা-ছোৱালী কেইটাক কান্দিবলৈ নিদিবিহঁত ঔ! মান এই ফাললৈকে আহিছে বোলে!

এজনী গাভৰু :— কিনো কৰিম পিতাই! আজি দহ দিন অন নামেৰে খুদ-কণ এটা পেটলৈ যোৱা নাই। গছৰ শিপা আৰু পোক-পৰুৱা খাইনো ল'ৰা-ছোৱালী কেনেকৈ থাকে?

এটা ডেকা :— হে বোপাই, মোৰ গাত তত নাই ঔ! বেঙেমূতা গৰুৰ দৰে কঁপাইছে ঔ! তিৰকঁপে জ্বৰ উঠিছে। মই মৰিম ঔ, পানী এটোপা দে ঔ!

এজনী বুঢ়ী :— নেকান্দিবি, নেকান্দিবি! মানে শুনিব। (ল'ৰা নিচুকায়)

এটা সৰু লৰা :— আই, আই, মোৰ ভোক লাগিছে, পিয়াহ লাগিছে! কি আছে দে মোক!

এজনী বুঢ়ী :— সেইটো যোগেশ্বৰক হেনো মানে ৰজা পাতিছে। বাইজৰ হাড় কৰচি, তেজ চুহি খাবলৈ মানক মেলি দিছে। হোঃ ইয়াকে কয়;—

"চকা চুণ খোৱা পকা পান খোৱা
কোনোবা ক'ৰবালৈ গ'ল।
দেৱাচালি মুৰা আউনীপান খোৱা
মূধে ৰাজপাত হ'ল॥"

( এনেতে ছুটামান সক লৰাই কান্দে, দুবৈত মানে কিৰিলি মাৰে। ভয়ত ল'ৰা ছোৱালীয়ে ববৈক কান্দে, মাক-বাপেকে মুখত শোপা দিয়ে )

এটা বুঢ়া :— ভাল কৰিলিহঁত। সেয়া মান, মান! ল'ৰাবোৰৰ মুখত সোপা দেহঁত, সোপা দেহঁত।

এনেতে কিছুমান সৈন্যৰে মিঙিমাহা তিলোৱা সোমাই আহে। মানুহবোৰে ইটোৰ গাত সিটোয়ে ধৰে)

মিঃ তিলোৱা :— হাঃ হাঃ হাঃ অবোধ অসমীয়া, প্ৰাণৰ ভয়ত গাওঁ এৰি হাবিত সোমাইছ! নেজান নে মান আজি তহঁতৰ প্ৰভু! মানক ৰছদ নিদি পলাইছ। তাৰ প্ৰতিফল পাবি!

( মানক দেখি মানুহবিলাকে কাও-বাও কৰে )

এটা বুঢ়া :— হে দেউতা, হে বিধতা, ৰক্ষা কৰা, ৰক্ষা কৰা! যিহকে কোৱা, তাকে কৰিম। আমি তোমালোকৰ দাসৰো দাস। দয়া কৰা, ক্ষমা কৰা!

মিঃ তিলোৱা :— হাঃ, হাঃ হাঃ. দয়া? ক্ষমা? মানৰ দয়া নাই, ক্ষমা নাই, মৰম নাই! নেজান নে অসম ধ্বংসকাৰী মান সেনাপতি মিঙিমাহা তিলোৱা মই! বুজিবি, ক্ষন্তেক সময়! সৈন্যবোৰ, কি চাই আছে! অসমীয়া এটা এটাকৈ বলি দে, পিণ্ডত দে, হত্যা কৰ! অসমীয়াৰ নাম পৃথিবীৰ পৰা লোপ কৰি দে!

( মান সোমাই একাষৰ পৰা মানুহ কাটিবলৈ ধৰে )

আনন্দ, আনন্দ, মিঙিমাহা তিলোৱাৰ আজি ইচ্ছাপূৰ্ণ, আজি ইচ্ছাপূৰ্ণ!

( এই বুলি বাব থোজে. এনেতে আনফালৰ পৰা চক্ৰধৰ আৰু কিছুমান অসমীয়া সৈন্য সোমাই আহে। বাকী থকা অসমীয়াই কাও-বাও কৰে )

চক্ৰধ্বৰ :— সাৱধান, সাৱধান, মিঙিমাহা তিলোৱা! তোৰ আনন্দত বিঘিনি! ভাবিছ নে মিঙিমাহা, তোৰ এই পৈশাচিক কামৰ বাবে, শাস্তি দিবলৈ অসমত আজি কোনোৱেই নাই? এতিয়াও অসমীয়াৰ অস্তিত্ব শেষ হোৱা নাই, আছে, আছে!

মিঃ তিলোৱা :-- (উলটি) কি পিতমৰা অসমীয়া, মিঙিমাহা তিলোৱাক বাধা! বেছ উপযুক্ত পুৰস্কাৰ পাবি! তই এটা সামান্য ল'ৰা! সিংহৰ আগত শিয়াল! মনত ৰাখিবি, অসমত অসমীয়াৰ অস্তিত্ব শেষ কৰি হে মিঙিমাহা তিলোৱা যাব!

(উভয় পক্ষে যুদ্ধ কৰি কৰি ওলাই যায়, আৰু অলপ পাছতে চক্ৰধ্বৰক বন্দী কৰি মিঙিমাহা তিলোৱা আৰু মান সৈন্য ঘূৰি আহে)

মিঃ তিলোৱা :— চা অসমীয়া, মান সেনাপতি মিঙিমাহা তিলোৱাৰ পৰাক্ৰম কি! আজি প্ৰত্যেক অসমীয়াই বুজক, অসমৰ ৰজা চন্দ্ৰকান্ত সিংহ নহয়, পুৰন্দৰ সিংহ নহয়, যোগেশ্বৰ সিংহ নহয়, অসমৰ ৰজা, ৰজা কিয় অসমৰ দেৱতা, অসমৰ ভাগ্য-বিধতা, অসমৰ সকলো, আজি মান, মান, মান!

সৈন্যবিলাক :— মান, মান, মান!

(সকলোৱে মিঙিমাহাৰ লগে লগে চিঞৰি উঠে।)

---

# পঞ্চম অঙ্ক

## প্ৰথম পট

যোৰহাট—ৰাজকাৰেং-ৰাজচ'ৰা।

সময়—পুৱা।

( মাজতে আসন খালি থাকে, কেউফালে মিঙিমাহা তিলোৱা, আৰু মান বিষয়া আদি বৈ থাকে। )

মিঃ তিলোৱা :—অসমত আজি আমাৰ তাণ্ডৱ নৃত্য। অসম আজি আমাৰ লীলা ভূমি। মানুহে সপোনতো নভবা কথা, অসমত আমি প্ৰাণভৰি উপভোগ কৰিছো। মদ, মঙহ, তিৰী, আজি আমাৰ আনন্দৰ সামগ্ৰী। কিন্তু ৰাজনীতি! ভৱিষ্যতে বুৰঞ্জীয়ে যাতে আমাৰ অপবাদ নানে, সেই বাবেই অসমীয়া ৰজা যোগেশ্বৰ সিংহ আজি আমাৰ ৰজা। অসমৰ অসমীয়া আজি শেষ! আজি বীৰ শূন্য অসম ভূমি! আৰু দুই এদিনতে অসম আমাৰ অকণ্টকা ৰাজ্য হ'ব!

( এনেতে যোগেশ্বৰ সিংহ সোমাই আহি খালি আসনত বহেহি সকলোৱে সেৱা জনায়। )

যোগেশ্বৰ সিংহ—সেনাপতি, এতিয়াও মোৰ বিপক্ষে কোৱা ৰাজ্যত কোনো ডেকা আছে নে?

মিঃ তিলোৱা :—স্বৰ্গদেউ, অসমত ৰাজদ্ৰোহী প্ৰায় শেষ! যাকে আমি ৰাজদ্ৰোহী বুলি অনুমান কিম্বা বিবেচনা কৰিছো, তাকে আমাৰ মানে ততালিকে হত্যা কৰিছে। স্বৰ্গদেউ, অসমৰ অত্যাচাৰী বিষয়াবিলাকে দেশত অশান্তি সৃষ্টি কৰিছিল বুলিয়েই

অসম ৰজাৰ মঙ্গলৰ অৰ্থে এবাৰ নহয়, দুবাৰ নহয়, তিনিবাৰকৈ মান বাহিনীয়ে অত পৰিশ্ৰম কৰি অসমলৈ আহিছে। স্বৰ্গদেউ আপোনাৰ মঙ্গলৰ অৰ্থেই আজি অসমত আমি ইমান দিন দুখে কষ্টে আছো।

যোগেশ্বৰ :—সেনাপতি, মোৰ সম্পূৰ্ণ বিশ্বাস, আপুনি বি কৰে সকলো মোৰ মঙ্গলৰ অৰ্থে

( এনেতে দুটামান মান সৈন্যই জন্মি আৰু ৰহিলাক বন্দী কৰি আনে )

মিঃ তিলোৱা :—কোন ? ডেকাফুকন, তুমি বন্দী হ'লা ? তুমি কি চন্দ্ৰকান্ত সিংহৰ লগত ? এই গাভৰু কোন ?

জন্মি :—নিজে নিজে বন্দী তো হলোৱেই ; সচাঁ কথা কবলৈ গলে নিস্তাৰ নাই ! ফাঁকি দিয়ে চাওঁ বাৰু ! ( ফুটাই ) সেনাপতি, পিতৃহন্তাৰ জুই এতিয়াও হিয়াত মোৰ জ্বলি আছে, গুমুৱা নাই ! চন্দ্ৰকান্ত সিংহক বন্দী কৰি দিম বুলিয়ে, লোকক দেখুৱাই মানৰ বিপক্ষ হৈ ফুৰিছিলো। মান সৈন্যই মোক বুজিব নোৱাৰি বন্দী কৰিছে। সেনাপতি, এই গাভৰু মোৰ ভনী।

( মিঃ তিলোৱাই নিজে দুইকো মুক্তি কৰি দিয়ে )

মিঃ তিলোৱা :—ডেকা ফুকন, তোমাৰ এই অৱস্থা দেখি বৰ দুখীত হ'লো।

জন্মি :—একো কথা নাই ! সৈন্যবিলাকে মাথোন নিজৰ কৰ্ত্তব্য পালন কৰিছে।

মিঃ তিলোৱা :—ডেকা ফুকন ! তোমালোকৰ ঘৰ মানৰ অতি আপোন মানুহ। তুমি যদি চন্দ্ৰকান্ত সিংহক বন্দী কৰি আনিব পাৰা, মই সত্যে কৈছো, তোমাক অসমৰ ৰাজমন্ত্ৰী পাতিম। (কাড্যাউণ্ডলৈ) কাড্যাউণ্ড, ডেকা ফুকনক অতিথি সৎকাৰ কৰাগৈ।

( কাড্যাউণ্ড, ৰহিলা আৰু জন্মি ওলাই যায় )

অন্নি :— ( ঝাওঁতে নিজে নিজে ) অধম মান, বুবুজিলি মই কোন ? মই যোগেশ্বৰ নহওঁ! মই খাটি অসমীয়া! অসমীয়াই সকলো ভুল কৰিলেও, জানি-শুনি প্ৰাণ গ'লেও স্বদেশৰ অহিত নিচিন্তে।

( আন ফালৰ পৰা মান সৈন্যই চক্ৰধৰক লৈ আহে )

সিঃ তিলোৱা :—কোন! চক্ৰধৰ! তাক প্ৰাণদণ্ড দিয়াগৈ। অ' নহয়, তাৰ বিচাৰ কৰা হওক! ( যোগেশ্বৰলৈ ) স্বৰ্গদেউ, এই ডেকা বয়সত কম হ'লেও, ভয়ানক উগ্ৰ! ই আমাৰ প্ৰতিকাৰ্য্যত বাধা দি ৰাজদ্ৰোহ আচৰে। ইয়াৰ বিচাৰ হব লাগে।

যোগেশ্বৰ :—সেনাপতি, ইয়াক মই চিনিছো। ই অতি দুৰন্ত! ইহঁতৰ নিচিনা চেঙেলীয়া ডেকাবোৰেই মোক বিদ্ৰূপ কৰি ফুৰে। চক্ৰধৰ, এতিয়া এবাৰ চা! অসমৰ ৰাজসিংহাসনত সেই অৱহেলিত কোঁৱৰ আজি যোগেশ্বৰ সিংহ।

চক্ৰধৰ :— ( নিৰুত্তৰ )

যোগেশ্বৰ :—কথা নকৰ! শুন চক্ৰধৰ, মই অসমৰ ৰজা। ৰজাৰ দৰে তোক ক্ষমিব পাৰো, তই যদি মোৰ চৰণ চুই আৰু এনে অপৰাধ নকৰো বুলি স্বীকাৰ কৰ।

চক্ৰধৰ :—যোগেশ্বৰ, জান নে তই আজি ৰাজসিংহাসনত বহি মানৰ পদলেহন কৰি, প্ৰতি মুহূৰ্ত্ততে স্বদেশৰ অকল্যাণ কৰিছ! যোগেশ্বৰ, তোৰ ভৰিত ধৰি, সেৱা কৰি, তোক মই ক্ষমা খুজিব পাৰো, কিন্তু প্ৰাণৰ ভয়ত নহয়— স্বজাতি, স্বদেশৰ মঙ্গলৰ হকে, তই যদি মানৰ দাসত্ব পৰিহাৰ কৰি, স্বদেশ উদ্ধাৰৰ অৰ্থে কাম কৰ।

যোগেশ্বৰ :—চক্ৰধৰ, তোৰ ৰাজনীতি মই বুজো! তই মোক ৰাজ-সিংহাসনত বহাটো, সহিব নোৱাৰি, স্বদেশৰ দোহাই দিছ!

চক্ৰধৰ, তোতকৈ মই ৰাজনীতি বহুতো বুজো। তোৰ অপৰাধ স্বীকাৰ কৰ!

চক্ৰধৰ :—যোগেশ্বৰ, ভুল বুজিলি মোক! মনত ৰাখিবি, বিজেতা মানৰ মানত তই কুকুৰতো অধম। পৰাধীনতাৰ দেৱভোগ কুকুৰৰ খাদ্যতকৈও অধম। স্বাধীন দেশত সামান্য প্ৰজা হলেও, তাত স্বৰ্গ সুখ।

যোগেশ্বৰ :—মুখ বন্ধ কৰ, চক্ৰধৰ!

চক্ৰধৰ :—নকৰো বন্ধ! সামান্য মানৰ দাসৰ কথাত, মই মুখ বন্ধ কৰিম! কেতিয়াও নহয়!

যোগেশ্বৰ :—তেন্তে, তোক প্ৰাণ দণ্ড দিলো! সৈনিক লৈ যা বন্দীক!

( দুটা সৈনিকে চক্ৰধৰক লৈ যাব খোজে )

চক্ৰধৰ :—( উলটি ) কুলাঙ্গাৰ দেশদ্ৰোহী যোগেশ্বৰ, এক নৰাধম বদনে নৰপশু মানক অসমৰ ৰৰঘৰ দেখুৱালে, তই দ্বিতীয় নৰাধমে মানৰ হতুৱাই সোণৰ অসম ছাৰ-খাৰ কৰাইছ!

মিঃ তিলোৱা :—চুপ! সৈনিক!

( সৈনিকে চক্ৰধৰক বলেৰে লৈ যায় )

যোগেশ্বৰ :— ( খঙেৰে ) সেনাপতি, মই বে'ছ বুজিছো, অসমীয়া ডেকা মাত্ৰেই ৰাজদ্ৰোহী। সিহঁতৰ যাকে য'তে পায় ততালিকে বন্দী কৰক।

( বেগেৰে ওলাই যায়। )

মিঃ তিলোৱা :—( যোগেশ্বৰৰ ফালে একে থিৰে চাই থাকি ) যোগেশ্বৰ, তুমিও আৰু অলপ দিন নাথোন! এতিয়াও ইমান অহঙ্কাৰ এই অসমীয়া জাতিটোৰ! "নৰপশু মানে ৰৰঘৰ দেখিলে।" হাঃ হাঃ হাঃ, অকল ৰৰঘৰ দেখিয়ে মান সন্তুষ্ট নহয়! অসমীয়া, মানে তহঁতৰ এটা এটাকৈ বুকু ফালি, তেজ

চুহি, তইঁতৰ সোণৰ অসম, মৰিশালিত পৰিণত কৰি, অসমীয়াৰ চিন পৰ্য্যন্ত নাইকিয়া কৰি, অসম আৰু বৰ্ম্মা দুয়োকো এক কৰি এখন বিশাল মান-ৰাজ্য প্ৰতিষ্ঠা কৰিম; আৰু সেই বিশাল মান-ৰাজ্যৰ ৰজা হ'ব বৰ্ম্মাৰাজ বডোফা আৰু সেনাপতি এই মিঙিমাহা তিলোৱা বন্ধু! (ওলাই যায়।)

---

# দ্বিতীয় পট

## যোৰহাট নগৰৰ দাঁতিৰ হাবি।

সময়—শেহ ৰাতি ( কৃষ্ণপক্ষ। )

( জন্মি, চক্ৰধ্বৰ আৰু ৰহিলা সোমাই আহে )

চক্ৰধ্বৰ :— ডেকাকুকন, মই কেতিয়াও এনেদৰে পলাই নাহিলোহেতেন, কেৱল আপুনি যে ক'লে, মোৰ নিমিত্তে এগৰাকী তিৰোতাই আত্মহত্যা কৰিব বুলি। কওক এতিয়া মোৰ কৰ্ত্তব্য কি ?

জন্মি :— আমাৰ এতিয়া প্ৰধান কৰ্ত্তব্য, স্বৰ্গদেউৰে যোগ হৈ, দেশ উদ্ধাৰ কৰা। কিন্তু প্ৰথমতে এই গাভৰুক সন্তুষ্ট কৰা। এই গাভৰুৱে তোমাৰ নিমিত্তে সিদিনা ব্ৰহ্মপুত্ৰত জাপ দি আত্মহত্যা কৰিব খোজোতেই মই তোমাক দিম বুলি এওঁক উদ্ধাৰ কৰি আনিলো।

চক্ৰধ্বৰ :— ( ৰহিলালৈ ) ধন্য মিৰিৰ ভালপোৱা ! মই যে তোমালোকলৈ পাহৰিলোৱেই। কিন্তু তোমালোকে মোক পাহৰা নাই। ৰহিলা, এতিয়া মোক দেখিলা নহয়, তুমি চাঙলৈ যোৱাগৈ।

ৰহিলা :— বুজিছা গোহাঁইদেও, আমি মিৰি মানুহ বৰ পোনপটি ! তোমালোকৰ ডাঙৰ মানুহৰ নিচিনা আমি হৰক-তৰক নহওঁ। আমি এবাৰ যাক ভাল পাওঁ, তাক আৰু কেতিয়াও নেপাহৰো। তোমাক এতিয়া······

চক্ৰধ্বৰ :— ৰহিলা, তুমি যে মোক ভাল পোৱা, সেইটো মই বুজিছো। কিন্তু, আমাৰ যে কাম বহুত, বহুত ঠাই ঘূৰিব লাগে। এতিয়া দেখিছানে, দেশত ৰণ লাগিছে। মই এতিয়া ৰণলৈ যাওঁ। তুমি এতিয়া চাঙলৈ যোৱাগৈ। ৰণৰ পাছত মই চাঙলৈ যাম।

ৰহিলা :— তুমিহে ৰণ কৰিব পাৰা, মই নোৱাৰোনে কি ? ময়ো ধেনু-কাঁড়

ধৰিব জানো। মই তোমাৰ লগতে থাকিম, মৰো ৰণ কৰিম। তুমি নহলে যে মই এখন্তকো থাকিব নোৱাৰো।

জন্মি :— গাভৰু, গোসাঁইদেও তোমালোকৰ চাঙলৈ যাওঁ বুলিছে নহয়! বাৰু, এতিয়াই চাঙত আনি তোমাক থৈ আহিমগৈ। গোসাঁইদেও, এতিয়াও আমি শত্ৰুৰ ওচৰত। যাও ব'লা!

চক্ৰধৰ :— ৰহিলা, ব'লা বাৰু তোমালোকৰ চাঙলৈ যাওঁ।

ৰহিলা :— গোসাঁইদেও, তুমি হ'লে আমাৰ চাঙত থাকিব লাগিব। নহলে আকৌ তোমাৰ লগতে মই গুচি আহিম।

( জন্মি, চক্ৰধৰ আৰু ৰহিলা ওলাই যায়। আনফালৰ পৰা দুটা মানসেনা সোমাই আহে। আৰু লগে লগে ৰাতি পুৱাই আহে। )

১ম মান :— উস্ ভাল সাৰিলে পাই, ভাল চকুতে ধূলি দি আহিল!

২য় মান :— পাছে এতিয়ানো সেনাপতিৰ আগত কি কৰিবি?

১ম মান :— আৰু জানো নিবিচাৰ?

২য় মান :— আৰু নো কিমান বিচাৰিবি অ'? বিচাৰই জানিবা, এই ঘোপ মৰা এন্ধাৰ হাবিত ক'ত পাবি? হেৰ', আমাৰ গাত নো কি দোষ, সেই মানুহটো ডেকা ফুকন নে কি, সি বোলে আমাৰ সেনাপতিৰ মিতিৰ। সিয়ে আকৌ চাচোন, আমাক মদ খুৱাই বন্দীটো লৈ পলাল!

১ম মান :— সেই বুলি তোৰ কাণখন, মোৰ নাকটো নেৰাবনে?

২য় মান :— আমাৰ গাত দোষ নাই, দোষ হৈছে যদি সেই ডেকা ফুকনৰ। নাক-কাণ গলে তাৰহে যাব! ব'ল, এই ডেকা ফুকনটোক বিচাৰো।

( দুয়ো ওলাই যায় )

# তৃতীয় পট

নগাওঁ ফুলগুৰি—এখন বহু গাঁৱৰ মাজ।

সময়—কৃষ্ণপক্ষৰ আউসী ৰাতি।

মাজতে একুৰা বৰ জুই। কেউকালে কিছুমান নৰা মনুহৰ হাত-ভৰি আদি কিছুমান পৰি থাকে। কিছুমান মান সৈন্যই বিকত আনন্দৰ কিৰিলি মাৰি নাচি নাচি গান কাৰ মানুহৰ হাত-ভৰি জুইলৈ দলিয়ায়

## গীত

মান সৈন্য :—

ধৰি আন কাটি আন দেহি জুইত দলিয়াই।
নথ'বি নথ'বি সঁচ, হেৰ, পতিয়ন নাই॥
নাইনে দেখা ককাল ভগা,
কেৰ পাতে অসমীয়া,
দেখা পালেই ধৰি আন, দে-হি জুইত দলিয়াই॥
দপ্ দপ্ কৈ পোহৰাই,
উঠক জুই তেজ খাই,
তেজৰ হোম পাতিছো চক শিয়াল ফেকৰাই॥

( গীতৰ লগে লগেই কাড্যাউণ্ড আহে )

মিঃ কাড্যাউণ্ড :— কি চমৎকাৰ পাঁচ-শ অসমীয়াক আজি এই ভীষণ অগ্নিত আহুতি দিয়া হ'ল। সৈন্যসকল! সৈন্যসকল! এবাৰ জয়ধ্বনি দিয়া, আজি অসমৰ শেষ ধ্বংস বুলি জয়ধ্বনি দিয়া!

সকলোৱে :— জয় বৰ্ম্মা ৰজাৰ জয়।
জয় মিঙিমাহা তিলোৱাৰ জয়॥

কাড্যাউঙ :— সৈন্যসকল ! ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ কুল আৰু মাজুলি ধ্বংস কৰি আজি তিনিওটা মানবাহিনী ইয়াত কুলগুৰিত সম্মিলিত হৈছাহি। আৰু বাকী আছে গুৱাহাটী আৰু বিজনি। এইবাৰ গুৱাহাটী আৰু বিজনি ধ্বংস কৰি, লেটাই ধুবুনীৰ ঘাটলৈকে সকলো শেষ কৰি, মান সেনাপতি মিঙিমাহা তিলোৱাৰ মনোবাঞ্ছা পূৰ্ণ কৰিম।

( এনেতে মান সৈন্যবিলাকে কিৰিলি মাৰি জয়ধ্বনি দিয়ে। )

জয় বৰ্ম্মা ৰজাৰ জয়।

জয় মিঙিমাহা তিলোৱাৰ জয়॥

( মিঃ তিলোৱা সোমাই আহে। )

মিঃ তিলোৱা :— কাড্যাউঙ, কাড্যাউঙ, এইমাত্ৰ সংবাদ পালো চন্দ্ৰকান্ত সিংহ গুৱাহাটিত নাই। ভীৰু অসমীয়া ৰজা চন্দ্ৰকান্ত সিংহই আমাৰ আগমন শুনি, অসমৰ সীমান্ত দেশ, ইংৰাজ ৰাজ্যত সোমাইছে গৈ ! মই ইয়াৰ পৰাই ওলটো। তুমি সৈন্য-সামন্ত লৈ গুৱাহাটী বিজনি ধ্বংস কৰি সীমান্ত দেশলৈকে বাবা। আৰু ইংৰাজক কবা, আমাৰ পলৰীয়া ৰজা চন্দ্ৰকান্ত সিংহক বন্দী কৰি দিবলৈ ; নতু ইংৰাজৰ ৰাজ্যও আমি আক্ৰমণ কৰিম।

কাড্যাউঙ :— সেনাপতি !

মিঃ তিলোৱা :— কাড্যাউঙ, মোৰ আদেশ যেন অন্যথা নহয়। মোৰ ইচ্ছা, আজিৰ পৰাধীন অসমক আৰু স্বাধীন হবলৈ কেতিয়াও নিদিওঁ। অসমীয়া পুৰুষৰ বীৰত্ব, তিৰোতাৰ সতীত্ব আৰু সিহঁতৰ ধন-ঐশ্বৰ্য্য, একেবাৰে ধ্বংস কৰি, অসমত মানৰ ৰাজত্ব বিস্তাৰ কৰিম। অসমীয়াই বুজক, আমি বিজয়ী মান অসম ধ্বংস কৰোতা, শাসন কৰোতা !　( ওলাই যায় )

( সকলোৱে কিৰিলি মাৰ জয়ধ্বনি দিয়ে। )

# চতুৰ্থ পট

## সোৱণশিৰী নৈৰ কাণৰ মিৰি-চাং।

সময়— আবেলি।

( জয়ন্ত সোমাই আহে )

জয়ন্ত :— সংসাৰৰ মায়া বুজা টান! যাক এদিন বিষম শত্ৰু ভাবিছিলো, সি আজি মোৰ পৰম বান্ধৱ! কিন্তু যাৰ বাবে আজি মোৰ জীৱনৰ অঙ্কই উলটিল; তেওঁ আজি ক'ত? মোলৈ নো তেওঁৰ এতিয়াও মনত পৰে নে? কোনে জানে, কোমলাঙ্গী তিৰোতাৰ কোমল ভাব বতাহত আকৌ কেনি উৰি গ'ল! কিন্তু এবাৰ যদি তেওঁক মই জনাব পাৰিলোহেতেন যে, তেওঁৰ বাবে আজি মোৰ জীৱনৰ গতিয়েই সলনি হ'ল; তেন্তে মই নিজকেই শত-ধন্য মানি অন্তিমত সুখ-নিদ্ৰা লভিব পাৰিলোহেতেন! লীলা, লীলা, মোৰ প্ৰাণৰ লীলা, তুমি যেতিয়া বুজিবা, তোমাৰ মধুৰ হাঁহিটিতে ভোল গৈ, মোৰ মহা শত্ৰুৰ লগতো বন্ধুত্ব কৰিলো; তুমি তেতিয়া তোমাৰ সেই কোমল বাহু দুটিৰে মোক সাবতি বান্ধি লবা নে? তেন্তে মই কিহৰ নিমিত্তে!

( চক্ৰধৰ আহে )

চক্ৰধৰ :— ডেকা ফুকন, ডেকা ফুকন!

জয়ন্ত :— গোহাঁইদেও!

চক্ৰধৰ :— ডেকা ফুকন, স্বৰ্গদেউক জানো লগ ধৰিব পাৰিব?

জয়ন্ত :— সংবাদ যদি সচাঁ হয়, মই নিশ্চয় স্বৰ্গদেউক গুৱাহাটীতে লগ ধৰিম। গুৱাহাটীৰ পৰা আমি দুয়ো মানৰ লগত ৰণ দি দি, এইফালে উজাই আহিম। তুমি যি পাৰা, দাঁতি-কাষৰীয়া

সৈন্য লৈ আমাক লগ ধৰিবাগৈ। মই আৰু পলম নকৰো।
নাও সাজু হৈ আছে, এতিয়াই বাওনা হ'ম। গোহাঁইদেউ!
(উভয়ে উভয়ক আলিঙ্গন কৰে আৰু জন্মি ওলাই যায়)

চক্ৰধৰ :— (জন্মি যোৱালৈ চাই থাকি) নহয়, ময়ো যাওঁ, যি পাৰো সৈন্য-সামন্ত লৈ, স্বৰ্গদেউক সহায় কৰোগৈ। স্বৰ্গদেৱে এইবাৰ অসীম সাহসেৰে উজাই আহিছে; এইবাৰ যদি মানক খেদাব পৰা নহয়; তেন্তে অসমৰ ভবিষ্যৎ ঘোৰ অন্ধকাৰময়! যাওঁ, যাওঁ!

(এনেতে ৰহিলা বেগেৰে সোমাই আহে)

ৰহিলা :— ক'লৈ নো যাওঁ যাওঁ কৰিছা, হো? আকৌ পলাব খুজিছা নে কি? ও-হো, এইবাৰ মই পলাবলৈ নিদিওঁ!

চক্ৰধৰ :— (নিজে নিজে) হাবিয়লীয়া মিৰিয়ণী ছোৱালীৰ অন্তৰত কি আছে, মই বুজিব পৰা নাই! কেতিয়াবা ভাবো, মোক চেঙেলীয়া ডেকা দেখিয়ে, এই ছোৱালীজনী আপোন পাহৰা হৈছে! ক'তা? বিয়া কৰাৰ কথাটো তাই নকয়; কয় কেৱল, "ভাল পাওঁ, ভাল পাওঁ!" ই নো কি ভাল পোৱা, ময়ে বুজিব পৰা নাই!

ৰহিলা :— গোহাঁইদেও, গোহাঁইদেও!

চক্ৰধৰ :— ৰহিলা!

ৰহিলা :— বেয়া পালা নে কি? পলোৱাৰ কথা নকওঁ বাৰু! তুমি মোক এৰি নেযাবা দেই!

চক্ৰধৰ :— ৰহিলা, মই নকৈছো, দেশত ৰণ লাগিছে, মই ৰণ কৰিবলৈ যাব লাগে।

ৰহিলা :— ময়ো নকৈছো, ময়ো ৰণ কৰিবলৈ যাম। মোক এৰি থৈ নেযাবা দেই! আহোঁ এতিয়া, আজি গাভৰু-চাওত বিহু মাৰিব নহয়?

চক্ৰধৰ :— ( নিজে নিজে ) মই যে বুজিব পৰা নাই ; এই সামান্য ছোৱালী জনীয়ে মোক কিহেৰে বান্ধিছে ? সমুখত বিশাল কৰ্ত্তব্যই মোক মাতিব লাগিছে, তথাপি এই হাবিয়লীয়া ছোৱালীটিক এৰি যাব পৰা নাই। নাই, নহয়, যাবই লাগিব। দেশৰ এনে হাঁহাকাৰ অৱস্থাত মই গাভৰু লৈ খেলিবৰ সময় নহয়! ( ৰহিলালৈ ) ৰহিলা !

ৰহিলা :— গোহাঁইদেও !

চক্ৰধৰ :— তুমি মাতিছা, ক'লৈ ?

ৰহিলা :— (হাঁহি হাঁহি) কলৈ ? আমাৰ গাভৰু-চাওলৈ, তাত আজি বিহু মাৰিব, মই নাচিম নহয় ? তুমি ভালকৈ চাই কেৰে দেখা, মোক কবা দেই ! আহাঁ। ( বুলি চক্ৰধৰক হাতত ধৰি লৈ যায়। )

## পঞ্চম পট

নগাওঁ—কলঙৰ মুখ।

চন্দ্ৰকান্ত সিংহৰ সৈন্যৰ ছাউনি।

এফালে বৰ নৈ, আনফালে পৰ্ব্বতৰ শাৰী।

সময়—আবেলি।

(চন্দ্ৰকান্ত সিংহ আৰু জন্মি সোমাই আহে)

জন্মি :— স্বৰ্গদেউৰ অসীম সাহস আৰু পৰাক্ৰম নবখানি নোৱাৰো। অসংখ্য দুৰ্দ্দান্ত মানক যে, এই সামান্য সৈন্য লৈ গুৱালপাৰৰ পৰা ইয়ালৈকে খেদি আনিছে, ই কম সৌভাগ্যৰ কথা নহয়। মই যিমান দূৰ বুজিব পাৰিছো, এইবাৰ আমাৰ জয় নিশ্চিত।

চন্দ্ৰকান্ত :— যোৱা ফুকন, সকলোকে সাজু হৈ থাকিবলৈ কোৱা! আমাৰ কাম এই আৰম্ভ হে। বহুত বাকী, বহুত বাকী!

(জন্মি ওলাই যায়)

(ভাবি ভাবি) স্বৰ্গাদপি গৰীয়সী জননী জন্মভূমি মোৰ আই অসম, মোৰ অতি মৰমৰ পুত্ৰ স্বৰূপ অসমীয়া প্ৰজাবৃন্দ আৰু প্ৰবল প্ৰতাপী ইন্দ্ৰবংশী আহোমৰ ছ-শ বছৰীয়া পুৰ্ব্বপুৰুষ সকলৰ গৌৰৱ ৰাজসিংহাসন, আজি বিদেশী মানৰ হাতত চূৰ্ণ বিচূৰ্ণ! মই, মই, অসমৰ ৰজা চন্দ্ৰকান্ত সিংহই প্ৰাণৰ ভয়ত হাবিয়ে-পৰ্ব্বতে, দেশে-বিদেশে পলাই ফুৰিছো! কি অপমানৰ কথা! জগতত আজি মোতকৈ কোনোবা কাপুৰুষ আছেনে? ৰজা হৈ দেশৰ স্বাধীনতা গৌৰৱ আৰু ৰাজসিংহাসন ৰাখিবলৈ অসমৰ্থ! নহয়, নহয়, এইবাৰ আৰু নপলাম! সম্মুখত

সৌ বিশাল ব্ৰহ্মপুত্ৰ, আকাশত সূৰ্য্যদেৱ আৰু অসমৰ দশদিকপালক সাক্ষী কৰি প্ৰতিজ্ঞা কৰিলো, হয় মোৰ জন্মভূমিক বিদেশীৰ হাতৰ পৰা উদ্ধাৰ কৰিম, নতু চিৰদিনলৈ অসমীয়াৰ কাপুৰুষ, আহোমৰ কলঙ্ক, ৰজাৰ অযোগ্য মই চন্দ্ৰকান্ত সিংহই অসমৰ ধুলি-মাটিত লীন হৈ যাম।

( এনেতে চৈয়ং সিঙে দুটা অসমীয়াক বন্দী কৰি সোমাই আহে )

চৈয়ং :— ( সেৱা কৰি ) বন্দেগি মহাৰাজ!

চন্দ্ৰকান্ত :— চুবাদাৰ কি সংবাদ?

চৈয়ং :— মহাৰাজ, এই দুটা অসমীয়া মানুহ। ইহঁতে মানৰ দৰে ওভোটা খোপা বান্ধি মুখেৰে ইং-বাং দোৱান দি, অসমীয়াৰ গাওঁ লুট-পাত কৰি নিৰীহ মানুহৰ ওপৰত অতি কদৰ্য্য অত্যাচাৰ কৰিছে। ইহঁতৰ এতিয়া উচিত বিচাৰ হ'ব লাগে।

চন্দ্ৰকান্ত :— কি? ইহঁত অসমীয়া মানুহ? বিদেশী মানৰ ভাও জুৰি নিজৰ মানুহৰ ওপৰত অত্যাচাৰ কৰিছে! সচাঁ নে? উত্তৰ দে?

১ম মানুহ :— ( সেৱা কৰি ) স্বৰ্গদেউ ঈশ্বৰ, কাটক বা মাৰক, মিছা নেমাতো। দেশ অৰাজক হোৱাত, পেটৰ পোৰণিত থাবলৈ নেপাই, মানৰ ভেশ ধৰি ফুৰা সচাঁ। আমি দোষী, আমাক কাটক।

চন্দ্ৰকান্ত :— ( হুমুনিয়াহ পেলাই ) হোঃ ঈশ্বৰৰ ইচ্ছা! অসমীয়া জাতিটো ইমান তললৈ নামিল, সামান্য পেটৰ বাবে; দয়া, মায়া, স্নেহ সকলো বিসৰ্জ্জন দি অসমীয়াই অসমীয়াক কাটি-মাৰি লুট-পাত কৰিছে। বুজিছো, অসমীয়া জাতিটো একেবাৰেই জাত এৰি বিজতৰীয়া হ'ল। চৈয়ং সিং, এইবাবে ইহঁত দায়ী নহয়। মই হে, মই হে দায়ী। মই অসমৰ ৰজা হৈ, প্ৰজাসকলক

শান্তিৰে ৰাখিব নোৱাৰি, নৰ-পিশাচ মানৰ হাতত হেদাণ্ডি মেলিছো। হায়, আজি অসমীয়াৰ কি দুৰ্ভাগ্য! (মানুহ দুটালৈ) তইঁতৰ কু-কাৰ্য্যৰ যি দণ্ড, সেই দণ্ড ঈশ্বৰৰ ওচৰত নই ল'ম! তইঁত এতিয়া নিৰ্দ্দোষী, তইঁত যাব পাৰ!

(ততালিকে মানুহ দুটাই দীঘল দি সেৱা কৰে)

১ম মানুহ :— স্বৰ্গদেউ ঈশ্বৰ, আমি বহু অপৰাধত দোষী। দণ্ড দিয়ক, কাটক, মাৰক!

২য় মানুহ :— স্বৰ্গদেউ ঈশ্বৰ, আমি স্বৰ্গদেউৰ দাসৰো দাস প্ৰজা! আমাক ক্ষমা কৰিলে যেতিয়া, কৃপা কৰি আমাক স্বৰ্গদেউৰ ফৌজত সোমাবলৈ আদেশ দিয়ক! আমি এবাৰ মানৰ লগত যুজি, আমাৰ পাপৰ পৰাচিত হওঁ।

চন্দ্ৰকান্ত :— উত্তম, সেয়ে হওক! এতিয়া যাইঁত!

(মানুহ দুটা ওলাই যায়)

চৈয়ৎ সিং, ভোটানত কচিনাথ আৰু পুৰন্দৰেও, সৈন্য সংগ্ৰহৰ সংবাদ পাঠাইছে। তেওঁ বিলাকেও অলপতে আমাৰ লগত যোগ দিবহি। আমি এতিয়া দ্বিগুণ উৎসাহে আগ বাঢ়িব লাগে। আহঃ।

চৈয়ৎ সিং :— মহাৰাজৰ যো হুকুম?

(দুয়ো ওলাই যায়)

(আনফালৰ পৰা ৰণৰ সাজে সজ্জিত ককালত তৰোৱাল বান্ধি, লীলাৱতী লাহে লাহে সোমাই আহে)

লীলা :— ক'তা? কোনোৱেই নাই দেখোন! ভাবিছিলো, এইপিনে আহিলে স্বৰ্গদেউৰ লগত ডেকাফুকনক দেখা পাম! মিছা হ'ল। ৰণ আয়োজনত সকলোৱেই ইমান ব্যস্ত, কোনেও কাৰো খবৰ ল'বলৈ সময় নাই! সৈন্য ছাউনিত আলেণ্ডে-

আগেওে ইমান ফুৰিলোঁ, তথাপি এটিবাৰো দেখা নেপালোঁ।

( পাছ ফালৰ পৰা ৰণৰ সাজ পিন্ধা দেৱৰানী ওলায়হি )

দেৱ :— বাইদেও, বাইদেও, মোক এৰি থৈ কেনেই আহিছিলা ? তোমাক বিচাৰি-বিচাৰি, মই সৌ পৰ্ব্বতটো উঠিছিলোঁগৈ।

লীলা :— আইদেউ, বেয়া নেপাবা দেই ! কিবা কথা এটা মনত পৰিছিল, তাকে ভাবি ভাবি সৌ শিলটোতে বহি আছিলোঁ !

দেৱ :— কি কথা, হয়নে বাইদেউ ?

লীলা :— তুমি সৰু ছোৱালী, কি বুজিবা ? ব'লা এতিয়া তৰোৱাল খেলোঁগৈ, আইদেউ !

দেৱ :— পাশা খেলতকৈ তৰোৱাল খেলিলে মনটো বৰ ভাল লাগে, বাইদেউ ! তোমাৰো লাগেনে ?

লীলা :— মোৰো লাগে আইদেউ ! নেলাগিবই বা কিয় ? ই হৈছে ৰণচণ্ডীৰ খেলা।

( লাহে লাহে দুয়ো ওলাই যায়। )

---

# ষষ্ঠ পট

## কলঙৰ মুখ—নৈ ঘাট।

### সময়—পুৱা।

( ঘাটত কেইবাখনো সজ্জিত নাও থাকে। হাতত অসমৰ নিছান লৈ, চন্দ্ৰকান্ত সিংহৰ সৈতে, সৈন্য-সামন্তই গীত গাই গাই নাৱত উঠিবলৈ আহে )

সৈন্যগণ :—

গীত

পৰ্ব্বত ভৈয়াম মিলি অসম
জান অসমীয়া তোৰ।
বিদেশী শত্ৰুৰ গৰাহত আজি
সাজু হ ডেকাবোৰ॥
তই পাহৰি পেলাচো' ভেদ,
তই কৰিছ কিহৰ খেদ,
ধৰ্ম্ম জাতিৰ ভেদা-ভেদ এৰ
দুৰ্জ্জয় অসম তোৰ॥
তই অসমৰ বিজয় পুত,
তই স্বাধীন অসমৰ দূত,
অসমৰ বাবে পৰাণ এৰিবি
ৰাখিবি গৌৰৱ তোৰ॥
তই ওলাচো সাজি বীৰ,
তই কাটিবি শত্ৰুৰ শিৰ,
অসমা অসম সুষমা অসম
স্বাধীন অসম তোৰ॥

চন্দ্ৰকান্ত :— মোৰ মৰমৰ সৈন্যসকল! আমি এতিয়া কৰ্ত্তব্যৰ দুৱাৰ দলিত। এবাৰ তোমালোকে মনত পেলোৱা, তোমালোক কি আছিলা, তোমালোকৰ দেশ কি আছিল? আজি তোমালোকৰ তিৰোতাৰ ওপৰত পাশবিক অত্যাচাৰ কৰি, সুজলা সুফলা শস্য শ্যামলা প্ৰকৃতিৰ কাম্যভূমি সোণৰ অসমক বিদেশী অত্যাচাৰী মানে মৰিশালিত পৰিণত কৰিছে। ইমানতো তোমালোকে হাত সাবটি নীৰবে বহি থাকিবানে? সৈন্যসকল, তোমালোকৰ অস্ত্ৰৰ আগত আজি অসমৰ জয়লক্ষ্মী! মোক ৰাজসিংহাসন দিবলৈ বুলি, তোমালোকক মই আহ্বান কৰা নাই; তোমালোকক মই আহ্বান কৰিছো, তোমালোকৰ চিৰ-স্বাধীনতাক দস্যু মানৰ হাতৰ পৰা ৰক্ষা কৰিবলৈ। তোমালোকৰ পূৰ্ব্বপুৰুষ সকলৰ, কত তেজেৰে এই সোণৰ অসমক গঢ়ি তুলিছিল, সেই স্বৰ্গতো অধিক জনম ভূমিক কি তোমালোকৰ দিনত, তোমালোকে ধ্বংস হবলৈ দিবা? সৈন্যসকল, আজি স্বাধীন আৰু পৰাধীনৰ কথা! কোৱা, তোমালোকে পৰাধীন হৈ কুকুৰৰো অধম জীৱন যাপন কৰিবানে? নাই স্বাধীন হৈ স্বৰ্গ সুখ ভোগ কৰি জয়-জয় ময়-ময় হ'বা?

সকলোৱে :— স্বাধীন, স্বাধীন, স্বাধীন!

চন্দ্ৰকান্ত :— তেন্তে আহা! এই ব্ৰহ্মপুত্ৰৰ বুকুত থিয় হৈ, সূৰ্য্যদেৱতাক সাক্ষী কৰি, পূৰ্ব্বপুৰুষ সকলক স্মৰণ কৰি, প্ৰতিজ্ঞা কৰা, স্বাধীনতাৰ হকে দেহত শেষ বিন্দু শোণিত থকালৈকে তৰোৱাল ধৰিম।

সকলোৱে :— জয় চন্দ্ৰকান্ত সিংহৰ জয়! 　 জয় অসমৰ জয় ॥

## গীত

গিৰিপ গিৰিপ 　　 খোজত কঁপা,
অসম মাতৃৰ বুকুৰ ব্যথা ;—
মুক্ত তৰোৱাল হাতত লৈ,
অসমৰ আমি 　　 তেজাল ডেকা
বিদেশী শত্ৰুৰ বুকুৰ তেজ,
কলিজা ফালি কৰিম শেষ ;
মাতৃৰ শিৰত 　　 পিন্ধাম মুকুট
আই অসমক কৰো সেৱা ॥

* * *

* * * *

( গীত গাই গাই সকলোৱে নাৱত উঠিবলৈ যায় )

## সপ্তম পট

ম'হগড়—ৰণক্ষেত্ৰ।

সময়—কৃষ্ণ পক্ষৰ অষ্টমীৰ ৰাতি।

( চাৰিউফালে বৰটোপ আৰু হিলৈৰ শব্দ হয়। একালে "জয় বৰ্ম্মা ৰজাৰ জয়" আৰু আনফালে "জয় অসমৰ জয়" বুলি ঘনে ঘনে জয়ধ্বনি হয়

( মিঙিমাহা তিলোৱা আৰু কাড্যাউঙ সোমাই আহে )

মিঃ তিলোৱা :— কাড্যাউঙ, কাড্যাউঙ, আজি পিতমৰা অসমীয়াৰ বলবীৰ্য্য দেখি অবাক মানিছো। চন্দ্ৰকান্ত সিংহই নিজে সৈন্য চালনা কৰিছে। সাৱধানে ৰণ কৰিবা! ৰত্নগৰ্ভা অসম আজি আমাৰ দেশ, আমি হে ইয়াক ভোগ কৰিম, অসমীয়াই নহয়! আজিৰ ৰাতিটো কোনো মতে ৰক্ষা কৰিব পাৰিলেই, কালিলৈ আমাৰ নতুন সৈন্যৰে সেনাপতি বন্দুলা পাবহি। যোৱা, যোৱা, প্ৰাণটাকি ৰণ কৰা! বন্দুলা আহি নোপোৱালৈকে আমাৰ ব্যূহ ৰক্ষা কৰিব লাগিব।

( দুয়ো দুফালে ওলাই যায় )

( চন্দ্ৰকান্ত সিংহ সোমাই আহে )

চন্দ্ৰকান্ত :— দেখিছো, যুদ্ধৰ গতি অতি সুন্দৰ! আমাৰ আজি জয় নিশ্চিত। হে দেৱতা, আমাক আজি নিস্তাৰ কৰা, নিস্তাৰ কৰা!

( ওলাই যায় )

( কাড্যাউঙে কিছুমান অসমীয়া সৈন্যৰে ৰণ কৰি কৰি যায় বাহিৰত ঘনে ঘনে বৰটোপৰ শব্দ আৰু জয়ধ্বনি হয় )

( মিঙিমাহা তিলোৱা সোমাই আহে )

মিঃ তিলোৱা :— মান সৈন্য বহুতো পৰিল। ঘনে ঘনে কেৱল অসমীয়াৰ জয়ধ্বনি! আচৰিত, পিতমহা অসমীয়াৰ ইমানতো দেহত প্ৰাণ আছে! মই কেতিয়াও ভবা নাছিলো, অসমীয়া সৈন্য ইমান নিপুণ বুলি! উপযুক্ত চালক নাছিল বুলিয়ে ইহঁত ইমান দিন চিটিকি ফুৰিছিল। আজি যেন প্ৰত্যেকটো অসমীয়াই একোকুৰা প্ৰচণ্ড দাবানল। যাওঁ. মান সৈন্য এটা থকালৈকে যুজিম, তথাপি, তথাপি, আমাৰ এনে দেৱ-ভোগ এৰিথৈ উলটি নেযাওঁ! ( বেগেৰে ওলাই যায় )

( নেপথ্যত—জয় স্বৰ্গদেউৰ জয়" ধ্বনি হয় )

( চন্দ্ৰকান্ত সিংহ সোমাই আহে )

চন্দ্ৰকান্ত :— জ্বলি উঠ, জ্বলি উঠ, অসমীয়াৰ প্ৰাণৰ জুই আৰু জ্বলি উঠ! বিদেশী শত্ৰু ধ্বংস কৰি, অসমৰ চিৰ স্বাধীনতা উজ্জ্বল হ, উজ্জ্বল হ!

( ওলাই যায় )

( আনফালৰ পৰা কাড্যাউণ্ড আহে )

কাড্যাউণ্ড :— হতাশ, হতাশ! নোৱাৰিলো আৰু নোৱাৰিম! এইবাৰ মান সৈন্য সমূলে ঘাটিল!

( নেপথ্যত— "জয় স্বৰ্গদেউৰ জয়" ধ্বনি হয় )

সেইয়া, সেইয়া, আকৌ অসমীয়াৰ জয়ধ্বনি! যাওঁ, যাওঁ, শেষ চেষ্টা কৰি চাওঁ! ( বেগেৰে ওলাই যায় )

( নেপথ্যত বৰটোপ আৰু হিলৈৰ শব্দ হয়। কিছুমান মান সৈন্যক অসমীয়া আৰু শিখ সৈন্যই খেদি নিয়ে। চন্দ্ৰকান্ত আৰু চৈয়ৎ সিং ওলাই আহে )

চন্দ্ৰকান্ত :— চুবাদাৰ, ধন্য তোমাৰ বীৰত্ব! ধন্য তোমাৰ শিখ জাতিৰ

অসীম বীৰত্ব! তোমালোকৰ সহায়তেই আজি মোৰ জয় লাভ! চুবাদাৰ তোমাৰ ঋণ মই জনমে জনমে সুজিব নোৱাৰো।

চৈয়ৎ সিং :— মহাৰাজৰ মেহেৰবানি! মহাৰাজ আমি মাথোন আমাৰ কৰ্ত্তব্য বুজো! মহাৰাজৰ নিমখ খাইছো যেতিয়া, আমি কেতিয়াও নিমখ-হাৰামি নকৰো। আহক মহাৰাজ, আমাৰ খাৰ-বাৰুদ চাই লৈ মানক আমি খেদি যাওঁ!

( উভয়ে ওলাই যায় )

( এনেতে কিছুমান অসমীয়া সৈন্য আৰু শিখ সৈন্যই ৰণোন্মত্ত হৈ নাচি নাচি ওলাই যায় )

( আন ফালৰ পৰা মিঙিমাহা তিলোৱা আৰু কাড্যাউঙ বেগেৰে সোমাই আহে )

মিঃ তিলোৱা :—কাড্যাউঙ, কাড্যাউঙ, সোণালী সুযোগ! চন্দ্ৰকান্ত সিংহৰ খাৰ-বাৰুদ অন্ত পৰিল! এই মুহূৰ্ত্ততে সিহঁতক আক্ৰমণ কৰা। আক্ৰমণ কৰা।

( উভয়ে বেগেৰে ওলাই যায় )

---

# পট পৰিবৰ্ত্তন

## চন্দ্ৰকান্ত সিংহৰ ছাউনি।

( হাতত খোলা তৰোৱাল লৈ দেৱযানী আৰু লীলা থিয় হৈ থাকে, দূৰৈত মান সৈন্যৰ জয়ধ্বনি হয় )

দেৱযানী :— বাইদেউ, বাইদেউ এই অলপৰ আগতে আমাৰ সৈন্যৰ জয়ধ্বনিত গগণ বিদৰিছিল; আকৌ হঠাতে দেখোন মান সৈন্যৰ জয়ধ্বনি উঠে?

লীলা :— আইদেউ, যুদ্ধ বুলিলে এনেকুৱায়ে। শেহত যেয়ে জয় লাভ কৰে সেয়ে বিজয়ী !

দেৱ :— বাইদেউ, মোৰ মনটোৱে বৰ উৎপাত কৰিছে ! কিয় ? ব'লা আমিও ৰণলৈ যাওঁ।

( এনেতে চন্দ্ৰকান্ত সিংহ আৰু চৈয়ং সিং সোমাই আহে )

চন্দ্ৰকান্ত :— আইদেউ, আইদেউ, বিধি আমাৰ প্ৰতি বাম। হঠাৎ আমাৰ খাৰ-বাৰুদ অন্ত পৰিল ! মানে আমাক ঘেৰি লৈছে ! আহা আহা, আমি তুৰঙ্গে ইয়াৰপৰা আঁতৰো ! ( তেওঁলোক ওলাই যাওঁতেই হঠাৎ মিঃ তিলোৱা কাড্যাউঙ আৰু কিছুমান মান সৈন্যই আগভেটি ধৰেহি )

মিঃ তিলোৱা :— হাঃ হাঃ হাঃ ! চন্দ্ৰকান্ত, চন্দ্ৰকান্ত, ক'লৈ সাৰিবা ! ভাবিছিলা ৰণজয়ী হ'লো বুলি· ভুল, ভুল, সম্পূৰ্ণ ভুল ! তোমাৰ আগত সাক্ষাৎ কৃতান্ত আহি উপস্থিত ! ( দেৱযানী আৰু লীলালৈ চাই ) বাঃ কি সুন্দৰ ! অতি সুন্দৰ ! কাড্যাউঙ এই গাভৰুইতক বন্দী কৰা। ( সৈন্যবিলাকে দেৱযানী আৰু লীলাক ধৰিব খোজে, সকলোৱে তৰোৱাল দাঙে, চৈয়ং সিঙে আগবাঢ়ি আহোতেই মিঃ তিলোৱাই শেল মাৰি বধ কৰে। এনেতে হাতত তৰোৱাল লৈ জন্মি সোমাই আহে )

জন্মি :— কি, কি, নৰাধম দুৰাচাৰ মান ! গাভৰুৰ ওপৰত অত্যাচাৰ ! নিজক ৰক্ষা কৰ ! ( উভয়ে ক্ষন্তেক যুদ্ধ কৰে আৰু তৰোৱাল লাগি জন্মি মূৰ্চ্ছিত হৈ পৰে )

মিঃ তিলোৱা :— চন্দ্ৰকান্ত ! এতিয়া, এতিয়া তোমাক কোনে ৰক্ষা কৰে ?

চন্দ্ৰকান্ত :— নৰাধম মিঙিমাহা তিলোৱা।

( যুদ্ধলৈ উদ্যত হয় )

মিঃ তিলোৱা :— চন্দ্ৰকান্ত, দুৰ্জ্জয় মানৱ লগত প্ৰতিদ্বন্দিতা কি ভয়ানক,

এতিয়া বুজিলা! এতিয়া কাৰ সাধ্য তোমাক আমাৰ হাতৰ পৰা মুক্ত কৰে! সৈন্যগণ বন্দী কৰ!

( মান সৈন্যবিলাকে ততালিকে বন্দী কৰিবলৈ আগ বাঢ়ে, হঠাৎ আনফালৰ পৰা অসংখ্য সৈন্যৰে চক্ৰধৰ সোমাই আহে )

চক্ৰধৰ :— কি কলি, নৰাধম, নৰপিশাচ মান! কাৰ সাধ্য আমাৰ ৰজাক বন্দী কৰে? নেজাননে, নৰাধম, এটা মাত্ৰ অসমীয়াৰ দেহত প্ৰাণ থকালৈকে অসম কেতিয়াও, কেতিয়াও পৰাধীন নহয়!

( উভয় পক্ষৰে যুদ্ধ আৰু মিঃ তিলোৰা আদি মান সৈন্যৰ পলায়ন। )

চক্ৰধৰ :— ( জন্মিলৈ ) ই কি ডেকাফুকন! ডেকাফুকন, ডেকাফুকন! ( জন্মিৰ গাত ধৰে )

জন্মি :— ( উঠি ) উঃ কোন? গোহাঁইদেউ!

চক্ৰধৰ :— কি ডেকা ফুকন, বৰ আঘাত লাগিল নে কি?

জন্মি :— নহয়, গোহাঁইদেও, আঘাত সামান্য! হঠাৎ অচেতন হৈছিলো।

চক্ৰধৰ :— স্বৰ্গদেউ, চাৰিউফালে শত্ৰু! আহক, শীঘ্ৰে আমি এই স্থান পৰিত্যাগ কৰো! সৈন্যগণ, চাৰিউফালে সতৰ্ক দৃষ্টি ৰাখা!

( সৈন্যবিলাক চাৰিউফালে প্ৰহৰাত নিযুক্ত হয় )

চন্দ্ৰকান্ত :— ( হঠাৎ টোপনিৰ পৰা উঠাৰ দৰে ) তুমি, তুমি চক্ৰধৰ! তুমি সেই বৰগোহাঁই কৈদৰ ডেকা চক্ৰধৰ! তুমি এই বিপদত মোৰ পৰম বন্ধু হ'লা! মোৰ আজি কি আছে, কিহেৰে তোমাক আদৰ কৰো! চক্ৰধৰ! এদিন তাহানি তোমাক দেখি ভাবিছিলো, মোৰ এই কন্যাটি উপযুক্তা হলে তোমাৰ হাতত সমৰ্পণ কৰিম! কিন্তু এই শত সহস্ৰ বিপদৰ মাজত মোৰ সেই

মনোবাঞ্ছা পূর্ণ নহব ! চক্রধৰ, আজি ৰাজোচিত ভাৱে ৰাজকন্যাক দান দিবলৈ মোৰ সমৰ্থ নাই ! (দেৱযানীৰ হাতত ধৰি) মোৰ এই এক মাত্ৰ সমল মোৰ কন্যা দেৱযানীক মোৰ এই জীৱন-মৰণৰ সন্ধি স্থলত, তোমাক আজিয়েই সমৰ্পণ কৰিলো !

(এই বুলি চক্ৰধৰৰ হাতৰ লগত মিলাই দিয়ে)

(তাৰ পাচত জন্মিৰ ফালে ঘূৰি কয়)

ডেকাফুকন, মোৰ বহুদিনৰ মনৰ আশা মনতে মাৰ গ'ল। যুদ্ধৰ শেষ ফল কি মই এতিয়াও বুজিব পৰা নাই। কিন্তু আমাৰ অৱস্থা আজি অতি শোচনীয়। উদ্ধাৰ হ'ব ন'হব কোনে জানে ? মই ৰাজ-ৰাজেশ্বৰ চন্দ্ৰকান্ত সিংহ আজি গৃহহীন বাটৰ মগনীয়াৰ ! এই ম'হগড়ৰ ৰণ-ক্ষেত্ৰতে মোৰ আজি সকলো শেষ হ'ল ! যাওক, নেভাবো ! ডেকাফুকন, লোৱা এই গৃহহীন ৰজাৰ শেষ দান মোৰ চেনেহৰ কন্যাতুল্যা লীলাৱতীক, তোমাক সাদৰে অৰ্পণ কৰিলো। (এই বুলি দুইযো হাত মিলাই দিয়ে) তোমালোকৰ দৰে বীৰৰ পক্ষে যুদ্ধ ক্ষেত্ৰয়ে উপযুক্ত বিবাহ স্থল।

(চক্ৰধৰ আৰু দেৱযানী, লীলা আৰু জন্মিয়ে চন্দ্ৰকান্ত সিংহক সেৱা কৰে)

হায়, মই নিজে ভাগ্য হীন ! তোমালোকক কি আশীৰ্ব্বাদ দিম তথাপি আশীৰ্ব্বাদ কৰো, ধ্বংসৰ পৰা যেন আই মোৰ অসমক উদ্ধাৰ কৰা (চন্দ্ৰকান্ত সিংহ ওলাই যায়)

(আনফালৰ পৰা ৰাহলাই আহি চক্ৰধৰৰ হাতত ধৰি কয়)

ৰহিলা :— গোহাঁইদেও, যুদ্ধত জিকিলা আৰু; আহাঁ এতিয়া যাওঁ ! আজি আমাৰ মিৰি গাঁৱে ডাঙ্গৰকৈ বিহু মাৰিব নহয় !

জন্মি :— গোহাঁইদেও আৰু এতিয়া তোমাৰ নহয়। গোহাঁইদেও এতিয়া এওঁ দেৱযানী আইদেউৰহে।

ৰহিলা :— ওঁ, মই নিদিলে মোৰ গোহাঁইদেউক কোনে নিব পাৰে? ওঁ, এইজনী ক'ৰ গাভৰু অ', মোৰ গোহাঁইদেউক নিয়া জনী চাওঁ!

জন্মি :— গাভৰু, বঙ্গাৰ জীয়েকক তেনেকৈ ক'ব নেপায়; তেওঁবিলাক ছয়োকো যে এতিয়া স্বৰ্গদেৱে বিয়া দিলে!

ৰহিলা :— কি? এতিয়াই বিয়া দিলে?

জন্মি :— এতিয়াই বিয়া দিলে।

ৰহিলা :— হয় নে গোহাঁইদেউ?

চক্ৰধৰ :— হয়।

ৰহিলা :— তেন্তে, তেন্তে? (হুক হুক কৰে কান্দি চক্ৰধৰৰ ভৰিত পৰি সেৱা কৰে। দেৱযানীয়ে ৰহিলাক তুলি ধৰে, থিয় হৈ ৰহিলাই হাঁহিবলৈ ধৰে আৰু নিজৰ ডিঙ্গিত থকা ফুলৰ মালা এধাৰ চক্ৰধৰক আৰু এধাৰ দেৱযানীক পিন্ধাই কয়) আইদেউ, আজিৰ পৰা মোৰ গোহাঁইদেউক তোমাক দিলোঁ। চাবা, যেন মোৰ গোহাঁইদেৱে মনত দুখ নেপায়! গোহাঁইদেউ, মোৰ কাম স্বৰ্গদেৱে কৰিলে। মই বুজিছিলোঁ, গাভৰু এজনী নিদিলে, তুমি সদাই অনাই-বনাই ফুৰিবা! আজিৰ পৰা তুমি আইদেউক মৰম কৰিবা দেই!

(উকলি এজোলোকা দি নাম গাই গাই ওলাই যায়)

গীত।

চৰাই থাবৰে ধানে মোৰ চেনাই ঐ
উফৰি পৰিবৰ কণ;
অতি চেনেহৰে আমাৰ বিহু তলিত
গজিলে দুবৰি বন॥

(বাকী বিলাক আন ফালে লাহে লাহে ওলাই যায়)

# অষ্টম পট

## যোৰহাট—মানৰ ছাউনি।

## সময়—দুপৰীয়া।

( যোগেশ্বৰ সিংহ, মিঙিমাহা বন্দুলা, মিঙিমাহা তিলোৱা, কাড্যাউঙ মান আৰু অসমীয়া বিষয়া আদি কথা পাতি বহি থাকে )

বন্দুলা :— তিলোৱা, তোমালোক যদিও মহগড়ৰ ৰণত জিকিলা! কিন্তু, চন্দ্ৰকান্ত সিংহক বন্দী কৰি আনিব নোৱাৰিলা? চন্দ্ৰকান্ত সিংহক যেনে-তেনে বন্দী কৰিব লাগে।

মিঃ তিলোৱা :— সেনাপতি, মই সংবাদ পাইছো, চন্দ্ৰকান্ত সিংহ নিজেই এতিয়া আহিব। আহিলেই তাৰ ব্যৱস্থা কৰা হ'ব।

বন্দুলা :— যদি নাহে?

মিঃ তিলোৱা :— নিশ্চয় আহিব। আমি যি বুদ্ধি কৰি, বৰ্ম্মা ৰজাৰ আদেশত তেওঁক ৰাজ্য পুনৰ শোধাই দিম বুলি লিখিছো, তেওঁ কেতিয়াও নহাকৈ নেথাকে।

যোগেশ্বৰ :— ময়ো বুজিছো, চন্দ্ৰকান্ত সিংহ নিশ্চয় আহিব। সেনাপতি মোৰ বৰ সৌভাগ্য আপোনালোক আজি মোৰ সহায়।

( এনেতে চন্দ্ৰকান্ত সিংহ আৰু মান কাঁকী সোমাই আহে )

চন্দ্ৰকান্ত :— (নিজে নিজে) ম'হগড়ৰ ৰণতে আমাৰ শক্তি অন্ত পৰিল; মানৰ বিৰুদ্ধে যুজিবৰ আৰু সাধ্য নাই। আজি জানি-শুনি শত্ৰুৰ মাজলৈ আহিছো। হয়অসমক আজি পুনৰ উদ্ধাৰ কৰিম, নতু নিজে আজি বন্দী হ'ম!

( সকলোকে এবাৰ চাই লৈ )

সেনাপতি, ময়েই অসমৰ ৰজা চন্দ্ৰকান্ত সিংহ! মোক নিমন্ত্ৰণ কৰি আনি সন্মান নকৰা কিয় ?

মিঃ তিলোৰা :— চন্দ্ৰকান্ত, কোনে কয় তোমাক অসমৰ ৰজা ? তুমি আমাৰ পলৰীয়া বন্দী! কাড্যাউঙ, বন্দী কৰা!

( কাড্যাউঙে ততালিকে বন্দী কৰে আৰু দুটা সৈনিক চন্দ্ৰকান্তৰ দুই কাষে থিয় হয় )

চন্দ্ৰকান্ত :— কি ? কি বিশ্বাসঘাতক নৰাধমহঁত! তহঁতৰ অতিথি সৎকাৰ এয়েই নে ? অধম বৰ্ব্বৰ, তহঁতৰ বন্দুলা, বন্দুলা ক'ত ?

( খঙত গৰ্জ্জি উঠে )

বন্দুলা :— চন্দ্ৰকান্ত, ময়েই আজি অসমৰ শাসনকৰ্ত্তা মিঙিমাহা বন্দুলা। মই বৰ্ম্মা ৰজাৰ আদেশত তোমাক বন্দী কৰিলো। কাড্যাউঙ, লৈ যোৱা বন্দীক।

চন্দ্ৰকান্ত :— কি ?

( চন্দ্ৰকান্ত সিংহক ততালিকে বন্দী কৰি লৈ যায় )

বন্দুলা :— সৈনিক, যোগেশ্বৰক বন্দী কৰ! আজিৰ পৰা অসমৰ শাসনকৰ্ত্তা মই মিঙিমাহা বন্দুলা।

( ততালিকে দুটা সৈনিকে যোগেশ্বৰক বন্দী কৰে )

যোগেশ্বৰ :— ( চক খাই ) কি সেনাপতি ? কি অপৰাধত ? মই কেতিয়াও তোমালোকৰ অন্যায় কৰা নাই। উপকাৰহে কৰিছো! ক্ষমা কৰা মোক!

বন্দুলা :— মুখ বন্ধ কৰ, যোগেশ্বৰ! আজিৰ পৰা এই অসম অসমীয়াৰ নহয়, মানৰ, মানৰ, মানৰ!

( এফালে সৈনিকে যোগেশ্বৰক লৈ যায়, আনফালে মিঃ বন্দুলা আদি সকলো ওলাই যায় )

---

# নবম পট

## যোৰহাট—বন্দীশাল।

সময়—মাজ ৰাতি।

বন্দী—চন্দ্ৰকান্ত সিংহ।

চন্দ্ৰকান্ত :— মই, মই কোন? ময়েই নে প্ৰবল-প্ৰতাপী ইন্দ্ৰবংশী অসমৰ ৰজা চন্দ্ৰকান্ত সিংহ! মোকেই নে এদিন লক্ষ লক্ষ প্ৰাণীয়ে সেৱা কৰিছিল! মোৰেই আদেশত লক্ষ লক্ষ প্ৰজাই প্ৰাণ দিছিল নে? নহয়, নহয়, নহয় মই চন্দ্ৰকান্ত সিংহ! মই কোনোবা, কোনোবা! মই অসমীয়া নহওঁ, নহওঁ! (ভাবে) ক'ত হায় মণি-মৰকতৰ ৰাজসিংহাসন, ক'ত আজি বন্দীশাল! আজি স্বৰ্গ কি, নৰক কি, মই ভালকৈয়ে বুজিছো! আৰু বুজিছো, স্বাধীনতা কি ধন, পৰাধীনতা কি পাপ! উস্, বিধি, তুমি ইমান কৰিব পাৰা! মানুহক ইমান তলত পেলাবহি পাৰাঁ! এক জনমতে মানুহক ইমান স্বৰ্গ-নৰক ভোগ কৰোৱাব পাৰা! তোমাৰ অনন্ত লীলা কাৰ সাধ্য বুজে? নেভাবো, মোৰ দেশ, মোৰ ৰাজ্য, মোৰ সিংহাসন, নেভাবো! মোৰ ভাবিবৰ অধিকাৰ নাই! মই বন্দী, মই বন্দীশালত মই মৰিম, মোৰ মৃত্যুয়েই শ্ৰেয়ঃ! কিন্তু মই মৰিলেও, মোৰ পাপৰ পৰাচিত হ'ব নে? উস, স্বাধীন অসম পৰাধীন হ'ল! মই, মই ৰজা হৈ, মোৰ অসমক ৰাখিব নোৱাৰিলো! বজ্ৰ! বজ্ৰ! মোক ধ্বংস কৰা, মই মোৰ আই অসমৰ পৰাধীন অৱস্থা চাব নোৱাৰো! (নীৰৱ) মই এতিয়া বুজিছো,

ভালকৈয়ে বুজিছো, আমাৰ কিহৰ দোষত, আমাৰ কত শত তপস্যাৰ স্বাধীন অসমক চিৰদিনলৈ হেৰুৱালো! কেৱল, কেৱল অসমীয়াৰ পৰশ্ৰীকাতৰতা আৰু আত্মকন্দল! এতিয়াও কোন ক'ত আছা অসমীয়া! শুনা, এবাৰ কাণপাতি শুনা, তোমালোকৰ পৰশ্ৰীকাতৰতা আৰু আত্মকন্দল বিসৰ্জ্জন দিয়া! অসমীয়াই অসমীয়াক বিশ্বাস কৰা, আদৰ কৰা, আকোৱালি ধৰা! হতভাগ্য অসমীয়া তোমালোকৰ দেশ যদি এতিয়াও ৰাখিব খোজা, লুপ্ত স্বাধীনতা যদি উদ্ধাৰ কৰিব খোজা, তেন্তে তেন্তে তোমালোক আকৌ মানুহ হোৱা, মানুহ হোৱা মানুহ হোৱা! মই, মই মানুহৰো অযোগ্য চন্দ্ৰকান্ত সিংহই অপাৰগ অপাৰগ! ( মুৰ্চ্ছিত হৈ পৰি যায়। )

—যৱনিকা—

